## ৩.০০ তৃতীয় অধ্যায়

# সত্ৰকেন্দ্ৰিক লোকশিল্প

৩.১ পৰিচয়

৩.২ সত্ৰৰ সংজ্ঞা

৩.৩ সত্ৰৰ গাঁথনি

৩.৪ লোকশিল্পত সত্ৰৰ প্ৰভাৱ

৩.৫ গুৰু আসন শিল্পৰ পৰিচয়

৩.৬ সত্ৰীয়া ভাস্কৰ্যৰ পৰিচয়

৩.৭ বৰপেটা অঞ্চলৰ সত্ৰসমূহৰ ভাস্কৰ্য

৩.৮ সত্ৰীয়া বাদ্যৰ পৰিচয়

৩.৯ আতচ্‌বাজী শিল্প

৩.১০ সত্ৰকেন্দ্ৰিক লোকশিল্পত ৰূপাঙ্গ

৩.১১ সামগ্ৰিক আলোচনা

# ৩.০০ তৃতীয় অধ্যায়

# সত্ৰকেন্দ্ৰিক লোকশিল্প

## ৩.১ পৰিচয় ঃ

পোন্ধৰশ শতিকাৰ শেষৰফালে অসমত নৱ-বৈষ্ণৱ আন্দোলনে গা-কৰি উঠিছিল। ভাৰতৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি বৈষ্ণৱ ধৰ্মৰ সংস্কাৰ সাধনেৰে শ্ৰীমন্ত শংকৰদেৱে অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তন কৰে। নৱ-বৈষ্ণৱ ধৰ্মৰ দৰ্শনে অসমৰ ভাষা, সাহিত্য, সংস্কৃতি সকলোকে প্ৰভাৱিত কৰিছিল। ধৰ্ম প্ৰচাৰ তথা সমাজ-সংস্কাৰৰ মহৎ উদ্দেশ্যেৰে শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱে সংস্কৃতিৰ ভালেমান দিশ ঐশ্বৰ্যশালী কৰি তোলে।

নৱ-বৈষ্ণৱ ধৰ্মৰ দৰ্শন তথা উপাসনা-স্থলী হিচাপে গঢ়ি উঠা সত্ৰ, নামঘৰ আৰু থানসমূহক কেন্দ্ৰ কৰি এক সংস্কৃতি গঢ়ি উঠিছিল যাক ‘সত্ৰীয়া সংস্কৃতি’ বা ‘শংকৰী সংস্কৃতি’ বুলি ক’ব পাৰি। বিভিন্ন জাতি-জনগোষ্ঠীৰ প্ৰভাৱপুষ্ট বৃহত্তৰ অসমীয়া সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ অংগ হ’ল সত্ৰীয়া সংস্কৃতি। সত্ৰীয়া সংস্কৃতি ভক্তিকেন্দ্ৰিক সংস্কৃতি। অংকীয়া নাট, ভাওনা, নৃত্য, গীত, শিল্প-কলা আদি সত্ৰীয়া সংস্কৃতিৰ অৱদান। অসমৰ চুকে-কোণে বিয়পি থকা সত্ৰ-নামঘৰ আদি সত্ৰীয়া সংস্কৃতি চৰ্চাৰ অন্যতম কেন্দ্ৰস্থল। গোটেই অসমত উজনিৰ পৰা নামনিলৈকে গুৰু দুজনা তথা আতা পুৰুষসকলে স্থাপন কৰা বহুতো সত্ৰ আছে। নামনি অসমৰ বৰপেটা, মধুপুৰ, গণককুছি, পাটবাউসী, সুন্দৰীদিয়া আদি অন্যতম সত্ৰ। এই অধ্যায়ত ‘সত্ৰ’ অনুষ্ঠানৰ ধাৰণাৰ লগতে বৰপেটাৰ সত্ৰসমূহৰ পৃষ্ঠপোষকতাত সৃষ্ট তথা নিৰ্মিত শিল্পসমূহ, যেনে ঃ গুৰু আসন, সত্ৰীয়া ভাস্কৰ্য, সত্ৰীয়া বাদ্য, আতচ্‌বাজী শিল্প আদি শিল্পসমূহৰ সামগ্ৰিক পৰিচয় জ্ঞাপন কৰা হৈছে। তদুপৰি এই শিল্পসমূহৰ নিৰ্মাণৰ লগত জড়িত শিল্পীসকল, শিল্পসমূহৰ অৰ্থনৈতিক ভূমিকা, শিল্পসমূহৰ ভৱিষ্যৎ আদি দিশসমূহকো সামৰি আলোচনা আগবঢ়োৱা হৈছে।

## ৩.২ সত্ৰৰ সংজ্ঞা ঃ

হেমকোষ অভিধানৰ মতে, ‘সত্ৰ’ শব্দৰ অৰ্থ হ’ল— “(সৎ, ধাৰ্মিক লোক+ত্ৰৈ, উদ্ধাৰ কৰ; সন্ত-মহন্তসকলক ত্ৰাণ কৰে, এতেকে) অসমৰ বৈষ্ণৱ ধৰ্ম চৰ্চাৰ কেন্দ্ৰস্থল, গোসাঁই ভকতৰ নিবাসৰ

ঠাই; মহন্তসকলৰ ঘৰ, a religious Institution in Assam, a monastery"[১] আন এক অর্থ অনুসৰি 'সত্ৰ' মানে হ'ল— সৎ+ত্র অর্থাৎ পুণ্য ধামলৈ গমন কৰা। "সৎ মানে ধার্মিক লোকক ত্রাণ কৰা।"[২] 'সত্র' শব্দটোৰ প্রয়োগ যর্জুবেদত 'যজ্ঞ' অর্থত পোনতে ব্যৱহাৰ হৈছিল। সত্যেন্দ্ৰ নাথ শৰ্মাৰ মতে "অসমীয়া বৈষ্ণৱসকলৰ পবিত্রতম গ্রন্থ হ'ল 'ভাগৱত পুৰাণ'। 'নৈমিষাৰণ্য'ত সৌনকাদি মুনিসকলে সহস্রবর্ষ ব্যাপি সত্ৰানুষ্ঠান কৰোঁতে অর্থাৎ যজ্ঞ কৰোঁতে সুত উগ্রশ্রবা তাত উপস্থিত হোৱাত ঋষিসকলে তেওঁক শ্রীকৃষ্ণৰ লীলা প্রকাশক ভাগৱত পাঠ কৰিবলৈ অনুৰোধ কৰে। ঋষিসকলৰ অনুৰোধ ৰক্ষা কৰি সুতে সমস্ত ভাগৱত যজ্ঞানুষ্ঠানৰ অৱসৰত ব্যাখ্যা কৰি শুনায়। যিহেতুকে সত্ৰক (যজ্ঞ) উপলক্ষ কৰি ভাগৱত চর্চা হৈছিল আৰু হৰিভক্তিৰ মাহাত্ম্য প্রকাশ হৈছিল, সেই কাৰণে অসমীয়া বৈষ্ণৱসকলে নৈমিষা সত্ৰৰ লাক্ষণিক অর্থকে প্রধানভাবে গ্রহণ কৰি বৈষ্ণৱ-ভক্তিৰ কেন্দ্ৰ আৰু ভক্তসকলৰ সংযোগ স্থল অর্থত সত্ৰ শব্দটো প্রয়োগ কৰিবলৈ ধৰে। যজ্ঞ অর্থ কালক্রমত লোপ পায় আৰু পাছলৈ সত্ৰ বুলি পৰিগণিত হয়।"[৩] নৱবৈষ্ণৱ ধর্ম প্রচাৰৰ আদি কালত উপাসনাৰ স্থানসমূহক থান, স্থান আদি নামেৰেহে জনা গৈছিল। ভট্টদেৱে 'শৰণ মালিকা' গ্রন্থত সত্ৰ শব্দৰ উল্লেখ তথা সংজ্ঞা দাঙি ধৰে। সত্ৰ হ'ল ভক্তসকলে নৱবিধ ভক্তি আচৰণ কৰা, বৈষ্ণৱ দেৱতাৰ দ্বাৰা পূজিত, ভকতবৃন্দৰ বসতি স্থল। নৱ-বৈষ্ণৱ ধর্মত যি স্থানত গুৰুসকলে ভক্তি ধর্মৰ প্রচাৰ আৰু প্রসাৰ কৰিছিল, সেই স্থানৰ উপাসনাৰ স্থলীসমূহত সত্ৰ অনুষ্ঠান প্রতিষ্ঠা হৈছিল। নামঘৰ হ'ল অন্য এক উপাসনাৰ স্থলী। পুলিন কলিতাই 'নামঘৰ বুৰঞ্জী আৰু বিৱৰণ'ত উল্লেখ কৰিছে যে 'সত্ৰৰ অনুকৰণত সত্ৰৰ বাণী তৃণমূললৈ নিয়াৰ প্রয়োজনত গাঁৱে-গাঁৱে অসংখ্য নামঘৰ গঢ়ি উঠিছিল।' ভাৰতৰ সম্ভৱতঃ দুটা অনুষ্ঠানৰ সৈতে নামঘৰৰ কাম-কাজৰ সামান্য মিল দেখা যায়। ওড়িশাৰ ভাগৱত ঘৰ, য'ত ভাগৱত গ্রন্থ প্রতিষ্ঠা কৰা হয় আৰু সামাজিক প্রয়োজনত এই গ্রন্থ ৰাজহুৱাকৈ পাঠ কৰে। কেৰেলাৰ কূটম্বলম, যি হ'ল সামাজিক মন্দিৰ সংলগ্ন নাটঘৰ।[৪]

**৩.৩ সত্ৰৰ গাঁথনি ঃ**

সত্ৰ হ'ল এক পূর্ণাংগ ধর্মীয় অনুষ্ঠান। তিনি প্রকাৰৰ সত্ৰ দেখা যায়— উদাসীন, অর্ধ উদাসীন (Semi Monestic) আৰু গৃহস্থী। সত্ৰৰ কাম-কাজ নিয়াৰিকৈ পৰিচালিত হয়। সত্ৰৰ কাম-কাজ পৰিচালনা কৰিবৰ নিমিত্তে অধিকাৰ, ভকত, ঘাই দেউৰী, ভৰালী, সূত্রধাৰ, খনিকৰ, লিখন, গায়ন-বায়ন, পাঁচনি, আলধৰা, মেধি, হাটীমতা, পাঠক, দেউৰী, পালৰীয়া আদি বিষয়ববীয়া নিযুক্ত হৈছিল। সুদৃঢ় সামাজিক সংগঠনৰ বৈশিষ্ট্য বহন কৰা এখন সত্ৰ হ'ল বৰপেটা সত্ৰ। বৰপেটা সত্ৰৰ প্রথম সত্ৰীয়া মথুৰাদাস বুঢ়া আতাই নিয়াৰিকৈ কাম-কাজ চলাবলৈ 'বংশৰা'ৰ সৃষ্টি কৰিছিল। নামঘৰসমূহতো ভকতসকলে নির্দিষ্ট দায়িত্বসমূহ পালন কৰে।

### ৩.৪ লোকশিল্পত সত্ৰৰ প্ৰভাৱ ঃ

নৱ-বৈষ্ণৱবাদে অসমৰ সাংস্কৃতিক, আধ্যাত্মিক ক্ষেত্ৰখনত এক নৱজাগৰণৰ সৃষ্টি কৰিছিল। তাত্ত্বিক, গভীৰ অৰ্থবহ কথাবোৰ গণমুখী কৰাৰ বাবে প্ৰতীক চিহ্ন, আখ্যান, উপমা আদি বাচি লৈছিল। আধ্যাত্মিক জীৱনৰ লগতে শিল্পসত্তাক উজ্জীৱিত কৰি তোলে সত্ৰৰ সংস্কৃতিয়ে। সত্ৰসমূহত পালন কৰা উৎসৱ-অনুষ্ঠান, নিত্য-নৈমিত্তিক প্ৰসংগ, সাংস্কৃতিক কাৰ্যাৱলী আদিয়ে সত্ৰানুষ্ঠানসমূহক সমাজ-ব্যৱস্থাৰ আধাৰ ৰূপে প্ৰতিষ্ঠিত কৰে। 'ৰঙিয়াল গৃহ' সত্ৰৰ সাংস্কৃতিক চৰ্চাৰ গৃহস্বৰূপ। অসমৰ লোকশিল্পৰ ক্ষেত্ৰখনতো সত্ৰৰ প্ৰভাৱ বিদ্যমান। নৱ-বৈষ্ণৱ ধৰ্মৰ দৰ্শন, শৈলীৰ প্ৰভাৱ হস্তশিল্পৰ ওপৰত দৃশ্যমান। ভাস্কৰ্য, চিত্ৰকলা, বস্ত্ৰশিল্প আদি বস্তুগত সংস্কৃতি (Material Culture)ৰ জৰিয়তে নৱ-বৈষ্ণৱ পৰম্পৰাই প্ৰতীকৰ মাধ্যমত আধ্যাত্মিক তত্ত্বসমূহ সহজ-সৰলভাৱে উপস্থাপন কৰিছিল। অসমৰ লোকশিল্পৰ ক্ষেত্ৰখনৰ পৃষ্ঠপোষকৰ ৰূপত অৱতীৰ্ণ হৈছিল সত্ৰ-নামঘৰসমূহ। লোকশিল্পীসকলে ধৰ্মীয়, সামাজিক চাহিদা পূৰণ কৰিবলৈ সৃষ্টি কৰিছিল অনন্য শিল্পবস্তু। নাগেৰি টকা, বৃন্দাবনী বস্ত্ৰ, গুৰু আসন, সহস্ৰ গছা, সত্ৰীয়া বাদ্যৰ মাধ্যমেৰে শিল্পকলাক এক নৱৰূপ দান কৰিছে সত্ৰীয়া সংস্কৃতিয়ে।

সত্ৰৰ ভকতবৃন্দই ধৰ্মীয় আৰু সামাজিক প্ৰয়োজনত এই শিল্পকৰ্মত নিয়োজিত হয়। সত্যেন্দ্ৰ নাথ শৰ্মাই সত্ৰসমূহৰ কাৰুকলা-চাৰুকলাৰ প্ৰতি অৱদানৰ প্ৰসংগত কৈছে যে - "সত্ৰৰ কেৱলীয়া ভকতে আজৰি সময়ত নানা ধৰণৰ শিল্পকৰ্মত আত্মনিয়োগ কৰি নিজৰ চাউল কঠা মুকলি কৰাৰ উপৰিও সেইবোৰৰ যোগেদি নামঘৰ, মণিকূট আৰু হাটী-বাটীৰ সৌন্দৰ্যবৰ্ধন কৰিছিল। সিংহাসন, কাঠৰ বিভিন্ন দেৱ-দেৱী আৰু ভক্তৰ মূৰ্তি, কাঠৰ ঠগী-শৰাই, হাতীদাঁতৰ কৰ্ম, ভাওনাৰ পোচাক, মুখা, অস্ত্ৰ-শস্ত্ৰ, বেত-বাঁহৰ নানা ধৰণৰ ধুনীয়া প্ৰয়োজনীয় আৰু অলংকৰণীয় বস্তু সত্ৰক কেন্দ্ৰ কৰি নিৰ্মিত হৈছিল। বৰপেটা সত্ৰৰ হাতীদাঁতৰ কাম, বহু বন্তিধাৰক লোহাৰ গছা, আউনীআটি সত্ৰৰ বেতৰ বিচনী এতিয়াও সজীৱ শিল্প হৈ আছে।"[৫] এই শিল্পকলাসমূহ পৰম্পৰাগত শিল্প ৰূপে পৰিগণিত হৈছে। "এই অপূৰ্ব সাংস্কৃতিক সমলসমূহে যে কেৱল নৱ-বৈষ্ণৱবাদৰ আধ্যাত্মিক পৰম্পৰাকেই সমৃদ্ধ কৰি আহিছে তেনে নহয়, এই সাংস্কৃতিক পৰম্পৰাই গুৰুজনাৰ নৈতিক তথা আধ্যাত্মিক শিক্ষাৰ সাৰমৰ্মকো স্পষ্ট ৰূপত প্ৰকাশ কৰি আহিছে"।[৬] গুৰু আসন শিল্প, সত্ৰীয়া ভাস্কৰ্য, বাদ্য, আতচবাজী শিল্প, বয়ন শিল্প, কুমাৰ শিল্প, কঁহাৰ শিল্প, কাঠ-শিল্প আদি সত্ৰক কেন্দ্ৰ কৰি সৃষ্ট লোকশিল্প। লোকশিল্পীয়ে সত্ৰ-নামঘৰৰ আধ্যাত্মিক ব্যৱহাৰৰ প্ৰয়োজনত শিল্পসমূহ সৃষ্টি কৰে। এই শিল্পসমূহত এফালে লোকমনৰ সৰলতা তথা আধ্যাত্মিক অৰ্থ প্ৰতিফলিত হয়। আনফালে লোক-মনোৰঞ্জনৰ ক্ষেত্ৰতো অৰিহণা যোগায়।

নৱ-বৈষ্ণৱ ধৰ্মৰ অন্যতম কেন্দ্ৰভূমি বৰপেটা অঞ্চল সত্ৰ-সংস্কৃতিৰে পৰিপূৰ্ণ। এই অঞ্চলতে গুৰু দুজনাই সৰহ সংখ্যক সাহিত্য সৃষ্টি কৰি থৈ গৈছিল। শংকৰদেৱ, মাধৱদেৱ প্ৰমুখ্যে

আতাপুৰুষসকলৰ মিলন-ক্ষেত্ৰ বৰপেটাৰ সত্ৰীয়া পৰম্পৰাক কেন্দ্ৰ কৰি এই স্থানতে বিভিন্ন শিল্পকৰ্মৰ সৃষ্টি হৈছিল। কোঁচ ৰজা নৰনাৰায়ণে আহোম ৰাজ্য আক্ৰমণ কৰি বহুতো বৃত্তিয়াল লোকক নিজ ৰাজ্যলৈ লৈ আহিছিল। 'গোপাল চৰিত'ত এনেদৰে আছে—

"ঠাঠাৰী সোণাৰ যে কুন্দাৰ কুম্ভকাৰ।
চৰ্মকাৰ চমাৰ কমাৰ চিত্ৰকাৰ।।
তান্তী পঢ়িয়া আনো বৃত্তিয়াল যতেক।
নৰনাৰায়ণ ৰজা সমস্ত নিলেক।।
আপোন থানত নিয়া একত্ৰ কৰিলা।
চাৰিখান নগৰত নিয়মে পাতিলা।।
বৰ নগ নগৰ ভৱানী কালঝাৰ।
চাৰিও নগৰ আতি ভৈলা জাতিষ্কাৰ।।"[৭]

এই বৃত্তিয়াল লোকসকলক বৰপেটাৰ বৰনগৰ, ভৱানীপুৰ, কালঝাৰ আদি ঠাইত সংস্থাপিত কৰিছিল। শ্ৰীমন্ত শংকৰদেৱে বৰপেটাৰ পাটবাউসী সত্ৰ স্থাপন কৰি সপ্ত বৈকুণ্ঠৰ পট থকা 'বৃন্দাবনী বস্ত্ৰ' কোঁচবিহাৰৰ ৰজা নৰনাৰায়ণক আগবঢ়াইছিল। সেই সময়ৰ পৰাই সত্ৰ-সংস্কৃতিৰে পৰিপূৰ্ণ বৰপেটাৰ সত্ৰ, নামঘৰ, থান আদি অনুষ্ঠানক কেন্দ্ৰ কৰি নানা লোকশিল্পও গঢ় লৈ উঠিছিল।

**৩.৫ গুৰু-আসন শিল্পৰ পৰিচয় ঃ**

সত্ৰীয়া সংস্কৃতিৰ অভিন্ন অংগ হ'ল গুৰু-আসন। গুৰু-আসন হ'ল সত্ৰ, নামঘৰ, থান আদিত প্ৰতিষ্ঠা কৰা শ্ৰদ্ধাযুক্ত সেৱাৰ বস্তু। ইয়াত নৱ-বৈষ্ণৱ ধৰ্মৰ পবিত্ৰ গ্ৰন্থক পৰম পুৰুষৰ ৰূপত উপস্থাপন কৰা হয়। নিৰাকাৰ পৰম ব্ৰহ্মাৰ ৰূপ হিচাপে কীৰ্তন, গুণমালা, নামঘোষাক গুৰু-আসনত স্থাপন কৰা হয়। গুৰু আসনখনক 'সিংহাসন', 'গুৰু আসন', 'ময়ূৰাসন', 'গৰুড়াসন' আদি নামেৰে জনা যায়। ময়ূৰ চৰাই খোদিত কৰিলে ময়ূৰাসন আৰু গৰুড় চৰাই থাকিলে গৰুড়াসন নামেৰে জনা যায়। সিংহাসন বুলি ক'লে সকলো আসনক বুজা যায়। সিংহাসনৰ অৰ্থ হ'ল সিংহ + আসন = সিংহাসন। অৰ্থাৎ সিংহযুক্ত আসন। আসন হ'ল উপৱেশন কৰিবৰ কাৰণে এখন যোগ্য আসন; যেনে -- পীৰা, কম্বল, কঠ আদি। ভগৱন্তক বহুৱাব পৰা আধাৰ সামগ্ৰীবিধ "শাস্ত্ৰীয় হিচাপে সিংহাসন আৰু সত্ৰীয়া মৌখিক হিচাপে গুৰু আসন" বুলিও কয়।[৮]

**৩.৫.১ গুৰু-আসনৰ আদিৰূপ ঃ**

নৱ-বৈষ্ণৱ ধৰ্মৰ শাস্ত্ৰবোৰ ৰাখিবৰ বাবে সিংহাসন বা গুৰু-আসন ব্যৱহাৰ কৰাৰ কথা চৰিত

পুথিত পোৱা নাযায়। কিন্তু ধৰ্ম প্ৰচাৰৰ বাবে শ্ৰীমন্ত শংকৰদেৱে বিভিন্ন স্থান ভ্ৰমণ কৰোঁতে শাস্ত্ৰ কঢ়িয়াবলৈ সুপৰিৱহনযোগ্য কাঠ, বাঁহ বা পিতলৰ শৰাই, বটা, কৰণি আদি সিংহাসনৰ আদি ৰূপ হ'ব পাৰে বুলি পুলিন কলিতাই 'নামঘৰৰ বুৰঞ্জী আৰু বিৱৰণ'ত উল্লেখ কৰে। গাঁৱলীয়া নামঘৰত কেতিয়াবা চাৰিটা খুৰাৰ নতুন পীৰা এখনতে থাপনা পতাও দেখা গৈছিল। বৰপেটা সত্ৰত 'বাহাৰ চৰিত' বুলি কেৰলীয়া ভকতৰ মাজত প্ৰচলিত চৰিত পুথিত গুৰু-আসনৰ আদি ৰূপ সম্পৰ্কে এনেদৰে আছে -- "জগতগুৰু শংকৰদেৱে বৰদোৱাত 'গোপী-উদ্ধৱ সংবাদ' ৰচি শৰণ লগোৱাৰ পৰাই 'থাপনা'ৰ প্ৰাদুৰ্ভাৱ হ'ল। সেই সময়ত শৰাই, বটা, কৰণি, বাঁহ বা কাঠৰ চাং অথবা নতুনকৈ সজা কাঠৰ পীৰা আদি থাপনা ৰূপে ব্যৱহৃত হৈছিল। থাপনাত শাস্ত্ৰ থোৱা কাৰণে ইয়াক আসন বোলা হৈছিল। পৰৱৰ্তী সময়ত শৰাই, বটা, পীৰা আদিৰ গাত সৌন্দৰ্যপ্ৰিয় কলা-কুশলীয়ে ৰুচি অনুসৰি বিভিন্ন বিচিত্ৰ লতা-পাত কাটি হেঙুল-হাইতালৰ ৰঙেৰে বোলাই বিতোপন কৰি তুলিলে, এয়ে হৈছে আসনৰ আদি ৰূপ।"[৯] চৰিত পুথিতো গুৰু-আসনৰ আদিৰূপ সম্পৰ্কে বিশদভাৱে নাই; মহাপুৰুষ মাধৱদেৱে বৰপেটা সত্ৰৰ কীৰ্তন-ঘৰ প্ৰতিষ্ঠা কৰাৰ সময়ত মাত্ৰ এখন থাপনা কৰি নাম-প্ৰসঙ্গ কৰিছিল। "প্ৰথমে ভাগৱত শাস্ত্ৰখন খাগৰিৰ তিনি ঠেকনা কৰি থাপনা কৰে আৰু এয়াই গুৰু-আসনৰ প্ৰথম অৱস্থা। কিছুদিন পিছত খাগৰিৰ ঠেকনাৰ পৰিৱৰ্তে মঠৰ পীৰাৰ ওপৰত ৰখা কৰিলে, এয়ে আসনৰ দ্বিতীয় অৱস্থা। কিছুদিন পিছত তলত পীৰা পাৰি তাৰ ওপৰত শৰাই এখন ৰাখি ভাগৱত শাস্ত্ৰ ৰখাৰ নিয়ম কৰিলে আৰু এয়ে গুৰু-আসন ব্যৱস্থাৰ তৃতীয় অৱস্থা।"[১০]

**৩.৫.২ বৰপেটাৰ গুৰু-আসন শিল্প ঃ**

বৰপেটা জিলাত নিৰ্মাণ হোৱা এবিধ সত্ৰকেন্দ্ৰিক লোকশিল্প হ'ল কাঠেৰে বনোৱা গুৰু-আসন শিল্প। গুৰু-আসন লোকশিল্পীৰ শিল্পসত্তাৰ নৈপুণ্য আৰু ভক্তিৰ সংমিশ্ৰণত সৃষ্টি হোৱা সুন্দৰ শিল্পবস্তু। গণককুছি, পাটবাউসী, চূণপোৰা, বাৰাদি, ময়নবৰি, বৈঠাপুতা ঘাট আদি সত্ৰত মূল কীৰ্তনঘৰৰ ভিতৰত এখনকৈ গুৰু-আসন আছে। মাধৱদেৱে প্ৰতিষ্ঠা কৰা বৰপেটা আৰু সুন্দৰীদিয়া সত্ৰত তিনিখনকৈ গুৰু-আসন আছে। বৰপেটা সত্ৰত তিনিখন গুৰু-আসন থকাৰ সম্পৰ্কত অধৰ চন্দ্ৰ দাসৰ 'সচিত্ৰ বৰপেটা সত্ৰ'ত পোৱা যায়। মথুৰাদাস বুঢ়া আতাই তেওঁৰ দিনতেই মাধৱদেৱৰ উপদেশ মানি তিনিখন গুৰু-আসন সজাইছিল। "বৰপেটা কীৰ্তনঘৰৰ গুৰু-আসন তিনিখনৰ সন্মুখত সেৱা জনালে তিনি ৰাজ্যৰ- বেহাৰে (কোচবিহাৰ) মধুপুৰ, কামৰূপে বৰপাটা (বৰপেটা) আৰু উজানে কমলাবাৰী সত্ৰৰ প্ৰতি একেলগে সেৱা জনোৱা হয়"[১১] বৰপেটা সত্ৰৰ গুৰু-আসন তিনিখনৰ উত্তৰখন পাঁচ থাকৰ, মাজৰখন সাত থাকৰ আৰু দক্ষিণৰখন তিনি থাকৰ। উল্লেখযোগ্য যে গুৰু-আসন কেইখনৰ কিছু অংশ কাঠ আৰু বেছি অংশ ৰূপেৰে তৈয়াৰী। বৰপেটাৰ ৰঙিয়াল গৃহ নিৰ্মাণ কৰিবলৈ অহা কৃষ্ণাই আতৈক মাধৱদেৱে গুৰু-আসন নিৰ্মাণ কৰিবলৈ দিয়ে বুলি ভক্ত সমাজত প্ৰচলিত।

উল্লেখযোগ্য যে বৰপেটা সত্ৰৰ গুৰু-আসন তিনিখনৰ আমহী ঘৰ আৰু খলপবোৰ ৰূপেৰে তৈয়াৰী। আনকি মূল প্ৰৱেশ-দ্বাৰৰ দক্ষিণৰ গুৰু-আসনখনৰ সিংহ, হাতী আদি প্ৰতীকবোৰো ৰূপেৰে তৈয়াৰী। ৰূপেৰে অতি সুন্দৰকৈ লতা আৰু ফুল কটা হৈছে। আমহী ঘৰটোত চালে চকু ৰোৱাকৈ জালিকটা ৰূপৰ ফুলযুক্ত বেৰ আছে। তাৰ শিল্প-নৈপুণ্য অপূৰ্ব। মাজৰ আসনখন আৰু উত্তৰৰ ফালৰ গুৰু-আসনৰ প্ৰতীকবোৰ কাঠেৰে নিৰ্মিত। গুৰু-আসনখন গজাসনৰ ওপৰত উপবিষ্ট হৈ আছে। গুৰু-আসনৰ সন্মুখভাগত এখন আয়ত আকৃতিৰ চালপীৰা সদৃশ ছয় খুৰা থকা শৰাই থোৱা ৰূপেৰে নিৰ্মিত আসন পতা আছে। গজাসনৰ প্ৰতিটো খুঁটাত কাছ, তাৰ ওপৰত হাতী, হাতীটোৰ ওপৰত মুখত এটা সৰু সিংহ লৈ ডাঙৰ আকৃতিৰ গৰুড় পক্ষী আছে। মথুৰাদাস বুঢ়া আতা আৰু বদলা আতাৰ ভিঠিতো গুৰু-আসন স্থাপন কৰা আছে। সুন্দৰীদিয়া সত্ৰত মূল কীৰ্তনঘৰৰ দ্বিতীয় খোটালীত গুৰু-আসন তিনিখন স্থাপন কৰা আছে। তিনিওখন কাঠেৰে সুন্দৰ লতা আৰু প্ৰতীক খোদিত কৰি নিৰ্মাণ কৰা হৈছে। প্ৰৱেশ-দ্বাৰৰ দক্ষিণৰ ফালৰ গুৰু-আসনৰ খলপবোৰত নামসিংহৰ তলত এন্দুৰ, বাঘ, ভাটৌ চৰাইৰ প্ৰতীক খোদিত কৰা হৈছে। মাজৰ গুৰু-আসনখন সাত থাকযুক্ত। এইখন মাধৱ গুৰুৰ প্ৰতীক হিচাপে স্থাপন কৰা আছে। পৰৱৰ্তী সময়ত দুই কাষে বৰপেটা সত্ৰৰ প্ৰথম সত্ৰীয়া মথুৰা দাস বুঢ়া আতাৰ আৰু মাধৱদেৱৰ ভাগিনীয়েক সত্ৰৰ প্ৰথম মেধি ৰামচৰণ ঠাকুৰ আতাৰ নামত গুৰু-আসন স্থাপন কৰা হৈছে। মথুৰাদাস বুঢ়া আতাই সুন্দৰীদিয়া সত্ৰ তদাৰক কৰি ঘৰবোৰ নিৰ্মাণ তথা মেৰামতি কৰি দিছিল। এই সিংহাসন দুখন পাঁচ খলপযুক্ত। সুন্দৰীদিয়া সত্ৰৰ গুৰু-আসনখন কাঠেৰে তৈয়াৰী। কাঠেৰে নিৰ্মিত গুৰু-আসনৰ উপৰিও বৰপেটা সত্ৰত শ্ৰীশ্ৰীমাধৱদেৱে ব্যৱহাৰ কৰা দুই থাকযুক্ত পিতলৰ গুৰু-আসন আছে। যাক ‘গৰুড় আসন’ বোলা হয়। এই আসনখনৰ খুৰাত বহি নমস্কাৰ কৰি থকা অৱস্থাত পাখি থকা দেৱতাসদৃশ গৰুড় পক্ষী চাৰিটা আছে। তাৰ ওপৰৰ খলপটোত চাৰিটা তুলনামূলকভাৱে সৰু আকৃতিৰ একে গৰুড় চৰাই আছে। আমহী ঘৰটো দেখিবলৈ প্ৰায় মূল কীৰ্তনঘৰসদৃশ, ওপৰত কলচী আছে। আমহী ঘৰৰ দুৱাৰৰ তুলনাত চালখন যথেষ্ট ডাঙৰ। এইখন মাধৱদেৱৰ মঠৰ ভিতৰভাগত সংৰক্ষিত অৱস্থাত আছে। সুন্দৰীদিয়া সত্ৰৰ পিতলৰ গুৰু-আসনখন পাঁচ থাকযুক্ত। এই আসনখনো অতি পুৰণি। থাকবোৰত উৰণীয়া সিংহৰ প্ৰতীক আছে। ইয়াৰ আমহী ঘৰৰ চাল নাই। বাঘবৰৰ বৈঠাপুতা ঘাট সত্ৰৰ ভিতৰৰ মণিকূটতো এখন পিতলৰ গুৰু-আসন সদৃশ আমহী ঘৰৰ আকৃতিৰ আসন আছে। আসনখনৰ খলপ নাই, চাৰিওকাষ খোলা অৱস্থাত আছে। মূল কীৰ্তনঘৰৰ ভিতৰতো এখন গুৰু-আসন আছে। পাটবাউসীৰ শংকৰদেৱৰ থানতো ৰজাই দান দিয়া তিনি খলপযুক্ত পিতলৰ গুৰু-আসন সংৰক্ষিত অৱস্থাত আছে। অতি পুৰণি গুৰু-আসনখনৰ প্ৰতিটো খলপৰ চাৰি চুকত ভাটৌ চৰাইৰ মূৰ খোদিত কৰা আছে। আমহী ঘৰৰ ওপৰত চাৰিটা কোণত সৰু

সৰু কলচী চাৰিটা আৰু ওপৰত ডাঙৰ কলচী এটা আছে। মূল কীৰ্তনঘৰৰ ভিতৰত সাত থাকযুক্ত কাঠৰ গুৰু-আসন আছে। ইয়াৰ বাহিৰেও গ্ৰাম্য নামঘৰ, কীৰ্তনঘৰ আদিত কাঠেৰে বনোৱা গুৰু-আসন স্থাপন কৰা আছে। মাধৱদেৱ স্থাপিত গোমূৰা সত্ৰৰ  মূল কীৰ্তনঘৰৰ ভিতৰত তিনি খলপযুক্ত এখন গুৰু-আসন আছে। দামোদৰদেৱ প্ৰতিষ্ঠিত পাটবাউসী সত্ৰ বা শ্ৰীশ্ৰীব্যাসপুৰ থানত মূল কীৰ্তনঘৰৰ ভিতৰত তিনি থাকযুক্ত এখন গুৰু-আসন আছে। ইয়াত শ্ৰীশ্ৰীদামোদৰদেৱৰ প্ৰসংগমালা পুথিখন থাপিত হৈছে।

**৩.৫.৩ গুৰু-আসন নিৰ্মাণ কৰা শিল্পীসকলৰ পৰিচয় ঃ**

সত্ৰৰ ভিতৰভাগৰ সেৱাৰ বস্তু হ'লেও গুৰু-আসনৰ নিৰ্মাণ-শৈলী, কাৰুকাৰ্য আদিৰে ই অনন্য শিল্প ৰূপে পৰিগণিত হৈছে। অতীজৰে পৰা প্ৰসিদ্ধ কাঠ-শিল্পী বৰপেটাত আছিল। গুৰু চৰিত কথাত ৰাম কাৰিকৰ, কৃষ্ণাই আতৈ আদিয়ে ৰঙিয়াল গৃহ নিৰ্মাণৰ ক্ষেত্ৰত মূল বাঢ়ৈ হিচাপে থকাৰ উল্লেখ পোৱা যায়। বৰপেটা জিলাৰ ভিতৰত কেৱল মাত্ৰ বৰপেটা সত্ৰৰ হাটীসমূহত থকা স্থানীয় লোকশিল্পীসকলহে ইয়াৰ নিৰ্মাণৰ লগত জড়িত। এই শিল্পীসকলৰ বেছিভাগেই হাতীদাঁতৰ শিল্প নিৰ্মাণৰ লগতো জড়িত আছিল। আত্মাৰাম মিস্ত্ৰী, ৰাধাকান্ত মিস্ত্ৰী, শেহৰাম বাপু আদি একো একোজন কাঠৰ প্ৰসিদ্ধ মূৰ্তি কটা আৰু হাতী দাঁতৰ শিল্পবস্তু তৈয়াৰ কৰা শিল্পী। শিল্পীসকল সত্ৰৰ হাটীৰ নিবাসী ভকত আছিল। সুন্দৰীদিয়া সত্ৰত থকা গুৰু-আসন নিৰ্মাণ কৰা কাঠ-শিল্পীসকল হ'ল কালিকান্ত দাস, কমলা গায়ন, ৰসিক পাটোৱাৰী ইত্যাদি। বৰ্তমানৰ শিল্পীসকলে পৰম্পৰা অনুসৰি বংশানুক্ৰমে নাইবা প্ৰশিক্ষণৰ জৰিয়তে এই শিল্প নিৰ্মাণৰ কাম শিকি আহিছে। এওঁলোকে নিৰ্মাণ কৰা গুৰু-আসনসমূহ অসমৰ ভিন ভিন ঠাইলৈ ৰপ্তানি কৰা হয়। কাঠ শিল্পী হিচাপে খ্যাত এই গুৰু-আসন নিৰ্মাতাসকলে কোনো এটা বিশেষ জাতিৰ নহয়। তেওঁলোক কলিতা, কেওঁট, কমাৰ আদি ভিন্ন জাতিৰ লোক। ৰাধানাথ মিস্ত্ৰী, জগন্নাথ দাস, শৈলেন দাস, টিকেন্দ্ৰজিৎ বায়ন, সঞ্জীৱ বায়ন আদি বৰপেটাৰ প্ৰসিদ্ধ গুৰু-আসন গঢ়া শিল্পী। বহুতো শিল্পীয়ে ঘৰতে এই শিল্পবিধ নিৰ্মাণ কৰে যদিও বৰ্তমান বৰপেটাত এনে শিল্পৰ প্ৰতিষ্ঠান কেইবাখনো আছে— ৰাধানাথ আইভ'ৰি হাউছ, ভগৱতী আইভ'ৰি এণ্ড উড্ কাৰভিং ৱৰ্কছ, লাৱণ্য শিল্পালয় আদি। এগৰাকী নিপুণ শিল্পী শৈলেন দাসে নিজ হাতেৰে বনোৱা গুৰু-আসনখনে অসমৰ লগতে দিল্লী, মুম্বাই আদিতো প্ৰতিযোগিতাত অংশ লৈছে। ১৯৮৫ চনত বৰপেটাৰ শিল্পী টিকেন্দ্ৰজিৎ বায়নে নিৰ্মাণ কৰা গুৰু-আসনখনৰ প্ৰতীকপদে দিল্লীৰ গণৰাজ্য দিৱসত অসমৰ হৈ প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। বায়নে নিৰ্মাণ কৰা সূক্ষ্ম কাৰুকাৰ্য খচিত গুৰু-আসন এখন কলাক্ষেত্ৰত সংৰক্ষিত হৈ আছে। "The Guru Ashana Preserved and displayed in the Gallery of Sankari Culture at the Purbajyoti Sangrahalaya in Kalakshetra also bears

witness to the rich artistic talent of Bayan"[১২] বৰপেটাৰ এই শিল্পীসকলৰ শিল্প নৈপুণ্যই গুৰু-আসন শিল্পক অনন্য মাত্ৰা প্ৰদান কৰিছে। এই শিল্পীসকল ভাৰতৰ লগতে বিদেশতো সমাদৃত হৈছে। নামনি, উজনি অসমৰ সত্ৰ, নামঘৰসমূহলৈও বৰপেটাৰ শিল্পীয়ে বনোৱা সিংহাসন লৈ যোৱা হয়।

**৩.৫.৪ গুৰু-আসনৰ অংশবোৰৰ পৰিচয় ঃ**

কোনো এবিধ লোকশিল্পৰ স্বৰূপ আৰু বৈশিষ্ট্য নিৰ্ণয়ত লোকশিল্পবিধৰ উপকৰণ, নিৰ্মাণ-কৌশল, ভৌগোলিক পৰিৱেশ, সামাজিক পৰিৱেশ আদি গুৰুত্বপূৰ্ণ দিশ। নামনি অসমৰ বৰপেটা আৰু উজনিৰ বিভিন্ন স্থানত গুৰু-আসন তৈয়াৰ কৰা হয়। কিন্তু ইয়াৰ আকাৰ, আকৃতি আৰু ৰঙৰ ব্যৱহাৰৰ ক্ষেত্ৰত কিছু পাৰ্থক্য দেখা যায়। উজনিৰ সত্ৰ-নামঘৰত প্ৰতিষ্ঠা কৰিবলৈ পদুমফুল খোদিত কৰি 'পদ্মাসন', মৰা চৰাই দি 'ময়ূৰাসন' নিৰ্মাণ কৰা দেখা যায় যদিও বৰপেটাত কেৱল সিংহ আৰু হাতীযুক্ত গুৰু-আসনহে নিৰ্মাণ কৰা হয়। স্থান ভেদে লোকশিল্পৰ নিৰ্মাণৰ এনে বিভিন্নতা স্বাভাৱিক।

গুৰু-আসনত ব্যৱহৃত প্ৰতীক অনুসৰি সাধাৰণতে ইয়াৰ তিনিটা ভাগ দেখা যায়। সিংহ খোদিত কৰি 'সিংহাসন', গৰুড়পক্ষী খোদিত কৰি 'গৰুড়াসন' আৰু ময়ূৰ পক্ষী খোদিত কৰি 'ময়ূৰাসন'। বৰ্তমান সময়ত সিংহাসন নামেৰে সকলো আসনক জনা যায়। জ্যোতিপ্ৰসাদ আগৰৱালাই সিংহাসনৰ আকৃতি সম্পৰ্কে এনেদৰে কৈছে— "সিংহাসনৰ সিংহবোৰ এৰুৱাই দিলে আধুনিক কিউবিষ্ট পৰিকল্পনা হ'ব।"[১৩] নীলমণি ফুকনে কৈছে যে— "সিংহাসনখনৰ এটা জ্যামিতিক গঢ় আছে যদিও আমহী ঘৰৰ বাদে কিউবিষ্ট ৰীতিৰ ঘৰৰ দৰে খোলা বা মুক্ত স্পেচখণ্ড (Open space block) আৰু বন্ধ স্পেচ খণ্ডেৰে গঠিত হোৱা নাই। সিংহাসনৰ উপৰিভাগে আভ্যন্তৰীণ গঠন বা বিন্যাসৰ আভাস নিদিয়ে বুলি কৈছে।"[১৪] তেওঁ সিংহাসনৰ মূল স্থপতিক ৰূপটোৰ লগত ব্ৰহ্মদেশৰ কিছুমান স্তুপৰ বিশেষকৈ মিংগলাজেদিৰ সাদৃশ্য লক্ষ্য কৰিছে।

গুৰু-আসনৰ অংশ চাৰিটা হ'ল—

(ক) কলচী ঃ গুৰু-আসনৰ একেবাৰে ওপৰৰ অংশত কলচী থাকে। সাধাৰণতে কাঠৰ গোটা টুকুৰাৰ পৰা এই কলচী প্ৰস্তুত কৰা হয়।

(খ) আমহী ঘৰ ঃ গুৰু-আসনৰ মূল ভাগটোৱে হ'ল আমহী ঘৰ। ইয়াত গুণমালা, ভাগৱত শাস্ত্ৰ স্থাপন কৰা হয়। আমহী ঘৰৰ আকৃতি চাৰিচুকীয়া। ইয়াৰ চালখনৰ ওপৰত চাৰিটা কোণত এটাকৈ সৰু কলচী দিয়া হয়। পূৰ্বতে পিতলেৰে আমহী ঘৰৰ চাল প্ৰস্তুত হৈছিল আৰু বৰ্তমান এলুমিনিয়ামেৰে আমহী ঘৰৰ চাল প্ৰস্তুত কৰা হয়। উজনি অসম আৰু বৰপেটাত নিৰ্মাণ হোৱা গুৰু-

আসনৰ আমহী ঘৰৰ চালখনৰ কিছু পাৰ্থক্য আছে। বৰপেটাৰ আমহী ঘৰৰ চালখন কিছু এঢলীয়া শংকু আকৃতিৰ হোৱাৰ বিপৰীতে উজনিত দৌল গৃহৰ আকৃতিৰে থিয়কৈ দিয়া হয়। আমহী ঘৰৰ তিনিফালে কাঠৰ কাৰুকাৰ্য খচিত বেৰ থাকে আৰু পশ্চিম দিশটো মুক্ত থাকে। আমহী ঘৰ বিষ্ণুৰ আবাস গৃহৰ প্ৰতীক। আমহী ঘৰৰ দুৱাৰমুখত জয়-বিজয়ৰ মূৰ্তি কটা দেখা যায়।

(গ) খলপ ঃ আমহী ঘৰৰ তলৰ সৰুৰ পৰা ডাঙৰলৈ ক্ৰমে খলপবোৰ সজা হয়। তিনি, পাঁচ আৰু সাত খলপযুক্ত গুৰু-আসন থাকে। খলপবোৰত শিল্পীয়ে পৰম্পৰাগত নক্সাৰ লতা আৰু ফুল খোদিত কৰে। খলপবোৰ চাৰিচুকীয়া। খলপবোৰ ৬, ৫ বা ৪ ইঞ্চি বহল আৰু ২৬, ১৯ বা ১৩ ইঞ্চি দীঘলকৈ বনোৱা হয়। খলপবোৰত ধৰ্মীয় প্ৰতীক-চিত্ৰও কাঠত কটা দেখা যায়। প্ৰতিটো খলপত লেখনিপাট থাকে। লেখনিপাটত ধৰ্মীয় অৱতাৰৰ চিত্ৰ, লতা আদি খোদিত কৰা হয়। লেখনিপাটৰ ওপৰত পাৰনিপাট খলপবোৰ সজা হয়। লেখনিপাটৰ লতাবোৰ মূৰ্চা যোৱা ধৰণে তলৰ ফালে হালি থকা।

(ঘ) প্ৰতীক ঃ গুৰু-আসন বা সিংহাসনত কাছ, হাতী আৰু সিংহ প্ৰতীক ৰূপে থাকে। একেবাৰে তলৰ খলপত চাৰিকোণত চাৰিটা কাছ থাকে। কাছৰ পিঠিৰ ওপৰত এটাকৈ হাতী আৰু হাতীৰ পিঠিৰ ওপৰত এটাকৈ সিংহ বহি থাকে। তাৰ ওপৰৰ প্ৰতিটো খলপৰ চাৰিওটা কোণত সিংহৰ ভাস্কৰ্য থাকে। ইয়াত ব্যৱহৃত সিংহ কেশৰযুক্ত সিংহ নহয় পাখিযুক্ত 'নাম সিংহ'। গুৰু-আসনৰ সিংহ প্ৰমত্ত কেশৰী সিংহ। এই প্ৰতীক চিহ্নবোৰ অভিব্যক্তিশূন্য নহয়। সিংহৰ মুখমণ্ডলত দমনৰ মুড বা অৱস্থা প্ৰকাশ পাইছে, যিয়ে ভাস্কৰ্যবোৰক সজীৱতা প্ৰদান কৰিছে। ই নামৰ প্ৰতীক ৰূপে ব্যৱহৃত ড্ৰেগনৰ মুখৰ আকৃতিৰ সিংহ। সিংহটোৱে জিভা উলিয়াই মুখ মেলি থাকে। এই সিংহৰ ভাস্কৰ্যবোৰ সাধাৰণতে ৭ ইঞ্চি বহল আৰু ১০ ইঞ্চি দীঘল, হাতীৰ ভাস্কৰ্যটো ১০ ইঞ্চি বহল আৰু ১৬ ইঞ্চি দীঘল হয়। কাছৰ জোখ ১২ ইঞ্চিৰ পৰা ১৬ ইঞ্চি বহল আৰু ৬ ইঞ্চিৰ পৰা ১০ ইঞ্চি দীঘলকৈ বনোৱা দেখা যায়। অৱশ্যে খলপৰ সংখ্যা অনুযায়ী ভাস্কৰ্যবোৰৰ জোখৰ সামান্য পৰিৱৰ্তন হোৱা দেখা যায়। সাত খলপযুক্ত গুৰু-আসন এখনৰ কলচী সহিতে উচ্চতা ৭ ফুট আৰু বহল ৬ বৰ্গফুটৰ হয়। পাঁচ খলপযুক্ত গুৰু-আসনৰ ৬১/২ ফুট উচ্চতাৰ আৰু ৪ ফুট বহল হয়। তিনিটা খলপযুক্ত গুৰু-আসনৰ উচ্চতা ৪ ফুট আৰু ৩ বৰ্গফুট বহল হয়।

**৩.৫.৫ গুৰু-আসনত সংযোজিত বিভিন্ন অংশসমূহৰ প্ৰতীকী অৰ্থ ঃ**

**(ক) কাছ ঃ** কাছ নৱ-বৈষ্ণৱ ধৰ্মৰ কুৰ্ম অৱতাৰৰ প্ৰতীক। ই পৃথিৱীক সূচিত কৰে। কাছই সংযমকো প্ৰতিনিধিত্ব কৰে। ব্ৰহ্মাই কুৰ্ম অৰ্থাৎ কাছৰ ৰূপ ধৰি সমুদ্ৰ মন্থনৰ সময়ত সমস্ত মন্দৰ পৰ্বতক পিঠিত ধাৰণ কৰিছিল। যাৰ মহিমাত আপ্লুত হৈ সুৰাসুৰ নাগে স্তুতি কৰিছিল ---

"কুৰ্ম অৱতাৰ ভৈলা ক্ষীৰোদধি তীৰে।
লক্ষ প্ৰহৰৰ পন্থ জুড়িলা শৰীৰে।।

কৰিলেক পৰি স্তুতি সুৰাসুৰ নাগে।
ধৰিলা মন্দৰ গিৰি প্ৰভু পৃষ্ঠ ভাগে।।"[১৫]

আন এক অৰ্থত একশৰণ হৰিনাম ধৰ্ম বা নৱ-বৈষ্ণৱ ধৰ্মৰ ভেটি সুদৃঢ়; সহনশীলতা হ'ল হৰিভক্তিৰ বৈশিষ্ট্য। পৰমব্ৰহ্মৰূপী দ্বিতীয় অৱতাৰ কুৰ্মই হৰিনাম ধৰ্মৰ মূল গ্ৰন্থসমূহক ধাৰণ কৰি আছে।

**(খ) সিংহ ঃ** নৱ-বৈষ্ণৱ ধৰ্মৰ ভাস্কৰ্যত ন-গুৰু আসনত ব্যৱহাৰ কৰা এক ৰূপাঙ্গ হ'ল উৰণীয়া পাখি লগা সিংহ। এই সিংহ সাধাৰণ বনৰীয়া সিংহতকৈ পৃথক। "ই নিঃসন্দেহে তাই আহোমসকলৰ যোগেদি অসমত জনপ্ৰিয় হৈ উঠিছে। প্ৰকৃতপক্ষে ই মংগোলীয় জনগোষ্ঠীসকলৰ মাজত থকা এক প্ৰতীক। আনকি প্ৰাক্-আহোম যুগত বড়ো জনগোষ্ঠীৰ মাজতো ই আছিল বুলি অনুমান কৰিব পাৰি। ভাৰতীয় সিংহ আৰু হিন্দু ধৰ্মীয় চিন্তাধাৰাৰ লগত সংমিশ্ৰণ হৈ ই গজসিংহ ৰূপে এক ভিন্ন ৰূপ লৈছে বুলি ভাবিবৰ থল আছে।[১৬] আহোমসকলে নিৰ্মাণ কৰা স্থাপত্যৰ বেৰ, চিত্ৰপুথি, তাম, শিলৰ ফলি, ভাস্কৰ্য, অস্ত্ৰ-শস্ত্ৰৰ গা, বৌদ্ধ ধৰ্মৰ বিহাৰতো পাখিলগা সিংহৰ ব্যৱহাৰ দেখা যায়। এই উৰণীয়া পাখিযুক্ত সিংহ হ'ল 'নাম সিংহ'; ই পাপৰ প্ৰতীকস্বৰূপ হাতীক বিনাশ কৰে। সত্ৰ-নামঘৰৰ ভাস্কৰ্য তথা গুৰু-আসনত নামসিংহৰ ব্যৱহাৰ কৰা  হয়। প্ৰমত্ত 'নাম সিংহ' হ'ল শক্তিশালী হৰিনামৰ প্ৰতীক। ভকতক পাপৰ অৰণ্যৰ পৰা ৰক্ষা কৰিবলৈ 'নাম সিংহ'ৰ প্ৰতীক ব্যৱহাৰ কৰা হয়। এই সিংহৰ লগত মিল থকা সিংহ জাপান, ভূটান, চীন, নেপাল, ছিকিম আদিত প্ৰতীক ৰূপত ব্যৱহাৰ কৰা দেখা যায়। ড্ৰেগনৰ লগত ইয়াৰ মিল আছে। পাখিযুক্ত নামসিংহৰ পিঠিৰ দুইকাষে দুখন পাখি থাকে। কপালৰ পৰা গলৰ পিছফাললৈকে কীৰিটি সদৃশ কেশৰ আছে। থিয়কৈ দুখন কাণ থাকে। দাঁতবোৰ ওলাই থাকে। জিভাখন বাহিৰ ফাললৈ ওলাই থাকে। পেট অংশ চিঞা। আহোমসকলৰ বিশ্বাসত এনে পাখিযুক্ত সিংহৰ ধাৰণা আছে। আহোম ভাষাৰ সাঁচিপাতৰ পুথিত বৰ্ণনা থকা মতে, "ই পঞ্চ শক্তিৰ প্ৰতীক। এই পঞ্চ শক্তিবোৰ হ'ল— সৰ্প, অশ্ব, পখী, কচ্ছপ। শান্তি, জ্যোতি, ক্ৰোধ, দয়া, কৰুণা আৰু ৰাজশক্তিকো প্ৰতিনিধিত্ব কৰে। তাই ভাষাৰ পুথিমতে ইয়াৰ শক্তি 'অক্ ক্লাই ক্লাই অক্ ক্লিম ক্লিম' অৰ্থাৎ শক্তি অক্ষয়, অব্যয়।"[১৭] বৰদোৱা অঞ্চলৰ উপৰিও কামৰূপৰ বৰপেটা আদি সত্ৰত সিংহৰ ৰূপালী নীলায়িত পত্ৰ চানেকিৰে মনোগ্ৰাহীকৈ সগুণধৰ্মী।[১৮] এই নামসিংহ সত্ৰৰ বাটচ'ৰা, কাঠৰ ফলক আদিতো দেখা যায়।

**(গ) হাতী ঃ** গুৰু-আসনত কাছৰ ওপৰত হাতীয়ে বিচৰণ কৰি থাকে। হাতী হ'ল সাংসাৰিক বিষয়-বাসনা তথা পাপৰ প্ৰতীক। সংসাৰৰ অহংকাৰ, ভোগ বিলাসত জীৱই পথভ্ৰষ্ট হৈ মাতংগ সদৃশ হৈ পৰে। কাছ ৰূপী পৃথিৱী বা জীৱকুলৰ ওপৰত পাপৰূপী হস্তীয়ে নিৰ্যাতন চলাই ওপৰত বিচৰণ কৰে।

**(ঘ) গৰুড় পক্ষী ঃ** গুৰু-আসন উপবিষ্ট কৰাৰ আধাৰ হিচাপে গজাসন খুৱাত গৰুড় পক্ষী ব্যৱহাৰ কৰা হয়। বৈষ্ণৱ দৰ্শনত ভগৱান বিষ্ণুৰ বাহন হ'ল গৰুড় পক্ষী। শ্ৰীকৃষ্ণ গৰুড়ত উঠিছিল। ভকতৰ

বিপদৰ সময়ত ত্ৰাণকৰ্তাৰ ৰূপত গৰুড়ৰ পিঠিত আহি বিষ্ণু উপস্থিত হয়। কীৰ্তনঘোষাৰ গজেন্দ্ৰ উপাখ্যানত গৰুড়ৰ পিঠিত বিষ্ণু উপবিষ্ট হৈছিল। নাম সিংহৰ ওপৰত গৰুড় অৰ্থাৎ বিষ্ণু ৰূপী হৰিনামৰ অমৃতময় তত্ত্ব আৰোহণ কৰি আছে।

**৩.৫.৬ গোসাঁই বস্ত্ৰ ঃ**

গুৰু-আসনৰ লগত সম্পৰ্কিত এবিধ বস্ত্ৰ হ'ল গোসাঁই বস্ত্ৰ। গুৰু-আসনত স্থাপন কৰা পবিত্ৰ গ্ৰন্থক ঢাকিবলৈ শ্ৰদ্ধা সহকাৰে এই বস্ত্ৰভাগ ব্যৱহাৰ কৰা হয়। গামোচা সদৃশ এই বস্ত্ৰখনত ধৰ্মীয় অলংকৰণৰ চানেকি থাকে। শিপিনীয়ে তাঁতশালত প্ৰস্তুত কৰা 'ৰাম-কৃষ্ণ' আদি পৰমসত্তাৰ নাম নাইবা নৱ-বৈষ্ণৱ দৰ্শনৰ বাণীসমূহক সূতাৰে ফুল বাছি তোলে। বগা বস্ত্ৰ ভাগত ৰঙা আৰু সেউজীয়া ৰঙৰ সূতাৰ ব্যৱহাৰ দেখা যায়। বৰপেটা সত্ৰত এই বস্ত্ৰ ভাগ শুধ বগা। ওপৰৰ পৰা সাত থাকলৈকে দীঘলকৈ অলংকৰণবোৰ দেখাকৈ বস্ত্ৰখন পাৰি দিয়া হয়। বৰপেটাত ইয়াক 'নামাৱলী' বুলি কয়।

**৩.৫.৭ গজাসন ঃ**

গুৰু-আসন উপবিষ্ট কৰা আধাৰ হিচাপে গজাসন ব্যৱহাৰ কৰা হয়। গজাসন আয়ত ক্ষেত্ৰাকাৰ চালপীৰা সদৃশ খলপ থকা লতাযুক্ত, কাৰুকাৰ্য খচিত আসন। ই কাঠেৰে তৈয়াৰী। ইয়াৰ খুৰা থাকে। প্ৰতিটো খুৰাৰ একেবাৰে তলৰ অংশত কাছ আছে। তাৰ ওপৰত হাতী আৰু হাতীৰ ওপৰত দমনৰত অৱস্থাত নামসিংহ আছে। নামসিংহৰ পিঠিৰ ওপৰত পাখি মেলি থকা অৱস্থাত গৰুড় পক্ষী বিচৰণ কৰি আছে। গৰুড় পক্ষীয়ে দীঘল ঠোঁটটোৰে নামসিংহৰ মূৰত ধৰি আছে। গজাসনৰ ভাস্কৰ্যবোৰ গুৰু-আসনৰ ভাস্কৰ্যবোৰতকৈ তুলনামূলকভাৱে ডাঙৰ। বৰপেটা সত্ৰ আৰু সুন্দৰীদিয়া সত্ৰৰ মূল কীৰ্তনঘৰৰ ভিতৰৰ গুৰু-আসন তিনিখন গজাসনৰ ওপৰত স্থাপন কৰা হৈছে। পাটবাউসী সত্ৰৰ সাত থাকযুক্ত গুৰু-আসনখন বৰ্গাকৃতিৰ খুৰাযুক্ত আসন এখনত উপবিষ্ট হৈ আছে। এই আসনখনত অৱশ্যে কাছ, হাতী, সিংহ, গৰুড় পক্ষী আদিৰ ভাস্কৰ্য নাই। পাট দ্বাৰত লতা খোদাই কৰা আছে। বৰপেটা সত্ৰৰ ছয় খুৰাযুক্ত গজাসনখনৰ পাট দ্বাৰত পদুমফুল সহিতে লতা কটা আছে। গজাসনখনৰ জোখ প্ৰায় ওঠৰ ফুট দীঘল, বহলে দহফুট আৰু উচ্চতা তিনিফুট। সুন্দৰীদিয়া সত্ৰৰ ছয় খুৰাযুক্ত গজাসনখনৰ পাট দ্বাৰত মূৰ্চা যোৰা ধৰণে তলৰফালে মুখ কৰি থকা লতা খোদিত কৰা আছে। গণককুছি সত্ৰৰ গজাসনখন পকী কংক্ৰিটেৰে নিৰ্মাণ কৰা হৈছে। ইয়াৰ গৰুড়যুক্ত খুৰা চাৰিটাহে আছে। এই আসনখন বহলে আঠফুট আৰু দীঘলে তেৰ ফুট।

**৩.৫.৮ দণ্ড ধৰা আৰু চন্দ্ৰতাপ ঃ**

গুৰু-আসনৰ সৰ্বোচ্চ অংশৰ ওপৰত কাপোৰৰ বৰ্গাকাৰ চন্দ্ৰতাপ তৰি দিয়া হয়। বগা কাপোৰত ফুল আকৃতিত ৰঙা কাপোৰৰ টুকুৰা চিলাই কৰি দিয়া হয়।

দণ্ডধৰা হ'ল সত্ৰৰ গুৰু-আসনৰ তিনিওফাল ঢাকি ৰখাৰ বাবে ব্যৱহাৰ কৰা কাঠৰ কাৰুকাৰ্যখচিত জালিকটা বেৰ। দণ্ডধৰাৰ ওপৰত সৰু সৰু কলচী দিয়া হয়। বৰপেটা সত্ৰৰ দণ্ডধৰাখন ১৭৮৫ শকত নিৰ্মিত। গণককুছি সত্ৰৰ দণ্ডধৰাখন ন-ফুট দীঘল আৰু পোন্ধৰফুট প্ৰস্থৰ।

**৩.৫.৯ গুৰু-আসন নিৰ্মাণত ব্যৱহৃত কেঁচামাল ঃ**

কাঠ হ'ল অসমৰ অতি সহজলভ্য শিল্প নিৰ্মাণৰ উপাদান। গুৰু-আসন নিৰ্মাণৰ মূল উপকৰণ হ'ল কাঠ। পাহাৰৰ শিলৰ মাজত হোৱা গমাৰি কাঠ ইয়াৰ বাবে অতি উত্তম। এই কাঠত ফুল, লতা আদি খোদিত কৰিবলৈ ভাল। ই অধিক স্থায়ী। ইয়াৰ বাহিৰেও চেগুন আদি কাঠেৰেও শিল্পীয়ে চাহিদা অনুসৰি গুৰু-আসন তৈয়াৰ কৰে। বহুতো শিল্পীয়ে বেলগছৰ কাঠ আৰু কঁঠাল গছৰ কাঠো ব্যৱহাৰ কৰা দেখা যায়। সাত খলপীয়া গুৰু-আসন তৈয়াৰ কৰোঁতে ১২ৰ পৰা ১৬ কেবি, পাঁচ খলপীয়াৰ বাবে ৭ৰ পৰা ৯ কেবি আৰু তিনি খলপীয়া গুৰু-আসন তৈয়াৰ কৰিবলৈ ৪ৰ পৰা ৫ কেবি পৰিমাণৰ কাঠৰ প্ৰয়োজন। অতীজৰ গুৰু-আসনত ৰূপৰ ব্যৱহাৰ আছিল। বৰপেটা সত্ৰৰ ভিতৰত থকা গুৰু-আসনখনত কাঠৰ মাজত ৰূপৰ তাঁৰ খোদিত কৰিছিল। বৰপেটা সত্ৰৰ গুৰু-আসনৰ কিছু অংশ ৰূপৰ। তদুপৰি কেতবোৰ খলপ আৰু প্ৰতীকো ৰূপেৰে সজা হৈছিল। বৰ্তমান বৰপেটাৰ স্থানীয় শিল্পীয়ে কেৱল কাঠৰ গুৰু-আসনহে তৈয়াৰ কৰা দেখা যায়। অৱশ্যে আমহী ঘৰৰ চালখনৰ বাবে এলুমিনিয়াম ব্যৱহাৰ কৰে।

**৩.৫.১০ গুৰু-আসনত ব্যৱহৃত ৰং ঃ**

গুৰু-আসনত স্থানীয় শিল্পীসকলে পূৰ্বতে পৰম্পৰাগতভাৱে প্ৰাকৃতিক ৰং ব্যৱহাৰ কৰিছিল। হেঙুল, হাইতাল, নীল, কাজল, ধলমাটি আদিৰ পৰা ৰঙা, হালধীয়া, নীলা, বগা, ক'লা আদি ৰং প্ৰস্তুত কৰা হৈছিল। ৰঙৰ সুন্দৰ ব্যৱহাৰে শিল্পবস্তুবিধক অতি আকৰ্ষণীয় ৰূপ প্ৰদান কৰে। পূৰ্বতে ৰঙৰ চপৰাবোৰ পটাত পিহা হৈছিল আৰু এই কামৰ বাবে যথেষ্ট সময়ৰো প্ৰয়োজন হৈছিল। বৰ্তমান সময়ত কৃত্ৰিম ৰং ব্যৱহাৰ দেখা যায়। ৰঙা, হালধীয়া, নীলা মুখ্য ৰং। অৱশ্যে বৰ্তমান সময়ত পৰম্পৰাগত ৰংবোৰ ব্যৱহাৰ নকৰি কেৱল বাৰ্নিছ ৰঙো ব্যৱহাৰ কৰা দেখা যায়।

**৩.৫.১১ গুৰু-আসন নিৰ্মাণৰ স্তৰ ঃ**

(ক) প্ৰথম স্তৰ ঃ প্ৰথমতে গমাৰি কাঠবোৰৰ পৰা তক্তা আৰু কুণ্ডা নিৰ্দিষ্ট আকৃতি আৰু জোখত কাটি লোৱা হয়।

(খ) দ্বিতীয় স্তৰ ঃ নিৰ্দিষ্ট জোখত কটা কুণ্ডাবোৰত কৰত, বটালি, ৰেণ্ডা, গিৰমিট আদিৰ সহায়ত কাছ, হাতী, সিংহ আদিৰ ভাস্কৰ্যসমূহৰ ৰূপ দিয়া হয়। উল্লেখযোগ্য যে খুৰাৰ একেবাৰে তলৰ অংশত কাছৰ ভাস্কৰ্যটোৰ ওপৰত লগোৱা হাতী আৰু সিংহটো

একেলগে সংযুক্ত হৈ থাকে। তক্তাবোৰ হাতুৰি আৰু গজালৰ সহায়ত লগ লগাই তথা সৰু-বৰ বটালি ব্যৱহাৰ কৰি চাৰিচুকীয়া খলপ তৈয়াৰ কৰা হয়। খলপবোৰত শিল্পীয়ে বিভিন্ন আকৃতিৰ লতা আৰু ফুল খোদাই কৰি আমহী ঘৰৰ তিনিও ফালৰ বেৰবোৰত বটালিৰ সহায়ত সুন্দৰ চানেকিৰ ফুল কটা হয়। কেতবোৰ শিল্পীয়ে বৃন্দাবনী বস্ত্ৰৰ চানেকিও কাঠৰ খলপবোৰত খোদিত কৰিবলৈ প্ৰচেষ্টা কৰা দেখা গৈছে।

(গ) তৃতীয় স্তৰ ঃ তৃতীয় স্তৰত ৰঙেৰে বোলোৱা হয়। পৰম্পৰাগতভাৱে ৰঙা, হালধীয়া, বগা, সেউজীয়া আৰু নীলা ৰং ব্যৱহাৰ দেখা যায়। পুৰণি কালত অৱশ্যে হেঙুল, হাইতাল আদি ৰং ব্যৱহাৰ কৰিছিল। তাৰ পিছত ৰং কৰা খলপবোৰ ডাঙৰৰ পৰা সৰুলৈ সংযুক্ত কৰা হয়। একেবাৰে ওপৰৰ খলপটোত আমহী ঘৰটো সংলগ্ন কৰা হয়। তাৰ ওপৰত কাঠেৰে নিৰ্মিত কলচী লগাই দিয়া হয়। একেবাৰে তলৰ খলপটোৰ খুৰাত কাছ চাৰিটা ৰখা হয়। তাৰ পিঠিত আঠাৰে সিংহ আৰু হাতী সংলগ্ন কৰা হয়।

**৩.৫.১২ গুৰু-আসনৰ লগত জড়িত আধ্যাত্মিক তত্ত্ব ঃ**

গুৰু-আসন নৱ-বৈষ্ণৱ ধৰ্মৰ অন্যতম সেৱাৰ বস্তু। গুৰু-আসনত খোদিত সিংহ, কাছ আৰু হাতী প্ৰত্যেকতে 'আৰ্ট' নিহিত হৈ আছে। এই প্ৰত্যেকটো বস্তুৱে একো একোটা প্ৰতীক হিচাপে প্ৰতিনিধিত্ব কৰে। গুৰু-আসনত খোদিত সিংহ, কাছ আৰু হাতীৰ প্ৰতীকত নামধৰ্মৰ লগত জড়িত কেতবোৰ তত্ত্ব নিহিত হৈ আছে। গুৰু-আসনৰ একেবাৰে তলৰ অংশত থকা কাছই ভূ বা পৃথিৱীক সূচায় আৰু তাৰ ওপৰত থকা হাতীয়ে পাপক সূচায় আৰু হাতীৰ পিঠিত আৰোহণ কৰি থকা সিংহই নামক সূচায়। নামৰূপী সিংহই পাপহস্তীৰ ওপৰত বহি তাক বশীভূত কৰিব পাৰে। সিংহই কালমূৰ্তি ধৰি হাতীক গ্ৰাস কৰা দেখা যায়। হাতীৰূপী পাপে বশ্যতা স্বীকাৰ কৰে। নামৰূপী সিংহই হাতীৰ ওপৰত উঠি তাক নখেৰে মূৰ আৰু পিঠিত খামুচি ধৰি থাকে। "সিংহৰ নাম পাঁচটা। তাৰ ভিতৰত 'পঞ্চাস্য'ও অন্যতম। পঞ্চ মানে পাঁচ আৰু আস্য মানে আনন বা মুখ। পঞ্চ + আনন = পঞ্চানন। সিংহৰ মুখ পাঁচখন, অৰ্থাৎ সি চতুস্পদেৰে আৰু মুখেৰে পাঁচোটা হাতী নিব পাৰে বাবেই তাৰ নাম পঞ্চানন। উক্ত পঞ্চাননেই নামৰ প্ৰতীক হিচাপে ব্যৱহৃত হৈছে।"[১৭] এই সম্পৰ্কে শংকৰদেৱে বৰগীতত এনেদৰে কৈছে --

"নাম পঞ্চানন    নাদে পলাৱতে

পাপ দন্তী ভয়ভীত।

বুলিতে এক শুনিতে শত নিতৰে

নাম ধৰম বিপৰীত।।”

অসমৰ বৈষ্ণৱ সত্ৰ, নামঘৰসমূহত পূৰ্ণ কৃষ্ণ ভগৱানৰ বাংময় মূৰ্তি, ভাগৱত শাস্ত্ৰ, কীৰ্তন ঘোষা, নামঘোষা, গুণমালা পুথি যথা ৰীতি অনুসৰি নামকীৰ্তন কৰি গুৰু-আসনৰ আমহী ঘৰৰ ভিতৰত থাপনা কৰা হয়। শাস্ত্ৰৰ ওপৰত বগা বস্ত্ৰ দিয়া হয়। নাৰায়ণ চন্দ্ৰ গোস্বামীয়ে ‘সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা’ত সাতখলপীয়া বা সাতটা থাকযুক্ত গুৰু আসনত থকা আঠাইশটা সিংহক ‘অষ্টাবিংশতিতত্ত্ব’ৰ প্ৰতীক ৰূপে গণ্য কৰিব পাৰি বুলি উল্লেখ কৰিছে।[২০] আকৌ সিংহাসনৰ সাত থাকক সপ্ত বৈকুণ্ঠৰ লগত কল্পনা কৰা হয় বা সপ্ত দ্বাৰৰ লগতো তুলনা কৰা হয়। এই সাতোখন বৈকুণ্ঠ ক্ৰমে -- “১।নামপূৰ্ণ বৈকুণ্ঠ, ২।নাম পঙ্কজ বৈকুণ্ঠ, ৩।নাম ধ্বজা বৈকুণ্ঠ, ৪।কনক দত্ত বৈকুণ্ঠ, ৫।শান্তনু বিলাস বৈকুণ্ঠ, ৬।ব্ৰহ্ম বিলাস বৈকুণ্ঠ আৰু ৭।অস্মৰ বিলাস বৈকুণ্ঠ।”[২০] এই সপ্ত বৈকুণ্ঠৰ ওপৰত পৰমব্ৰহ্মাৰ স্থান। এই তাত্ত্বিক মাহাত্ম্যৰে পূৰ্ণ গুৰু-আসনৰ শিল্প-সৌন্দৰ্যই ধৰ্ম নিৰ্বিশেষে সকলোৰে মন মোহিত কৰিব পাৰে।

**৩.৫.১৩ গুৰু-আসন শিল্পৰ ভৱিষ্যৎ সম্ভাৱনা ঃ**

গুৰু-আসন বা সিংহাসন ধৰ্মীয় প্ৰকাৰ্যত ব্যৱহৃত হ’লেও ই ব্যাৱহাৰিক আৰু শিল্পগুণ বিশিষ্ট বস্তু। স্থানীয় লোকশিল্পী এজনৰ কল্পনা আৰু নিপুণ হাতৰ পৰশত গুৰু-আসন এখনে প্ৰাণ লাভ কৰে। পৰম্পৰাগত ৰঙৰ ব্যৱহাৰ, লতাৰ আটকধুনীয়া চানেকি, সূক্ষ্ম কাৰুকাৰ্য খচিত গুৰু-আসন এক অনন্য শিল্পবস্তু। সত্ৰ, নামঘৰৰ বাহিৰেও আঢ্যৱন্ত নৱ-বৈষ্ণৱ গৃহস্থৰ ঘৰতো সিংহাসন স্থাপন কৰা দেখা যায়। কাঠ অস্থায়ী হোৱা হেতুকে ২০-২৫ বছৰৰ মূৰত নতুন আসন স্থাপন কৰিবলগা হয়। নানাজনৰ হাতৰ পৰশত ইয়াৰ ৰূপৰো কিছু পৰিৱৰ্তন আৰু নতুনত্ব আহি পৰিছে।

বাস্তৱ ক্ষেত্ৰত নিৰ্মাণৰ লগত জড়িত শিল্পীসকল অৰ্থনৈতিক সংকটৰ সন্মুখীন হৈছে। কিন্তু বৰ্তমান সময়ত সময়ৰ লগত ফেৰ মাৰি বৰপেটাৰ স্থানীয় শিল্পীসকলে গ্লাছৰ বাকচত সৰুকৈ প্ৰতীক হিচাপে গুৰু-আসন বনোৱা দেখা যায়, যি গুৰু-আসনে বৰপেটালৈ অহা পৰ্যটকসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। বৰপেটাৰ পৰ্যটকসকলক সৰুকৈ বনোৱা গুৰু-আসনৰ প্ৰতীকে আকৰ্ষিত কৰাৰ লগতে স্থানীয় শিল্পীসকলো ইয়াৰ দ্বাৰা অৰ্থনৈতিকভাৱে লাভান্বিত হৈছে। পূৰ্বতে হাতী দাঁতৰ শিল্প নিৰ্মাণ কৰা শিল্পীসকলৰ এতিয়া কেৱল কাঠৰ গুৰু-আসন নিৰ্মাণেই মুখ্য জীৱিকাৰ উৎস ৰূপে পৰিগণিত হৈছে। গোলকীকৰণৰ যুগত কাঠত কটা নক্সাবোৰ দেশ-বিদেশলৈও ৰপ্তানি হৈছে। বৰপেটাত নিৰ্মাণ হোৱা গুৰু-আসনে প্ৰায় সমগ্ৰ অসমৰে চাহিদা পূৰণ কৰাত মুখ্য ভূমিকা লৈছে। এনে এক শিল্পক চৰকাৰী সাহাৰ্য প্ৰদান তথা নতুন শিল্পীসকলক প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ জৰিয়তে আৰু অধিক সুদৃঢ় কৰাৰ থল আছে।

**৩.৬ সত্ৰীয়া ভাস্কৰ্যৰ পৰিচয় ঃ**

অসমত সাংস্কৃতিক নৱজাগৰণৰ সূচনা কৰা শ্ৰীমন্ত শংকৰদেৱে আধ্যাত্মিক ভাৱযুক্ত অনেক বস্তুগত সৃষ্টিৰাজিৰে অসমৰ সংস্কৃতি সমৃদ্ধিশালী কৰি থৈ গৈছে। তেনে এক লোকশিল্প হ'ল সত্ৰৰ ভাস্কৰ্যসমূহ। সত্ৰত খোদিত ভাস্কৰ্যসমূহ প্ৰতীকযুক্ত ভাস্কৰ্য। ভাস্কৰ্য নিৰ্মাতাজনে গঠন আৰু আকাৰ-আকৃতিত গুৰুত্ব দিয়াতকৈ প্ৰতীকী ৰূপটোৰ ওপৰতহে বেছি গুৰুত্ব দিয়া দেখা গৈছে। বস্তুৰ অৱয়ব বা স্থানতকৈ সাধাৰণতে ৰেখাৰ ব্যৱহাৰৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয়। লোকশিল্পী এজনে কাঠৰ ফলিত অবাস্তৱ জগত এখনক বাস্তৱ ৰূপ প্ৰদান কৰে। কেতিয়াবা আনুভূমিক (horizontal) আৰু কেতিয়াবা উলম্বিক (vertical) ৰূপত ইয়াক খোদিত কৰে। স্বৰ্গ-মৰ্ত্য-পাতালৰ পৰিৱেশ সজীৱ ৰূপত কল্পনা কৰি খোদিত কৰে। ইয়াত ৰঙৰ ব্যৱহাৰেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ভাস্কৰ্যবোৰৰ খোদনশৈলী কাষলৈ মুখ কৰি থকা আৰু সমুখৰ ফালে মুখ কৰি থকা— এই দুই ধৰণেৰে দেখা যায়। কিছুমান ভাস্কৰ্যৰ ফলিৰ খোদন বা ৰিলিফ কিছু নিম্ন হোৱা বাবে চিত্ৰৰ দৰে সমতলযুক্ত। জীৱ-জন্তুবোৰ সাধাৰণতে কাষৰীয়াকৈ কটা দেখা যায়। মূল ধৰ্মীয় চৰিত্ৰৰ বেছিভাগ সমুখৰ ফালে মুখ কৰি থকা। আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতা লাভ কৰা সত্ৰবোৰত টাই আহোম মানুহে পূৰ্বৰ পৰা বহন কৰি অহা ভাস্কৰ্য ৰীতি অনুসৰি কাঠ-বাঁহেৰে ভাস্কৰ্য তৈয়াৰ কৰাৰ পৰম্পৰা আজিও দেখা যায়।[২১] মিৰজুমলাৰ লগত অহা চিহাবুদ্দিনে অসমৰ কাঠৰ ভাস্কৰ্যৰ প্ৰশংসা কৰি গৈছিল।

সত্ৰীয়া ভাস্কৰ্যসমূহ প্ৰধানতঃ মূল কীৰ্তনঘৰৰ ভিতৰভাগ, বাটচ'ৰা বা দালান, কীৰ্তনঘৰৰ বেৰৰ কাঠৰ ফলি, গুৰু-আসনৰ প্ৰতীক, নামঘৰৰ দুৱাৰৰ ফলি, খুঁটা আদিত খোদিত কৰা হয়। প্ৰায়বোৰ সত্ৰতে ভাস্কৰ্যবোৰ একে যদিও শিল্পী অনুযায়ী ইয়াৰ গঢ়ৰ পাৰ্থক্য দৃষ্টিগোচৰ হয়। ভাস্কৰ্যসমূহৰ মাজেৰে নৱ-বৈষ্ণৱ ধৰ্মৰ দৰ্শন, আধ্যাত্মিক আখ্যান আদি প্ৰতিফলিত হয়। বিশেষকৈ কাঠৰ ফলিত খোদাই কৰি তৈয়াৰ কৰা ভাস্কৰ্যৰ ফলিসমূহত স্বৰ্গ-মৰ্ত্য-পাতালৰ বিভিন্ন আখ্যান সম্বলিত কাহিনীৰ ভাস্কৰ্য আছে। ধৰ্মীয় পুথিৰ বৰ্ণনাৰ অনুকৰণত এই ভাস্কৰ্যবোৰ খোদাই কৰা হৈছিল। ধৰ্মৰ বাণীসমূহ সহজ-সৰলকৈ সাধাৰণ মানুহক বুজাবলৈ ভাস্কৰ্যক চিত্ৰৰ মাধ্যম ৰূপে গ্ৰহণ কৰিছিল। আধ্যাত্মিক তত্ত্ববোৰ আখ্যানৰ মাধ্যমেৰে বেৰত খোদাই কৰা হৈছিল। ধৰ্মৰ জয়, অধৰ্মৰ পৰাজয়, পাপৰ শাস্তি, বিভিন্ন অধৰ্ম বা অপকৰ্মৰ বাবে মৃত্যুৰ পিছত লাভ কৰা শাস্তি, বিভিন্ন ধৰ্মীয় চৰিত্ৰ, কৃষ্ণৰ লীলা-মালা ইত্যাদি ভাস্কৰ্যসমূহৰ মূল বিষয়। ইয়াৰ পৰা ভকতে আধ্যাত্মিক ৰসো লাভ কৰিছিল।

নৱ-বৈষ্ণৱ যুগৰ উপাসনাৰ থলীৰ ভাস্কৰ্যসমূহক স্থান অনুযায়ী দুটা ভাগত ভাগ কৰিব পাৰি —

(১) গ্ৰাম্য নামঘৰৰ ভাস্কৰ্য;

(২) সত্ৰ/থান আদিত খোদিত ভাস্কৰ্য।

ভাস্কৰ্য নিৰ্মাণৰ মূল আধাৰ হ'ল কাঠ। আধাৰ কাঠৰ প্ৰকাৰ অনুযায়ী ভাস্কৰ্যবোৰ দুই প্ৰকাৰৰ —

(১) কাঠৰ ফলিত খোদাই কৰা ভাস্কৰ্য;

(২) গোটা কাঠৰ টুকুৰাৰ পৰা তৈয়াৰী একক ভাস্কৰ্য।

কাঠৰ উপৰিও ৰূপ, পিতল আদি ধাতুৰেও ভাস্কৰ্য তৈয়াৰ কৰা হয়। মধ্যযুগৰ বুলি অনুমান কৰা ভাস্কৰ্য দুই-এপদহে বৰ্তমান পোৱা যায়।

অসমৰ চিত্ৰ-শিল্পীৰ প্ৰধানকৈ তিনিটা ধাৰাৰ কথা লক্ষ্য কৰিব পাৰি[২২] —

(ক) সত্ৰীয়া শিল্প;

(খ) ৰজাঘৰীয়া শিল্প আৰু

(গ) কেৱল অলংকৰণ শিল্পধাৰা।

এই ধাৰাসমূহে অসমীয়া চিত্ৰ-শিল্পৰ স্বকীয় মৌলিক বিশেষত্বক প্ৰতিনিধিত্ব কৰে। প্ৰাকৃতিক পৰিৱেশ, ভৌগোলিক গঠন আদিয়ে সত্ৰীয়া ভাস্কৰ্য-শৈলীক প্ৰভাৱিত কৰিছিল। ভাস্কৰ্যসমূহ গঢ়াৰ ক্ষেত্ৰত ধৰ্মীয় বিষয়ে গুৰুত্ব লাভ কৰা দেখা যায়। সত্ৰৰ ভাস্কৰ্যসমূহ লোকশিল্পীসকলৰ দ্বাৰা নিৰ্মিত। সত্ৰৰ খনিকৰসকলে মধ্যযুগত শিল্প নিৰ্মাণৰ বাবে সত্ৰত নিযুক্তি লাভ কৰিছিল।

**৩.৭ বৰপেটা অঞ্চলৰ সত্ৰসমূহৰ ভাস্কৰ্য ঃ**

বৰপেটা অঞ্চল সত্ৰৰে পৰিবেষ্টিত। এই অঞ্চলৰ সত্ৰসমূহক কেন্দ্ৰ কৰি বহুতো ভাস্কৰ্য তৈয়াৰ হৈছিল। কাঠৰ টুকুৰা, কাঠৰ ফলি, শিল আৰু তামৰ পাত খোদাই কৰি সত্ৰ, থান, নামঘৰৰ ভাস্কৰ্যসমূহ তৈয়াৰ কৰা হৈছিল। উল্লেখযোগ্য যে মূল কীৰ্তনঘৰৰ বাহিৰৰ বেৰত কাঠৰ ফলিত খোদাই কৰি তৈয়াৰ কৰা ভাস্কৰ্যৰ আখ্যানযুক্ত চৰিত্ৰসমূহ অসমৰ প্ৰধানকৈ বৰপেটা জিলাৰ সত্ৰসমূহতহে দেখা যায়। এই ক্ষেত্ৰত বৰপেটা সত্ৰ, সুন্দৰীদিয়া সত্ৰৰ কাঠৰ ফলিসমূহ শিল্প-নিপুণতাৰ উৎকৃষ্ট উদাহৰণ। এই ভাস্কৰ্যবোৰ কেতিয়াবা একেখন ফলিতে দুই-তিনিটা চৰিত্ৰ খোদিত কৰা হৈছে যদিও চালে এনে লাগে যেন গোটা কাঠৰ টুকুৰাত কাটিহে ভাস্কৰ্যবোৰ লগাই থোৱা আছে। কাঠ, বাঁহ-বেতেৰে তৈয়াৰী কিছুমান ভাস্কৰ্য ভগ্ন অৱস্থাত আছে। কিছুমান ভাস্কৰ্য, কাঠৰ মুখা ছশ বছৰ পুৰণি অৰ্থাৎ গুৰুজনাৰ দিনৰে বুলি অনুমান কৰা হয়।

বেছিভাগ সত্ৰৰ মূল কীৰ্তনঘৰৰ ভিতৰত হাতত লাডু লৈ থকা মহাভকত হনুমান, হাতযোৰ কৰি থকা পক্ষী শ্ৰেষ্ঠ, নাৰায়ণৰ বাহন গৰুড় পক্ষীৰ মূৰ্তি আছে। দুৱাৰত জয়-বিজয়ৰ মূৰ্তি, কীৰ্তনঘৰৰ দুৱাৰৰ কপালিত বিষ্ণুৰ চতুৰ্ভূজ ৰূপ সহিতে সহস্ৰ ফণাযুক্ত অনন্ত নাগ, বাহিৰৰ বেৰত দশাৱতাৰৰ ভাস্কৰ্য, শ্ৰীকৃষ্ণৰ বৃন্দাবনৰ লীলা-মালা, কালীনাগ দমন, শ্ৰীকৃষ্ণৰ শিশু ৰূপ,

অসুৰ বধ, ৰামায়ণৰ আখ্যানসমূহ, ঈশ্বৰ স্তুতিৰ ফল, অসৎ কৰ্মৰ ফল আদিৰ বিষয়ে কাঠৰ ফলিত খোদিত কৰা আছে।

**৩.৭.১ বৰপেটা সত্ৰৰ ভাস্কৰ্য ঃ**

বৰপেটা সত্ৰ মহাপুৰুষ মাধৱদেৱে স্থাপন কৰিছিল। বৰপেটা সত্ৰৰ আদি সত্ৰাধিকাৰ শ্ৰীশ্ৰীমথুৰা দাস বুঢ়া আতাৰ নেতৃত্বত সত্ৰখনত গণতান্ত্ৰিক পদ্ধতিৰ সূচনা হৈছিল। ১৯৬৬ খ্ৰীঃত সত্ৰখনৰ নৱ নিৰ্মাণ কৰা হয়। বৰপেটা সত্ৰৰ শিল্প-ভাস্কৰ্য অতি দৃষ্টিনন্দন। বৰপেটা সত্ৰৰ পশ্চিম ফালৰ পলিত দুটা প্ৰকাণ্ড তুলসী গছৰ খুঁটা আছে। সেই খুঁটা দুটা শুৱালকুছিৰ ব্ৰহ্মপুত্ৰৰ ঘাটৰ পৰা ভূৰ বান্ধি নাৱেৰে বৰপেটালৈ বোৱাই অনা হৈছিল।

বৰপেটা সত্ৰৰ মূল কীৰ্তনঘৰৰ জোখ দীঘে ১২০ হাত আৰু পথালিয়ে ৬০ হাত। কীৰ্তনঘৰৰ ভিতৰৰ মূল দুৱাৰৰ উত্তৰফালে গৰুড় পক্ষীৰ মূৰ্তি আৰু দক্ষিণত হাতত লাড়ু লৈ থকা হনুমানৰ কাঠৰ মূৰ্তি আছে। মঠৰ চোতালেৰে কীৰ্তনঘৰৰ ভিতৰত প্ৰৱেশ কৰা দুৱাৰখনৰ কাঠৰ ওপৰত ৰূপৰ পাট লগোৱা আছে। এই দুৱাৰত ভীষ্ম, জনক, যম, নাৰদ, প্ৰহ্লাদ, ব্ৰহ্মা আদিৰ ভাস্কৰ্য খোদিত আছে। ওপৰত লগোৱা ৰূপৰ পাটে সুনিপুণ শিল্পসত্ত্বাৰ পৰিচয় দাঙি ধৰে। দুৱাৰখনৰ কপালিত ৰূপেৰে নিৰ্মিত মহাকাল পুৰুষ বৈকুণ্ঠৰ ভাস্কৰ্য আছে। শিল্পীয়ে ৰূপৰ পাট খোদাই কৰি বাস্তৱ ৰূপ প্ৰদান কৰিছে। কপালিৰ মাজত ধ্যান বৰ্ণনত বৰ্ণিত নাৰায়ণ আৰু লক্ষ্মী পাৰিষদসকলৰ সৈতে বহি আছে। ইয়াত জয়, বিজয়, হনুমান, গৰুড়, জয়ন্ত, সত্যাৰী, কুমুদাক্ষ আদিৰ মূৰ্তি কাঠত কটা আছে। গোটেই বৈকুণ্ঠৰ চিত্ৰপট যেন শিল্পীয়ে বাস্তৱ ৰূপত ভকতসকলে চাব পৰাকৈ দেখুৱাইছে। এই ফলিখনৰ উচ্চতা প্ৰায় পাঁচফুট। কীৰ্তনঘৰৰ পশ্চিমফালৰ দুৱাৰখনতো ৰূপৰ পাত লগোৱা আছে। দুপতীয়া দুৱাৰখনত ছয়জন মহাভকত— হনুমান, জাম্বৱন্ত, বিভীষণ, উদ্ধৱ, বিদুৰ আৰু মৈত্ৰেয় খোদিত আছে। ওপৰৰ কপালিত ৰূপৰ পাতেৰে নিখুঁটভাৱে নিৰ্মিত কুৰ্মৰূপী নাৰায়ণ সহস্ৰ ফণাযুক্ত অনন্ত নাগত বহি আছে। নাৰায়ণৰ অষ্টভূজত শঙ্খ, চক্ৰ, গদা, পদ্ম, বাৰু, অসি, শাৰঙ্গ, ধনু, বাণ ধৰি আছে। ইয়াৰ জোখ প্ৰায় আঠফুট। ৰূপৰ দুৱাৰখনৰ ওপৰৰ কপালিৰ মাজৰ অংশত প্ৰায় এফুটমান উচ্চতাৰ মিহি লতা আৰু ফুল ৰূপৰ পাতত কটা আছে। পূৱফালৰ দুৱাৰখন কাঠৰ। জয় আৰু বিজয়ৰ মূৰ্তি কাঠত কটা আছে। দুৱাৰখনৰ পেৰৰ কপালিত বিষ্ণুৰ চতুৰ্ভূজ মূৰ্তি কাঠত খোদিত হৈ আছে। ছয়ফুট বহলৰ দুৱাৰখনত খোদিত মূৰ্তি দুটাৰ জোখ দুই ফুট।

মূল কীৰ্তনঘৰৰ বাহিৰৰ বেৰত আৰু আতাপুৰুষসকলৰ ভিঠিৰ দুৱাৰত অনুপম কাষ্ঠ-কৰ্মৰ চানেকি দেখা যায়। এই কাষ্ঠ-কৰ্মই দৰ্শনাৰ্থীক মোহিত কৰাৰ লগতে নৱ-বৈষ্ণৱবাদৰ আদৰ্শ প্ৰতিফলিত

কৰে। মহেশ্বৰ নেওগে এই কাষ্ঠ-কৰ্ম সম্পৰ্কত এনেদৰে মন্তব্য কৰিছিল - "ভাগি-ছিগি যোৱা বৰপেটা কীৰ্তনঘৰত, ধৰ্মগ্ৰন্থত বৰ্ণিত নানা দৃশ্যাদি কাঠত সুন্দৰকৈ কাটি সজ্জিত কৰা হৈছিল।"[২৩] পশ্চিম ফালৰ বেৰত কাঠত কটা ধৰ্মীয় অৱতাৰৰ ভাস্কৰ্য আছে। পশ্চিম ফালৰ মূল দুৱাৰৰ পৰা দক্ষিণ ফাললৈ ক্ৰমে পৰশুৰাম, শ্ৰীৰাম, হলিৰাম, বুদ্ধ আৰু কল্কী অৱতাৰ খোদিত আছে। পশ্চিমফালৰ মূল দুৱাৰৰ পৰা উত্তৰ ফাললৈ ক্ৰমে মৎস্য, কুৰ্ম, বৰাহ, নৰসিংহ আৰু বামন অৱতাৰৰ মূৰ্তি খোদিত হৈ আছে। এই দশাৱতাৰৰ মূৰ্তিবোৰ পৃথককৈ গোটাসজীয়াকৈ কাঠত কাটি লগাই থোৱাৰ দৰে দেখা যায় যদিও কাঠৰ চেপেটা ফলিতে ভাস্কৰ্য শিল্পীয়ে নিখুঁতভাৱে খোদিত কৰিছে। এই অৱতাৰবোৰৰ জোখ তিনিফুটৰ পৰা চাৰিফুটৰ ভিতৰত। কীৰ্তনঘৰৰ উত্তৰফালৰ বেৰখনত মুঠ ৪৪ খন ফলক আছে। দক্ষিণ ফালৰপৰা বিপ্ৰপুত্ৰ আনয়ন, জৰাখণ্ড, শিশুপাল, জগন্নাথ, শ্ৰীকৃষ্ণ, পৰীক্ষিত ৰজা, শিৱ, অশ্বিনী কুমাৰ, গ্ৰাহ-গজেন্দ্ৰ, দুৰ্বাসা, সূৰ্য, ৰামায়ণৰ চৰিত্ৰ, নৰসিংহ, হিৰণ্যকশিপু, বৰাহ অৱতাৰ আৰু শ্ৰীকৃষ্ণ অৱতাৰৰ ভাস্কৰ্য খোদিত আছে। দক্ষিণফালৰ বেৰত মুঠ ৩৭ খন কাঠৰ ফলক আছে। দক্ষিণৰ বেৰত শ্ৰীকৃষ্ণৰ শিশুলীলাৰ বৰ্ণনাসমূহ ফলিত খোদাই কৰা হৈছে। দক্ষিণৰ ফালৰ বেৰত ভাঁজঘৰৰ ফালৰ পৰা অৰ্থাৎ পূবপিনৰ পৰা বকাসুৰ বধ, অঘাসুৰ বধ, কালীয়দমন, গোৱৰ্দ্ধন পূজা, গোৱৰ্দ্ধন ধাৰণ, ইন্দ্ৰ, মেঘ, গোপিনীৰ বস্ত্ৰ-হৰণ, কৃষ্ণ, বলোৰাম, সুদামা, চন্দন দান, ধনু জয়, কুবলয় বধ, দৈৱকীৰ কাৰাগাৰৰ দৃশ্য, মুষ্টিক আৰু চানুৰ লগত কৃষ্ণ-বলোৰামৰ যুদ্ধ, কংসৰ ৰঙ্গমঞ্চ, কংসবধ, জৰাখণ্ড, ৰেৱতী, ৰোহিনী, বলদেৱ, কৃষ্ণ আৰু ৰুক্মিণী, সত্যভামাৰ অভিমান, সুমতি, কালিন্দী, অৰ্জুন, কৃষ্ণ, বৃহৎসেন, বিপ্ৰ-দামোদৰ, কৃপ, কৃপী, ব্যাসদেৱ, নাৰদ আদিৰ ভাস্কৰ্যমালা খোদিত আছে। কেৱল মূৰ্তিসমূহেই নহয়, আখ্যানসমূহত বৰ্ণিত পৰিস্থিতি, পৰিৱেশকো শিল্পীয়ে বাস্তৱ ৰূপত অংকন কৰিছে। একোখন কাঠৰ ফলকত দুখনকৈ চিত্ৰ খোদিত হৈ আছে। এখন ফলকত দুখন চিত্ৰ কাটিবলৈ চিত্ৰসমূহৰ মাজত কাঠতে কটা ৰঙ্গমঞ্চৰ দৰে খুঁটা খোদিত কৰিছে। ভাস্কৰ্যৰ ফলিসমূহৰ ওপৰত আৰু তলত ফুল আৰু লতা কটা হৈছে। একোখন কাঠৰ ভাস্কৰ্যৰ ফলকৰ দৈৰ্ঘ্য প্ৰায় চাৰি ফুট, উচ্চতা দুই ফুট আৰু প্ৰস্থ চাৰি ইঞ্চি। বেছিভাগ ভাস্কৰ্যই একাষৰীয়াকৈ খোদিত হৈ আছে। দক্ষিণফালৰ বেৰৰ ছয়খন কাঠৰ ফলকত যমপুৰী অৰ্থাৎ অসৎ কৰ্মৰ ফলাফলৰ শাস্তিৰ বৰ্ণনা আছে। ৰৌ ৰৌ নৰকৰ প্ৰাণী হিংসাৰ ফল, কুম্ভিপাক মাটি চেপাৰ ফল, পৰস্ত্ৰী হৰণৰ ফল, চোৰৰ শাস্তি, যমৰজাৰ বিচাৰ, ব্ৰহ্মহত্যাৰ ফল, গুৰুদ্ৰোহীৰ ফল, নিজপতি এৰি আনত ভজাৰ ফল, স্বামীক বিহ খুৱাই মৰাৰ ফল, প্ৰাপ্য ধন হৰণৰ ফল আৰু ধৰ্ম নিন্দাৰ ফল খোদিত আছে। চাৰিখন ফলকত সৎ কৰ্মৰ ফল আছে। জগন্নাথ স্থাপনৰ ফল, হংসযান, ধৰ্মযাত্ৰা, গৃহযান, সু-কৰ্মৰ ফল, দান-ধৰ্মৰ ফল আৰু হৰিনাম কীৰ্তনৰ ফলৰ ভাস্কৰ্যমালাত খোদিত হৈছে।

**৩.৭.১.১ শ্ৰীশ্ৰীমথুৰা দাস বুঢ়া আতাৰ ভিঠিৰ ভাস্কৰ্য ঃ**

শ্ৰীশ্ৰীমথুৰা দাস বুঢ়া আতাৰ ভিঠিৰ বেৰতো কাঠত কটা চিত্ৰমালা আছে। ভিঠিটোক ‘হংসবিলাস’ বৈকুণ্ঠ বুলি জনা যায়। এই ভিঠিটো বৰপেটা সত্ৰৰ মূল কীৰ্তনঘৰৰ উত্তৰফালে আছে। ইয়াৰ দুৱাৰমুখৰ কপালিত মহাহংস নাৰায়ণৰ পূৰ্ণকলা ৰূপ শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ সময়ৰ বাঁও ভৰিত শৰবিদ্ধ চতুৰ্ভূজ শ্ৰীকৃষ্ণৰ চিত্ৰ কাঠত খোদিত আছে। শ্ৰীকৃষ্ণই বৈকুণ্ঠ প্ৰয়াণৰ সময়ত দক্ষিণ উৰুৰ ওপৰত বাওঁ উৰু থৈ আসনত থাকোঁতে তেওঁৰ ৰঙা ভৰিৰ তলুৱাখন ব্যাধে হৰিণৰ মুখ বুলি শৰবিদ্ধ কৰে। কাষত হাতযোৰ কৰি থকা ব্যাধে শোকাগ্নিত ডুবি থকা আৰু দাৰুকে ৰথ লৈ শৰবিদ্ধ শ্ৰীকৃষ্ণৰ ওচৰত ৰৈ থকা ধৰণেৰে ভাস্কৰ্য একেখন ফলিতে খোদিত হৈ আছে। কপালিৰ উচ্চতা প্ৰায় পাঁচফুট। তলৰ দুৱাৰৰ দুয়োফালে দুখন ৩$^{১}/_{২}$ ফুট বহলৰ কাঠৰ ফলিত ছয়জন ধৰ্মীয় চৰিত্ৰৰ ভাস্কৰ্য খোদিত আছে।

**৩.৭.১.২ বদলা বা পদ্ম আতাৰ ভিঠিৰ ভাস্কৰ্য ঃ**

বদলা আতা বা পদ্ম আতাৰ ভিঠিটো বৰপেটা সত্ৰৰ মূল কীৰ্তনঘৰৰ দক্ষিণফালে অৱস্থিত। বদলা আতাৰ ভিঠিত কাঠত কটা চিত্ৰবোৰ আৰু লতাবোৰ অতি নিখুঁত আৰু কাৰুকাৰ্যপূৰ্ণ। সুন্দৰ ৰঙৰ ব্যৱহাৰে সেইবোৰ বেছি ধুনীয়া কৰি তুলিছে। ভাস্কৰ্যবোৰৰ জোখবোৰ বেলেগ বেলেগ। ভিঠিটোৰ উত্তৰফালৰ বেৰত কালীয়দমন, গোপিনীৰ বস্ত্ৰ-হৰণ, পুতুনা বধ, বসুদেৱৰ নন্দৰ গৃহলৈ কৃষ্ণক লৈ যাত্ৰা আদি ভাস্কৰ্যমালাবোৰ খোদিত আছে। পশ্চিমফালে মূল দুৱাৰৰ ওপৰৰ কপালিত শ্ৰীবিষ্ণু অনন্ত শয্যাত বহি আছে। অনন্তনাগৰ ভাস্কৰ্যই সমুখফালে ফণা ধৰি আছে। বেৰত জয়-বিজয়, সনক-সনন্দ আদি মহাভকতৰ মূৰ্তি খোদিত আছে।

**৩.৭.১.৩ ভাস্কৰ্য নিৰ্মাতা শিল্পীসকল ঃ**

কাঠত খোদিত ভাস্কৰ্যসমূহৰ বেছিভাগ লক্ষ্মীকান্ত ৰাজমেধি ওৰফে শেহৰাম বাপুৱে তৈয়াৰ কৰিছিল।[২৪] তেওঁৰ পূৰ্বপুৰুষসকল কোঁচবিহাৰৰ ভেলা সত্ৰৰ। পূৰ্বপুৰুষক ৰঘু ৰজাই বৰপেটা সত্ৰত থিতাপি দিছিল। কাঠত কটা এই সুনিপুণ চিত্ৰমালাবোৰ দূৰৰ পৰা চালে আঁকা ছবি যেনহে ভাৱ হয়। প্ৰতিটো চৰিত্ৰ সুন্দৰ ঘনত্ব আৰু দূৰত্বত তথা আকৃতিত খোদাই কৰা হৈছে। শিল্পীৰ কল্পনা শক্তি, শিল্প নিপুণতা, ধৰ্মীয় প্ৰজ্ঞা চিত্ৰবোৰৰ মাজেৰে নিখুঁত ৰূপত প্ৰকাশিত হৈছে। ইয়াৰ উপৰিও ওঠৰ শতিকাৰ প্ৰথম ভাগত বৰপেটাৰ দুগৰাকী বিখ্যাত কাঠ আৰু হাতী দাঁতৰ শিল্পী ৰাধানাথ দাস আৰু কেহৰু বাপুৱে ভাগৱতৰ কাহিনীৰ বিষয়বস্তুৰ সাৰাংশখিনিক মূল আধাৰ হিচাপে লৈ চিত্ৰ কাটিছিল বুলি জনা যায়।[২৫] বৰপেটাৰ ভকতপাৰাৰ শিল্পী অৰ্জুন দাসে এই চিত্ৰমালাবোৰ ৰং-তুলিকাৰে বোলাইছিল।

**৩.৭.১.৪ বৰপেটা সত্ৰৰ অন্যান্য শিল্পবস্তু ঃ**

বৰপেটা সত্ৰত বহু শ বছৰ পুৰণি অনেক শিল্পবস্তু এতিয়াও সংৰক্ষিত হৈ আছে। সেইবোৰ হ'ল—

(১) দক্ষিণৰ পলিত এটি শিলত খোদিত চতুৰ্ভূজ বিষ্ণুমূৰ্তি (নৰনাৰায়ণ ৰজাই দিগ্বিজয় কৰি পোৱা যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞৰ বিষ্ণুমূৰ্তি);

(২) দৌলগোবিন্দৰ ব্ৰঞ্জৰ মূৰ্তি;

(৩) কলীয়া ঠাকুৰৰ পাথৰৰ মূৰ্তি;

(৪) দেৰ সেৰ ওজনৰ সোণৰ কলসী;

(৫) এঘাৰটা পাত থকা ৰূপৰ ফুলযুক্ত হাৰ। এই হাৰডালত ৰূপৰ চতুৰ্ভূজ বিষ্ণুমূৰ্তি খোদিত আছে।

(৬) বাইশটা পাত থকা সোণৰ চন্দ্ৰহাৰ এডাল;

(৭) ঊনৈশটা সোণৰ পাতযুক্ত সোণৰ শিখহাৰ এডাল;

(৮) গোসাঁইৰ শিৰত পিন্ধোৱা সোণৰ মুকুট দুটা;

(৯) গহনাবোৰ থ'বলৈ ৰূপৰ ডাঙৰ কাঁহী এখন;

(১০) ভাগৱত শাস্ত্ৰ থ'বলৈ ব্যৱহৃত ৰূপৰ জালি শৰাই সদৃশ আসন দুখন। এখন আসনৰ তলত হাতযোৰ কৰি থকা গৰুড় চৰাই আৰু আনখনত নামসিংহৰ মূৰ্তি আছে;

(১১) সাঁচিপাতৰ পুথি-পাজি থ'বলৈ ব্যৱহৃত পিতলৰ ফুল কটা ঠগা;

(১২) তামোল কটা কটাৰী, চূণৰ টেমা;

(১৩) মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে বৰপেটা সত্ৰৰ প্ৰথম অধিকাৰ মথুৰাদাস বুঢ়া আতাক কৰ হিচাপে প্ৰদান কৰা ৰূপৰ 'নাগেৰি টকা' দুটা। ৰজা নৰনাৰায়ণৰ দিনত এই টকা ব্যৱহাৰ হৈছিল।

(১৪) প্ৰায় পোন্ধৰ ফুট উচ্চতাৰ চাৰিডাল বৰ গছা। ওঠৰডাল সৰু গছা;

(১৫) পিতলৰ বৰচৰিয়া ছয়টা। ইয়াৰ ব্যাস চাৰিফুট, উচ্চতা দুইফুট। গুৰু আসনৰ সন্মুখত থোৱা আঠখন বৰ শৰাই প্ৰায় তিনিফুট উচ্চতাৰ। ইয়াৰ উপৰিও তিনিফুট ব্যাসৰ কেবাটাও মাহ-প্ৰসাদ ভিজোৱা চৰিয়া, শৰাই আদি আছে;

(১৬) শ শ বছৰ পুৰণি কাঠৰ চৰিয়া;

(১৭) পোন্ধৰটা ৰূপৰ ডাঙৰ ফুলযুক্ত গোসাঁইক পিন্ধোৱা হাৰ। এই হাৰ দৌলগোবিন্দ আৰু কলীয়া ঠাকুৰৰ মূৰ্তিত পিন্ধোৱা হয়।

(১৮) পিতলৰ কলসী, ওপৰত দৃষ্টিনন্দন ময়ূৰ চৰাই খোদিত আছে। দৌল মহোৎসৱত এই কলসী উলিওৱা হয়।

(১৯) গোসাঁই ফুৰোৱা আমহী ঘৰটোৰ ৰূপৰ চাল আৰু কলসীযুক্ত ডোলা তিনিখন। ডোলাত ৰূপৰ ঝুমকা ফুল আঁৰি দিয়া হয়।

**৩.৭.২ পাটবাউসী থানৰ ভাস্কৰ্য ঃ**

পাটবাউসী থানখন শংকৰদেৱৰ শেষ বয়সত স্থাপন কৰা সত্ৰ। ইয়াত থকাৰ সময়তে গুৰুজনাই বৃন্দাবনী বস্ত্ৰ বৈ উলিয়াইছিল। পাটবাউসী সত্ৰৰ মূল কীৰ্তনঘৰৰ ভিতৰত সৰ্বকাল নাৰায়ণৰ বাহন গড়ুৰ পক্ষী আৰু মহাভকত হনুমানৰ কাঠৰ ভাস্কৰ্য আছে। মূল কীৰ্তনঘৰৰ বাহিৰৰ বেৰত কাঠৰ ফলি নাই। কীৰ্তনঘৰৰ প্ৰৱেশ দ্বাৰ দুখনত নাৰায়ণৰ দশ অৱতাৰৰ ভাস্কৰ্য খোদিত আছে। মূল দুৱাৰৰ সোঁফালটোত ওপৰৰ পৰা ক্ৰমে মৎস্য, কুৰ্ম, বৰাহ, নৰসিংহ আৰু বামন; বাঁওফালটোত পৰশুৰাম, ৰাম, হলিৰাম, বুদ্ধ আৰু কল্কি অৱতাৰ খোদিত আছে। দুৱাৰৰ ওপৰৰ কপালিত বিষ্ণু অনন্ত নাগত বিচৰণ কৰি আছে। লক্ষ্মী পাৰিষদসকলৰো পূৰ্ণ মূৰ্তি খোদিত আছে। চিত্ৰ-বিচিত্ৰ লতাত ৰঙৰ ব্যৱহাৰে ভাস্কৰ্যবোৰক অনন্য মাত্ৰা প্ৰদান কৰিছে। এই সত্ৰৰ অনন্ত নাগ আৰু বিষ্ণুৰ ভাস্কৰ্য বৰপেটা সত্ৰৰ ভাস্কৰ্যতকৈ তুলনামূলকভাৱে সৰু।

এই সত্ৰৰ মঠটো নিৰ্মাণৰ সময়ত বৰপেটাৰ ইচ্ছাপুৰহাটীৰ ৰাজমিস্ত্ৰী শংকৰচৰণ সূত্ৰধাৰে বাঁহ আৰু বাঁহৰ ঢাৰিৰে ফৰ্মা তৈয়াৰ কৰি কৰ্দৈশিৰীয়াকৈ মঠটো তৈয়াৰ কৰিছিল।

**৩.৭.২.১ পাটবাউসী থানৰ অন্যান্য শিল্পবস্তু ঃ**

পাটবাউসী থানত গুৰুজনাৰ দিনতে ব্যৱহৃত কেতবোৰ লোকশিল্প সংৰক্ষিত অৱস্থাত আছে।

(১) পাটবাউসীতে শংকৰদেৱে অধিক সংখ্যক শাস্ত্ৰ ৰচনা কৰিছিল। তেওঁ শাস্ত্ৰ লিখিবলৈ ব্যৱহাৰ কৰা কৰৈ গছৰ বৰপীৰা এখন ইয়াত আছে। ইয়াৰ দৈৰ্ঘ্য চাৰিফুট, ন-ইঞ্চি, প্ৰস্থ দুই ফুট, পাঁচ ইঞ্চি।

(২) নামঘৰৰ পূবে মঠৰ দাঁতিতে আই গোসাঁনীৰ বাসগৃহত তেৰাই ব্যৱহাৰ কৰা প্ৰায় ছয়শ বছৰ পুৰণি খাট-পালেং এখন সংৰক্ষিত হৈ আছে। পালেংখন কৰৈ গছৰ কাঠেৰে তৈয়াৰী। ইয়াৰ জোখ দীঘে ছয়ফুট, চাৰি ইঞ্চি; প্ৰস্থ পাঁচফুট, দহ ইঞ্চি আৰু উচ্চতা পাঁচফুট, ৩$^{১}/_{২}$ ইঞ্চি। পালেংখন হেঙুল আৰু হাইতালেৰে বোলোৱা আছিল।

(৩) লোৰ অতি পুৰণি বৰগছা;

(৪) পুৰণি কীৰ্তনঘৰত ব্যৱহৃত সংৰক্ষিত অৱস্থাত থকা দশাৱতাৰ খোদিত মূল দুৱাৰ। এই দুৱাৰখন তামৰ পাতেৰে তৈয়াৰী। ইয়াত বিষ্ণুৰ অৱতাৰৰ চিত্ৰ তামৰ পাতত কটা আছে।

(৫) গুৰুজনাৰ দিনৰে মাহ-প্ৰসাদ ভিজোৱা কাঠৰ বৰ চৰিয়া;

(৬) ১৭২১/১৭২২ শকত ৰজাই থানত দান দিয়া পিতলৰ বৰ শৰাই দুখন;

(৭) গৰুড়ৰ কান্ধত উঠা পিতলৰ কৃষ্ণমূৰ্তি;

(৮) পিতলৰ বৰ চৰিয়া, মাজু চৰিয়া, শৰাই আদি;

(৯) ভাওনাত ব্যৱহাৰ কৰা ৰাৱণ, যমৰাজ আদিৰ সোতৰটা কাঠৰ মুখা। এই মুখাবোৰৰ কাৰিকৰী কৌশল অতি উৎকৃষ্ট। কিন্তু উপযুক্ত সংৰক্ষণৰ অভাৱত সৌন্দৰ্য কিছু ম্লান পৰিছে।

(১০) গুৰু আসন, গজাসন আদিৰ ভগ্ন টুকুৰা;

(১১) পিতলৰ গোসাঁইৰ আসন;

(১২) দুজনা গুৰুৰ আৰু ৰামচৰণ দৈত্যাৰি ঠাকুৰৰ সাঁচিপতীয়া পুথি সংৰক্ষিত হৈ আছে।

(১৩) শংকৰদেৱৰ গুণমালাৰ ৩২ খিলা পাত। ভাগৱতৰ প্ৰথম স্কন্ধৰ ২৫ খিলা, কীৰ্তনঘোষাৰ ১২ খিলা, নিমি-নৱসিদ্ধ সংবাদৰ ১৬ খিলা, পত্নীপ্ৰসাদ নাটৰ ১১ খিলা, কালি-দমন নাটৰ ৬ খিলা, ৰুক্মিণীহৰণ নাটৰ ১৪ খিলা, পাৰিজাত হৰণ নাটৰ ১২ খিলা, কেলিগোপাল নাটৰ ১৯ খিলা, ৰামবিজয় নাটৰ ৯ খিলা সাঁচিপাত সত্ৰখনত আছে। মাধৱদেৱৰ ভক্তি ৰত্নাৱলীৰ সম্পূৰ্ণ, শ্ৰীৰাম চৰণ ঠাকুৰৰ কংসবধ নাটৰ ১০ খিলা পাত, দৈত্যাৰি ঠাকুৰৰ স্যমন্তক হৰণ নাটৰ ৫ খিলা পাতো সত্ৰখনত আছে।

**৩.৭.৩ গণককুছি সত্ৰৰ ভাস্কৰ্য ঃ**

গণককুছি সত্ৰ মাধৱদেৱে স্থাপন কৰে। এই সত্ৰত মহাপুৰুষজনা ১৮ বছৰ ৬ মাহ কাল আছিল। সত্ৰখনত গুৰুজনাৰ দিনৰে অনেক শিল্পবস্তু আছে। এই অঞ্চলৰ বহুতো শিল্পী তথা সত্ৰ-নিবাসী লোকে বিভিন্ন শিল্প নিৰ্মাণ কৰি আৰ্থিকভাবেও স্বচ্ছল হৈছিল। দুয়োফালে সিংহৰ ভাস্কৰ্য থকা মূল তোৰণখন অৰ্বাচীন। কীৰ্তনঘৰটো নতুনকৈ নিৰ্মাণ কৰা হৈছে।

গণককুছি সত্ৰৰ উত্তৰফালৰ মূল দুৱাৰখনৰ কাঠত তামৰ পাত লগোৱা আছে। ইয়াত শ্ৰীকৃষ্ণ, নৰসিংহ, শ্ৰীহৰি, গোপী আদিৰ মূৰ্তি তামৰ পাতত কটা আছে। এই দুৱাৰখন কেইবাশ বছৰ পুৰণি। এই দুৱাৰখনত খোদিত ভাস্কৰ্যত শ্ৰীকৃষ্ণই নৃত্যৰ ভংগিমাত বংশী বজাই আছে। ওপৰৰ কাঠৰ ফলিত বিষ্ণুৰ চতুৰ্ভূজ মূৰ্তি, লক্ষ্মী আৰু পাৰিষদসকলৰ সৈতে খোদিত আছে। কাঠৰ ফলিখনত বিষ্ণু বহা আসনখনৰ দুয়োফালে খুৰাত দুটা উৰণীয়া সিংহৰ ৰিলিফ কটা আছে। পশ্চিম ফালৰ দুৱাৰখন কাঠৰ। ইয়াত বৈকুণ্ঠৰ দ্বাৰ-ৰক্ষক জয় আৰু বিজয়ৰ ভাস্কৰ্য দুৱাৰৰ পাত দুখনত কটা আছে। দুৱাৰখনত লতা আৰু ফুলৰ অলংকৰণো আছে। ওপৰৰ কপালিত বিষ্ণুৰ চতুৰ্ভূজ মূৰ্তি, কাষত লক্ষ্মীৰ সৈতে খোদিত আছে। দুইফালে দুজন পাৰিষদে চোৰৰ লৈ বিচি

আছে। তলত দুই মহাভকত— গৰুড় আৰু হনুমানে হাতযোৰ কৰি আছে। দুৱাৰখনৰ দুয়োফালে বেৰত কাঠৰ ফলকত দশ অৱতাৰৰ মূৰ্তি অংকন কৰা আছে। মূল কীৰ্তনঘৰটোৰ বেৰত ভাস্কৰ্যৰ ফলি নাই যদিও কাৰুকাৰ্য খচিত লতাযুক্ত ফুল কটা কাঠৰ ফলি আছে। লতা কটা কাঠৰ ফলি এখনৰ দৈৰ্ঘ্য তিনি ফুট ন-ইঞ্চি, প্ৰস্থ ১.৫ ইঞ্চি আৰু উচ্চতা প্ৰায় এক ফুট। মূল কীৰ্তন-ঘৰৰ ভিতৰত পকীৰে নিৰ্মিত অৰ্বাচীন চাৰিফুট জোখৰ হনুমান আৰু গৰুড়ৰ মূৰ্তি আছে। এই সত্ৰখনত শংকৰদেৱ-মাধৱদেৱৰ শিষ্য কৰলা বাঢ়ৈয়ে কটা দুটা বিষ্ণুৰ চতুৰ্ভূজ মূৰ্তি আছে। এই মূৰ্তি দুটা বেল গছৰ কাঠত খোদিত কৰা আছে। এটা থিয় হৈ থকা বিষ্ণুৰ চতুৰ্ভূজ মূৰ্তি আৰু আনটো আসনত বহি থকা বিষ্ণুৰ চতুৰ্ভূজ মূৰ্তি। প্ৰায় দুই ফুট উচ্চতাৰ মূৰ্তি দুটা সপোনত বিষ্ণুৰ অৱতাৰ দেখি তাক কৰলা আতৈয়ে ভাস্কৰ্যৰ ৰূপ প্ৰদান কৰে।

সত্ৰখনৰ মূল কীৰ্তনঘৰটো দীঘলে ৯০ ফুট আৰু বহলে ৩৫ ফুট। ইয়াক পৰৱৰ্তী সময়ত নৱ-নিৰ্মাণ কৰা হয়। লতাবোৰ স্থানীয় শিল্পীৰ সৃষ্টি। কৰলা বাঢ়ৈয়ে সজা মুখা, চৌ আদি শিল্পবোৰ গণককুছি সত্ৰৰ অনন্য শিল্পবস্তু।

**৩.৭.৩.১ গণককুছি সত্ৰৰ অন্যান্য শিল্পবস্তু ঃ**

(১) সংৰক্ষিত অৱস্থাত থকা দুজনা গুৰুৰ দিনৰ ভাস্কৰ্য কটা কাঠৰ দুৱাৰ;

(২) তামৰ পাতত বৃন্দাবনৰ দৃশ্য কটা দুৱাৰ;

(৩) মাধৱদেৱে স্থাপন কৰা গুৰু-আসন, গজাসনৰ ভগ্নপ্ৰায় কিন্তু নিমজ ভাস্কৰ্যৰ কিছু অংশ। গজাসনখনৰ ভাস্কৰ্য জোখ প্ৰায় দুই ফুট।

(৪) গুৰুজনাৰ দিনত ভাওনাত ব্যৱহৃত কাঠৰ বৰ মুখা। ৰজাৰ মুখাবোৰত মুকুট আছে। কাঠৰ মুখা এখনৰ ওজন প্ৰায় দহ কেজিমান হ'ব। ৰাৱণৰ যুৰীয়া মুখা আছে। মুখাবোৰৰ দৈৰ্ঘ্য প্ৰায় ১$^{১}/_{২}$ ফুটমান হ'ব।

(৫) প্ৰায় ছশ বছৰ পুৰণি শিলৰ ধূপদানি, শিলৰ চাকি, কাঠৰ বটা;

(৬) শংকৰ গুৰুজনাৰ ১২ ইঞ্চি জোখৰ এপাত পাদুকা। কালিন্দী আইৰ এপাত পাদুকা, দুজনা গুৰুৰ লগতে আতা পুৰুষসকলে ব্যৱহাৰ কৰা কাপোৰৰ কিছু অংশ;

(৭) মাধৱদেৱে ব্যৱহাৰ কৰা কুমাৰৰ পাটেৰে নিৰ্মিত পাট নাদ;

(৮) মহাপুৰুষ মাধৱদেৱে ব্যৱহাৰ কৰা তামোল খুন্দা কাঠৰ উৰাল, দুজনা গুৰুৱে স্নান কৰোঁতে ব্যৱহাৰ কৰা গুৰু দুজনাৰ পদচিহ্ন থকা ডাঙৰ শিল;

(৯) বৰগছা, ৮-১০ টা মান বৰ চৰিয়া, পিতলৰ শৰাই, পিতলৰ প্ৰায় তিনি কেজি ওজনৰ বৰকাঁহ;

(১০) সত্ৰৰ ভিতৰৰ কাৰুকাৰ্যখচিত খুঁটা;

(১১) সাঁচিপাত আৰু তুলাপাতত থকা পুজি-পাঁজিসমূহৰ ভিতৰত শ্ৰীমন্ত শংকৰদেৱৰ আদি দশম, শংকৰদেৱ আৰু মাধৱদেৱৰ কিছু বৰগীত, কীৰ্তনঘোষাৰ কিছু পাত, মাধৱদেৱৰ নামঘোষা, ভক্তিৰত্নাৱলী, জন্ম ৰহস্য আৰু গোবিন্দ মিশ্ৰৰ গীতা ভাগৱত আছে।

**৩.৭.৪ সুন্দৰীদিয়া সত্ৰৰ ভাস্কৰ্য ঃ**

সুন্দৰীদিয়া সত্ৰ মাধৱদেৱে স্থাপন কৰা নিকা সংহতিৰ সত্ৰ। গুৰুজনাই এই সত্ৰত ১৪ বছৰ, ৬ মাহ কাল কটাইছিল। ১৯৬১-৬২ চন মানত টিনপাতেৰে কীৰ্তন-ঘৰটো নৱ-নিৰ্মাণ কৰা হয়।

কীৰ্তনঘৰৰ উত্তৰফালৰ মূল দুৱাৰখনৰ উচ্চতা সাতফুট, পাঁচ ইঞ্চি। পথালিয়ে পাঁচ ফুট, ছয় ইঞ্চি জোখৰ। দুৱাৰৰ কপালিত শ্ৰীশ্ৰীস্বেত বিলাস বৈকুণ্ঠ আছে। তাৰ মাজত বিষ্ণুৰ কাঠৰ চতুৰ্ভূজ মূৰ্তি, লক্ষ্মীসহ চৈধ্য পাৰিষদ, নাৰীগণ, কদম্ব গছৰ সৈতে বৈকুণ্ঠ ধামৰ জীৱন্ত ভাস্কৰ্য খোদিত আছে। দুৱাৰখনত বিদুৰ, উদ্ধৱ, গৰুড়, মৈত্ৰেয়, বিভীষণ আৰু হনুমানৰ ভাস্কৰ্য আছে। মূল কীৰ্তনঘৰৰ বেৰত লতা আৰু কাঠৰ ভাস্কৰ্যৰ ফলি খোদিত আছে। কাঠৰ ফলিৰ দৈৰ্ঘ্য প্ৰায় তিনিফুট, ছয় ইঞ্চি। উচ্চতা ২$^{১}/_{২}$ ফুট। দক্ষিণৰ বেৰৰ ১১ খন ফলি পকী সাঁচত ঢলা। উত্তৰ ফালত ৩২ খন কাঠৰ ফলক আছে। উত্তৰফালে ৰামায়ণ, মহাভাৰত, ভাগৱতৰ আখ্যানৰ চিত্ৰমালাবোৰ উপযুক্ত ঘনত্ব আৰু দূৰত্বত খোদাই কৰা হৈছে। উত্তৰ ফালৰ বেৰৰ চিত্ৰসমূহ পূব দিশৰ পৰা ক্ৰমে তাৰকা বধ, অহল্যা উদ্ধাৰ, হৰধনু ভংগ, ৰামৰ দৰ্পচূৰ্ণ, ৰামৰ প্ৰতি কৈকেয়ীৰ বন গমনৰ আদেশ, ৰামৰ বনবাসলৈ যাত্ৰা, গুহক চাণ্ডালে ৰাম-লক্ষ্মণ-সীতাক সৰযু নদী পাৰ কৰা, ৰাম-ভৰতৰ মিলন, শূপৰ্ণখাৰ নাক-কাণ ছেদন, মাৰীচৰ মায়া, ছদ্মবেশী ৰাৱণ, সীতা হৰণ, জটায়ুৰ মৃত্যু, সুগ্ৰীৱৰ লগত মিত্ৰতা, বালি-সুগ্ৰীৱৰ যুদ্ধ, সীতাৰ অলংকাৰ, ৰামৰ নাগপাশ বন্ধন, অপেশ্বৰী উদ্ধাৰ, লক্ষ্মণৰ শক্তিশেল, ইন্দ্ৰজিৎ বধ, ৰাম-ৰাৱণৰ যুদ্ধ, ৰাৱণৰ মৃত্যু, সীতাৰ অগ্নি-পৰীক্ষা, ৰাম-ৰাজ্য, সীতাৰ বনবাস, লৱ-কুশৰ যুদ্ধ, লৱ-কুশৰ গান, অৰ্জুনৰ লক্ষ্যভেদ, দ্ৰৌপদীৰ বস্ত্ৰ-হৰণ, বিৰাট ৰাজ্যত যুধিষ্ঠিৰৰ ৰাজ্যাভিষেক, ভীষ্মৰ শৰশয্যা আৰু জৰাসন্ধ বধ।[২৬]

দক্ষিণৰ ফলিসমূহত পূবৰ পৰা ক্ৰমে শ্ৰীকৃষ্ণৰ ৰাস-ক্ৰীড়া, কাৰাগাৰত বসুদেৱ-দৈৱকী, চতুৰ্ভূজ নাৰায়ণ, কৃষ্ণক লৈ বসুদেৱ, যোগমায়াক লৈ বসুদেৱ, নন্দ-গৰ্গ ঋষি, কৃষ্ণ-যশোদা (দুখন), কৃষ্ণ-বানৰ, লৱণু চুৰ, অৰ্জুন ভঞ্জন, বকাসুৰ বধ, অমাসুৰ বধ, গোপীৰ ব্ৰতৰ ফলাকাংক্ষা, কালিয়দমন, গোপিনীৰ বস্ত্ৰহৰণ, গোৱৰ্দ্ধন ধাৰণ, শ্ৰীকৃষ্ণৰ মথুৰা গমন, ধোবাৰ মুণ্ডচ্ছেদ, সুদামাৰ প্ৰাৰ্থনা, কুঁজীৰ চন্দন পিন্ধন, ধৰ্নুচ্ছেদ, কুবলয় বধ, চানু-মুষ্টিকৰ পতন, কংসবধ, কাৰাগাৰৰ পৰা বসুদেৱ-দৈৱকীক উদ্ধাৰ, উগ্ৰসেনৰ ৰাজ অভিশেষ, বিপ্ৰপুত্ৰ আনয়ন, মথুৰাত কংসৰ পত্নীসকলক সান্ত্বনা, কালিয়দমন,

মুচুকন্দৰ শ্ৰীকৃষ্ণ দৰ্শন, হিৰণ্যক্ষ বধ, কালযবন বধ, শ্ৰীকৃষ্ণৰ জাম্বৱন্তৰ যুদ্ধ, শ্ৰীকৃষ্ণ আৰু কাল যৱন, শ্ৰীকৃষ্ণৰ স্যমন্তক মণিৰ সন্ধান, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, শ্ৰীকৃষ্ণৰ মোহিনী ৰূপ, গ্ৰাহ-গজেন্দ্ৰৰ যুদ্ধ আৰু বলোৰামৰ দেহ ত্যাগ।[২৭] পশ্চিম ফালৰ দুৱাৰৰ কপালিত অনন্তনাগৰ সৈতে বিষ্ণুৰ চতুৰ্ভূজ মূৰ্তি কাঠত খোদিত হৈ আছে। দুৱাৰখনত সুগ্ৰীৱ, বিভীষণ, হনুমান, উদ্ধৱ বিপ্ৰ আৰু গৰুড় ভাস্কৰ্য লতাৰ মাজত খোদিত আছে। মূৰ্তিসমূহৰ জোখ ১৪ ইঞ্চিৰ পৰা ১ ফুট পৰ্যন্ত। ২৬ ইঞ্চি বহলৰ বৃহৎ জটায়ু চৰাইৰ মূৰ্তিও খোদিত আছে।

মঠৰ চৈঘৰটোৰ দুয়োকাষে বিভিন্ন ধৰ্মীয় চৰিত্ৰৰ মূৰ্তি খোদিত কৰা হৈছে। উত্তৰে ব্যাস, প্ৰহ্লাদ, নাৰদ, জনক, যম, বলি আৰু ভীষ্ম, দক্ষিণে কুমাৰ, শুক, মনু, মহাদেৱ, ব্ৰহ্মা আৰু লক্ষ্মীৰ মূৰ্তি শিলত খোদিত আছে। দুৱাৰৰ কাষত জয় আৰু বিজয় আছে। মূল কীৰ্তনঘৰৰ ভিতৰত থকা পাঁচফুট উচ্চতাৰ হনুমান আৰু গৰুড়ৰ মূৰ্তি দুটা পূৱ মুৱাকৈ আছে। কলসী কটা খুঁটা, কাঠত জালি কটা সূক্ষ্ম কাৰুকাৰ্যৰ সৈতে চানেকিসমূহ সত্ৰৰ অনন্য শিল্প-কাম।

সুন্দৰীদিয়া সত্ৰৰ কাঠৰ ফলিসমূহৰ শিল্পী আছিল কালিকান্ত দাস (কাইলা ওস্তাদ), কমলাকান্ত গায়ন, ৰসিক পাটোৱাৰী আদি।[২৮] সুন্দৰীদিয়াৰ পিতলৰ দুৱাৰৰ ফলিখন সত্ৰৰ সুদক্ষ কঁহাৰ লয়ন কঁহাৰে নিৰ্মাণ কৰিছিল। ভক্তচৰণ আতৈয়ে এই ফলি দান দিছিল।

**৩.৭.৪.১ সুন্দৰীদিয়া সত্ৰৰ অন্যান্য শিল্পবস্তু ঃ**

সুন্দৰীদিয়া সত্ৰত সংৰক্ষিত হৈ থকা অন্যান্য শিল্পবস্তুবোৰ হ'ল—

(১) দশানন ৰাৱণৰ ফলি (অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত);

(২) অগ্নিদেৱতাৰ ফলি;

(৩) জুয়ে পোৰা হনুমানৰ মূৰ্তি;

(৪) অনন্ত নাগৰ মূৰ্তি;

(৫) প্ৰায় পোন্ধৰ ফুট উচ্চতাৰ দুডাল বৰ গছা (সহস্ৰ গছা); এই গছাত ফুল, সৰ্প আদি কাৰুকাৰ্য খোদিত হৈ আছে।

(৫) পিতলৰ বৰচৰিয়া চাৰিটা, মধ্যম আকাৰৰ আঠটা চৰিয়া, পিতলৰ টৌ, পিতলৰ বৰ ডালা, পিতলৰ ঘণ্টা, গাত ফুল কটা পিতলৰ বৰ ঠগী আদি আছে।

(৬) পাঁচ থাকযুক্ত অতি পুৰণি পিতলৰ গুৰু আসন;

(৭) কালিন্দী আই গোসাঁনীৰ কাণত পিন্ধা থুৰীয়া সদৃশ এপাত সোণৰ কেৰু। আইয়ে পাঁজি বটা পিৰা, বিছনাৰ দুটা খুঁটা আছে।

(৮) আহোম ৰজা শিৱসিংহই সুন্দৰীদিয়া সত্ৰলৈ মাটি দান দিয়া তামৰ ফলি;

(৯) সত্ৰখনত ভালেখিনি সাঁচিপতীয়া পুথি সংৰক্ষিত হৈ আছে। চাৰিখন কীৰ্তনঘোষা (শিশুলীলা), নামঘোষা তিনিখন, হৰিচন্দ্ৰ উপাখ্যান, ৰুক্মিণীহৰণ কাব্য, গুণমালা, ভক্তি ৰত্নাকৰ (অসমীয়া), বৰগীত, ভটিমা, ভক্তি ৰত্নাৱলী চাৰিখন, ৰাজসূয় কাব্য, নাম মালিকা, ভাগৱত পুৰাণ (দ্বিতীয় স্কন্ধ), ভাগৱত পুৰাণ (তৃতীয় স্কন্ধ), অনাদি পাতন তিনিখন, ভাগৱত পুৰাণ (ষষ্ঠ স্কন্ধ), অজামিল উপাখ্যান দুখন, ভাগৱত পুৰাণ (সপ্তম স্কন্ধ - অমৃত মন্থন), ভাগৱত পুৰাণ (অষ্টম স্কন্ধ) তিনিখন, ভাগৱত পুৰাণ (দশম স্কন্ধ) দুখন, ভাগৱত পুৰাণ (একাদশ স্কন্ধ), ভাগৱত চাৰিখন, ৰামায়ণ আদিকাণ্ড দুখন, ৰামায়ণ (অৰণ্যকাণ্ড), ৰামায়ণ (সুন্দৰাকাণ্ড) দুখন, ৰামায়ণ (লঙ্কা কাণ্ড), ৰামায়ণ (উত্তৰা কাণ্ড) দুখন, ৰামায়ণ তিনিখন, মহাভাৰত দুখন, গুৰুচৰিত - দৈত্যাৰি ঠাকুৰ, আদি চৰিত (গুৰু চৰিত কথা), ভগৱদ্গীতা, সংস্কৃত দ্বাদশ স্কন্ধ ভাগৱত (তুলাপাতত), ভক্তি ৰত্নাৱলী (সংস্কৃত ঃ বিষ্ণুহৰি সন্ন্যাসী), ভক্তিসুৰ, লীলা-মালা, উপদেশ সংৰক্ষিত হৈ আছে।[২৯]

(১০) বংশীগোপালৰ পিতলৰ মূৰ্তি;

(১১) গোসাঁইক পিন্ধোৱা ৰূপৰ ফুল থকা কণ্ঠহাৰ আদি।

**৩.৭.৫ গোমূৰা সত্ৰৰ ভাস্কৰ্য ঃ**

গোমূৰা সত্ৰখন মাধৱদেৱৰ শেষ বয়সৰ সত্ৰ আছিল। সত্ৰখন বৰপেটা জিলাৰ পূৱ প্ৰান্তৰ সৰুক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত। মাগৰি মাঝিৰ আমন্ত্ৰণ ক্ৰমে মাধৱদেৱে গোমূৰালৈ আহিছিল। এই সত্ৰখন প্ৰায় ৫৫০ বছৰ পুৰণি। শ্ৰীশ্ৰীমাধৱদেৱে এই সত্ৰ স্থাপন কৰি ছমাহ চৈধ্যদিন আছিল। গোমূৰা সত্ৰৰ চতুৰ্থগৰাকী সত্ৰাধিকাৰ গোপীকান্ত আতৈৰ দিনত মূল কীৰ্তনঘৰ আৰু মণিকূট নতুনকৈ সজোৱা হয়। বৰ্তমান কীৰ্তনঘৰটো হেমকান্ত মহন্ত আতৈৰ তত্ত্বাৱধানত নিৰ্মিত হয়। গোপীকান্ত আতৈৰ দিনত নিৰ্মাণ হোৱা কীৰ্তনঘৰৰ বেৰত কাঠত কটা কীৰ্তন আৰু ভাগৱতৰ কাহিনীৰ ফলি আছিল। নতুন কীৰ্তনঘৰটোত ফলিসমূহ আঁৰি লগাই দিয়া হৈছে। পূৱ ফালে ভাঁজঘৰত লতা আছে, ফুলকটা ধুনীয়া দুৱাৰ আছে। বেৰত কাঠৰ জালিকটা কাৰুকাৰ্য খচিত দুৱাৰ লগাই থোৱা আছে। দশ অৱতাৰৰ ভাস্কৰ্য, পুতুনা, শ্ৰীকৃষ্ণৰ শিশুলীলা, বকাসুৰ বধ, গোপীৰ বস্ত্ৰ হৰণ আদিৰ ভাস্কৰ্য ফলকত খোদিত আছে। কাঠত কটা সুনিপুণভাৱে অকোৱা-পকোৱা লতাৰে সৈতে আঠটা পাহিযুক্ত ফুল থকা কাঠৰ ফলক আছে। ইয়াত হালধীয়া ৰঙৰ বেছিকৈ প্ৰয়োগ হোৱা দেখা যায়। লতাবোৰ ফলকত উঠি অহা ধৰণে খোদিত হৈ আছে। মূল দুৱাৰৰ কপালিত অনন্ত নাগৰ সৈতে বিষ্ণুৰ চতুৰ্ভূজ মূৰ্তি আছে। নাগৰ নাগপাশবোৰ সন্মুখৰ ফালে মুখ কৰি আছে।

এই কাঠৰ ফলিৰ ভাস্কৰ্যবোৰ গোপীকান্ত আতৈৰ সময়ত কীৰ্তনঘৰৰ বেৰত কমলাবাৰীৰ পৰা ভকত বাঢ়ৈ আনি বৈকুণ্ঠৰ চিহ্নপট তক্তাত খোদিত কৰিছিল।

### ৩.৭.৫.১ গোমূৰা সত্ৰৰ অন্যান্য শিল্পবস্তু ঃ

গোমূৰা সত্ৰত এই পৰ্যন্ত সংৰক্ষিত হৈ থকা আন আন শিল্পবস্তুবোৰ এনেধৰণৰ—

(১) গুৰুজনাৰ দিনৰ কাঠত কটা গুৰু-আসন;

(২) পুৰণি 'পঞ্চঘণ্টা' বা 'পঞ্চঘাণ্টি' শংখ, দবা, বৰকাঁহ, মৃদঙ্গ আৰু তাল;

(৩) বৰগছা দুপাত;

(৪) গুৰুজনাই পানী তুলিবলৈ কৰা কাঠৰ চকৰি এটা, ভাত ৰন্ধা হেতা;

(৫) সাঁচিপাত থোৱাৰ বাবে বাঢ়ৈৰ সুন্দৰ কাৰুকাৰ্য খোদিত কাঠৰ চাৰিটা বাকচ;

(৬) কৰণী এটা, ৰূপৰ ফুল, ৰূপৰ হাৰ;

(৭) গুৰুজনাই ব্যৱহাৰ কৰা উৰাল, বাঁহৰ বাল্টি;

(৮) সাঁচিপতীয়া আৰু তুলাপাতৰ পুথিৰ অংশ সত্ৰখনত আছে। মাধৱদেৱৰ স্ব-হস্তাক্ষৰ থকা সাঁচিপাতৰ নামঘোষাৰ পোন্ধৰ খিলা পাত, তুলাপাতৰ দশম স্কন্ধৰ ভাগৱত, কথা গুৰুচৰিত, নামঘোষা, সাঁচিপাতৰ গুণমালা আৰু কীৰ্তনঘোষা আছে।

### ৩.৭.৬ সত্ৰৰ ভাস্কৰ্যসমূহৰ সামাজিক তাৎপৰ্য ঃ

সত্ৰ হৈছে ধৰ্মীয় তথা সাংস্কৃতিক অনুষ্ঠান। এই অনুষ্ঠানত আধ্যাত্মিক চৰ্চাৰ লগতে শিল্প-সংস্কৃতিৰো অবিৰত চৰ্চা হয়। সত্ৰসমূহক কেন্দ্ৰ কৰি সৃষ্টি হৈছে নানান শিল্প। তাৰ ভিতৰত অন্যতম হ'ল ভাস্কৰ্য-শিল্প। শিল্পীয়ে আধ্যাত্মিক চৰিত্ৰক তথা আখ্যানক বিষয়বস্তু হিচাপে লৈ এই ভাস্কৰ্যসমূহ নিৰ্মাণ কৰে। অনাখৰী মানুহেও পুথি-পাঁজি পঢ়ি হৃদয়ঙ্গম কৰিব নোৱাৰা গভীৰ আধ্যাত্মিক তত্ত্ববোৰ চিত্ৰৰ মাধ্যমেৰে অতি সহজে বুজিব পাৰে। ভাস্কৰ্যসমূহৰ বেছিভাগ ধৰ্মীয় চৰিত্ৰমূলক; সৎ আৰু অসৎ কৰ্মৰ ফল আদি সমাজৰ বাৰ্তাজ্ঞাপক ভাস্কৰ্যও খোদিত কৰা হয়। বিশেষকৈ বৰপেটা সত্ৰৰ মূল কীৰ্তনঘৰৰ বেৰত খোদিত ভাস্কৰ্য কেতবোৰ সামাজিক বাৰ্তাজ্ঞাপক। ধৰ্মৰ চলেৰে এই চিত্ৰমালাবোৰৰ মাধ্যমেৰে সমাজলৈ বাৰ্তা প্ৰেৰণ কৰা হৈছে। বৰপেটা সত্ৰৰ বেৰত খোদিত যমপুৰীৰ শাস্তিৰ দৃশ্যযুক্ত ফলকসমূহত পাপ কৰ্ম কৰিলে প্ৰাণীয়ে মৃত্যুৰ পিছত যমপুৰীত গৈ লাভ কৰা ফল তথা ভাৰতীয় আধ্যাত্মিক বিশ্বাস প্ৰতিফলিত হৈছে।

বৰপেটা সত্ৰৰ বেৰত প্ৰাণী হিংসা কৰা মনুষ্যৰ শাস্তি হিচাপে ফলকত প্ৰকাণ্ড বাঘ এটাই ডিঙিত কামুৰি মনুষ্যক লৈ যোৱাৰ ভাস্কৰ্য খোদিত হৈ আছে। আনৰ মাটি চেপাৰ ফলকত হাত-ভৰি বান্ধি দঁতাল হাতীৰে গচকি যমপুৰীত শাস্তি দিয়াৰ ভাস্কৰ্য খোদিত আছে। পৰস্ত্ৰী হৰণৰ ফল হিচাপে ফলকখনত যমপুৰীৰ ভয়াবহ সৈন্য এজনে পৰস্ত্ৰী হৰণৰ পাপত পতিত হোৱা পুৰুষ আৰু মহিলাক গছত বান্ধি চুলিত খামুচি শেলেৰে হানি-খুচি থকাৰ দৃশ্য জীৱন্ত ৰূপত খোদিত আছে। চোৰৰ দণ্ড

হিচাপে ভাস্কৰ্যৰ ফলকখনত দাঁত নিকটাই থকা, পাখি থকা যমদূত দুজনে হাতত শেল আৰু তৰোৱাল লৈ গৰম তেলৰ কেৰাহীত পেলাই দিয়া তথা বিলাপ কৰা চোৰবিলাকক হানি-খুচি আছে। ফলকখন দেখিলেই মনত চুৰি কাৰ্যৰ প্ৰতি ভয়ৰ ভাৱ ওপজে। যমৰ বিচাৰ হিচাপে ফলকত যম ৰজাই চিত্ৰগুপ্ত সহিতে মনুষ্যৰ কৰ্মফলৰ বিচাৰ কৰি আছে। ব্ৰহ্ম হত্যাৰ ফল হিচাপে ফলকখনত দুজন যম-দূতে হাতত গদা লৈ হাত-ভৰি বান্ধি মনুষ্যক চোঁচৰাই লৈ গৈছে। গুৰুদ্ৰোহীৰ ফলযুক্ত ফলকখনত তপত তেলৰ কেৰাহীত গুৰুদ্ৰোহীক উঠাই তলত জুই দি ভাজি থকাৰ দৰে কাঠৰ ভাস্কৰ্য খোদিত কৰা আছে। নিজ পতিক এৰি আন পতিক গ্ৰহণ কৰাৰ ফল হিচাপে দীঘল দাঁত থকা যমদূত এজনে শেল এপাতৰ মাজেৰে নাঙঠ অভিযুক্ত পুৰুষ-নাৰীহালক বিন্ধিছে। স্বামীক বিহ খোৱাই মৰাৰ ফল হিচাপে ভাস্কৰ্যৰ ফলকত দুজন যমদূতে ওলোটাকৈ মহিলা এগৰাকীক পুতি হৈছে। প্ৰাপ্য ধন হৰণৰ ফলযুক্ত ভাস্কৰ্যৰ ফলকখনে অতি ভয়ানক ৰসৰ উদ্ৰেক কৰিব পাৰে। হাত দুখন দুটা খুঁটাত বান্ধি যমদূত দুজনে মানুহ এজনক সোঁমাজেৰে মূৰৰ পৰা কৰতেৰে ফালিছে। ধৰ্ম নিন্দাৰ ফল খোদিত হৈ থকা ফলকখনত যমদূতে মানুহ এজনৰ মুখত চোকা অস্ত্ৰৰে হানি-খুচি দিছে।

ঠিক তেনেদৰে সৎ কৰ্ম, শুদ্ধ আচাৰ, ধৰ্ম চিন্তা কৰি যে মনুষ্যই বৈকুণ্ঠত স্থান লাভ কৰিব পাৰে— তাকো ভাস্কৰ্যৰ মাজেৰে ফুটাই তুলিছে। ধৰ্মযাত্ৰা, জগন্নাথ স্থাপন কৰাৰ ফল, কৰ্ণ পদ্মাৱতীয়ে দান-কৰ্মৰ মাজেৰে লভা সুখ, হৰিনামৰ কীৰ্তন কৰি লাভ কৰা অমৃতময় পৰম ৰস, প্ৰশান্তি লাভ কৰা সুন্দৰ ভাস্কৰ্যমালাও খোদিত আছে। সুকৰ্মৰ ফলকখনত সন্তোষ মনেৰে খাটত বহি পতি-পত্নী এহালৰ ভাস্কৰ্য খোদিত আছে।

সত্ৰত খোদিত ভাস্কৰ্যসমূহে জন-জীৱনৰ ওপৰত অভূতপূৰ্ব প্ৰভাৱ বিস্তাৰ কৰিছে। সমাজৰ মানসিক বিকাশ, সামাজিক আৰু আধ্যাত্মিক চেতনাৰ পৰিপুষ্টি সাধন আৰু ঐক্য স্থাপন কৰাত এই ভাস্কৰ্যসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই সত্ৰীয়া ভাস্কৰ্যসমূহে আধ্যাত্মিক শিক্ষাৰে সত্ৰবাসীৰ আৰ্থ-সামাজিক ভেটিও সুদৃঢ় কৰিছে।

**৩.৮ সত্ৰীয়া বাদ্যৰ পৰিচয় ঃ**

সত্ৰীয়া সংগীতৰ লগতে বাদ্যৰ ক্ষেত্ৰখনলৈও সত্ৰানুষ্ঠানসমূহৰ অৱদান আছে। অংকীয়া নাট, ভোৰতাল নৃত্য, ভাওনা, ওজাপালি, সত্ৰীয়া নৃত্য, থিয়নাম, দশাৱতাৰ নৃত্য আদি সত্ৰীয়া সংস্কৃতিৰ অংগস্বৰূপ। সত্ৰীয়া পৰম্পৰাত প্ৰচলিত বাদ্যকে 'সত্ৰীয়া বাদ্য' বুলি ক'ব পাৰি। "শাস্ত্ৰীয় সংগীতৰ ধাৰাৰ উপৰিও অৰ্ধ-শাস্ত্ৰীয় (Quasi-Classical) আৰু লোক-সংগীতৰ চৰ্চাও সত্ৰবোৰত প্ৰচলিত হৈ আহিছে। ব'ৰাগী নাম, থিয়নাম, ঘোষা, ধুৰা, বানা, টোকাৰী গীত, কাকূতি, হৰিনাম আদি বিভিন্ন

প্ৰকাৰৰ গীত আৰু নাম বিভিন্ন সুৰ-তালৰ বৈচিত্ৰ্যৰে সত্ৰত সংৰক্ষিত হৈ আছে আৰু এই সুৰে গাঁওবোৰক এতিয়াও সঞ্জীৱিত কৰি ৰাখিছে''।[৩০] এই লোক-সংগীত তথা অৰ্ধ-শাস্ত্ৰীয় সংগীতৰ লগত নানা লোক-বাদ্যৰো প্ৰচলন হৈ আহিছে। কিছুমান সত্ৰীয়া বাদ্য, যেনে— তাল, খোল আদি শাস্ত্ৰীয় সংগীতৰ উপৰিও লোকবাদ্য হিচাপেও পৰিৱেশন কৰা হয়।

**৩.৮.১ বৰপেটাত প্ৰচলিত সত্ৰীয়া বাদ্য ঃ**

সত্ৰীয়া সংস্কৃতিৰ কেন্দ্ৰস্থল হ'ল বৰপেটা। সত্ৰীয়া সংস্কৃতি তথা লোক-সংস্কৃতিৰ দিশত বৰপেটা জিলা অতি চহকী। বৰপেটাত বিভিন্ন সত্ৰীয়া বাদ্যৰ প্ৰচলন আছে। বৰপেটা অঞ্চলৰ থান, সত্ৰ, নামঘৰ আদিৰ বিভিন্ন নিত্য-নৈমিত্তিক প্ৰসংগৰ উপৰিও সত্ৰৰ বাহিৰতো লোক-আধ্যাত্মিক অনুষ্ঠানত এই বাদ্যসমূহ পৰিৱেশিত হয়। ভোৰতাল নৃত্য, দশাৱতাৰ নৃত্য আদি বৰপেটাৰ সত্ৰীয়া পৰম্পৰাৰে সৃষ্টি। এই অনুষ্ঠানসমূহৰ লগত সংগত কৰা হয় নানাবিধ বাদ্য। এই বাদ্যবোৰ সত্ৰীয়া বাদ্যৰ অন্তৰ্গত। নাগাৰা, ভোৰতাল, খোল, দামা (ডবা), শংখ, ঘণ্টা, কাঁহ, হোলী ঢোল বা ঢোলক আদি এই শ্ৰেণীৰ বাদ্য। ইয়াৰে কিছুমান বাদ্যৰ ব্যৱহাৰ কেৱল সত্ৰৰ ভিতৰতে আৱদ্ধ।

কৃষিজীৱী গাঁৱলীয়া সমাজত লোকশিল্পীজনে সহজলভ্য সামগ্ৰীৰে নান লোক-বাদ্য নিৰ্মাণ কৰি লয়।এই বাদ্যবোৰ লোকগীত (Folk Song)ৰ লগত প্ৰধানকৈ ব্যৱহাৰ হয়। জাতি-জনগোষ্ঠীভেদে লোকবাদ্যসমূহৰ নাম, ব্যৱহাৰ, নিৰ্মাণ-কৌশলৰ কিছু স্বকীয়তা পৰিলক্ষিত হয়। দগৰ, দোতাৰা, একতাৰা, খুমুক, বেণু আদি এনে লোকবাদ্য।

সত্ৰীয়া বাদ্যবোৰৰ বেছি সংখ্যক লোক-সমাজৰ সৃষ্টি। বৰপেটা অঞ্চলৰ থান আৰু সত্ৰৰ বিভিন্ন অনুষ্ঠানৰ উপৰিও সত্ৰৰ বাহিৰৰ বিভিন্ন আধ্যাত্মিক অনুষ্ঠানতো এই বাদ্যবোৰ পৰিৱেশন কৰা হয়। তলত এই বাদ্যসমূহৰ বিষয়ে আলোচনা কৰা হ'ল—

**(ক) দামা (ডবা) ঃ** ডবা এক বৃহৎ আকৃতিৰ সত্ৰীয়া বাদ্য। ডবাৰ খোলাটো কিছুমান ঠাইত পিতলৰ আৰু কিছুমান ঠাইত মাটিৰে নিৰ্মাণ কৰা হয়। খোলাটোৰ ওপৰ অংশ চামৰাৰে চোৱাই দিয়া হয়। বৰপেটা সত্ৰৰ ডবাটো পিতলৰ।

সত্ৰৰ মূল পালাধৰাৰ ওপৰত ডবা কোবোৱাৰ পাল পৰে। বৰপেটা সত্ৰত ৰাতিপুৱাৰ পাঁচ প্ৰসংগ শেষ হ'লে গুৰুঘাট বজায় আৰু সামৰণিত ডবা কোবায়। আবেলিৰ তিনি প্ৰসংগ আৰু সন্ধিয়া ছয় প্ৰসংগৰ শেষত ডবা কোবোৱা হয়। সত্ৰৰ সেৱায়িত কাম সম্পূৰ্ণ হোৱাৰ পিছত কীৰ্তনঘৰ মচি ডবা কোবাই ঘাই দুৱাৰ বন্ধ কৰি দিয়া হয়। আকস্মিক বিপদ-আপদৰ কালতো ৰাইজক সজাগ কৰি দিবলৈ ডবা ব্যৱহাৰ কৰা হয়। ডবা সত্ৰ-নামঘৰ আদিৰ ভিতৰৰ বাদ্য।

**(খ) নাগাৰা ঃ** মাটিৰ বা পিতলৰ খোলাৰে নাগাৰা বা নেগেৰা নিৰ্মাণ কৰা হয়। মাটি বা কাঠৰ খোলাটো প্ৰস্তুত কৰি ওপৰত চামৰাৰে চোৰা হয়। স্থানভেদে ভিন্ন আকৃতিৰ নাগাৰা পোৱা যায়। সৰু, মজলীয়া আৰু ডাঙৰ আকৃতিৰ নাগাৰাৰ ব্যৱহাৰ স্থানভেদে দেখা যায়। কাঠৰ বা বাঁহৰ মাৰিৰে আঘাত কৰি নাগাৰা বজোৱা হয়। থিয়নাম, নাগাৰা নাম, ভোৰতাল নৃত্য আদিত নাগাৰা সংগত কৰা হয়। থিয়নাম বা বীৰনামত কেবাযোৰো নাগাৰা শিল্পীসকলে একেলগে পৰিৱেশন কৰে। নাগাৰা নাম বৰপেটা সদৰ আৰু বৰনগৰ অঞ্চলৰ এক জনপ্ৰিয় অৰ্ধনাটকীয় অনুষ্ঠান। এই নাগাৰা নামত প্ৰধানকৈ নাগাৰা বাদ্য সংগত কৰা হয়। সংকীৰ্তন নামতো নাগাৰাৰ ব্যৱহাৰ দেখা যায়। মহিলাৰ নাম-দলতো নাগাৰা ব্যৱহাৰ কৰে। বৰপেটা সদৰত সৰু আকৃতিৰ নাগাৰাৰ প্ৰচলন আছে। ভৱানীপুৰ, চেঙা, বহৰি আদি উপকণ্ঠ অঞ্চলত বৃহৎ আকৃতিৰ নাগাৰা বজোৱা হয়। কিছুমান নাগাৰাৰ বাঞা ডাঙৰ আৰু তাৰ তুলনাত দাইনা যথেষ্ট সৰু থকা দেখা যায়। থিয়নামত ব্যৱহৃত নাগাৰাৰ তাল হ'ল একতালি, দোতালি, চোতালি, ঝিক্ৰি।

**(গ) খোল ঃ** শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্ট সত্ৰীয়া বাদ্য হ'ল খোল। চৰিত পুথিত খোলবাদ্য সৃষ্টি সম্পৰ্কে উল্লেখ আছে। শংকৰদেৱে চিহ্নযাত্ৰা নাটত বাদ্যৰ প্ৰয়োজনীয়তা অনুভৱ কৰি খোল বাদ্য সৃষ্টি কৰে। কপিলীমুখৰ কুমাৰৰ হতুৱাই খোল নিৰ্মাণ কৰাৰ কথা চৰিত পুথিত পোৱা যায়—

"বলোৰাম আতৈ আসিয়া তেখনে
খোলৰ জোখক দিলা
ত্ৰয়োদশ আঙুল বামভাগ জানা
দাহিনে ন আঙুল কৈলা"[৩১]

ভাৰতৰ আন আন ঠাইতো খোল সদৃশ বাদ্য দেখা যায়। বংগত 'মৃদংগ', মণিপুৰৰ 'পুং' খোলৰ অনুৰূপ বাদ্য। ১৮ৰ ২৪ ইঞ্চি দীঘলৰ ভিতৰত খোল নিৰ্মাণ কৰা হয়। খোলবাদ্য সত্ৰৰ ভিতৰত বিভিন্ন উৎসৱ-পাৰ্বণ, তিথি, বৰগীত, সত্ৰীয়া নৃত্য, অংকীয়া নাট আদিত মুখ্য সংগতকাৰী বাদ্য হিচাপে পৰিৱেশন কৰা হয়। বায়নসকলে ধূতি, চুৰিয়া পিন্ধি মূৰত সত্ৰীয়া পাগুৰি মাৰি, কপালত চন্দনৰ ফোঁট লৈ এই বাদ্য পৰিৱেশন কৰে। বৰপেটা সত্ৰত বংশৰাসমূহে নিজৰ পালা অনুযায়ী খোল পৰিৱেশন কৰে। সত্ৰৰ উপৰিও লোক-সমাজৰ বিবিধ অনুষ্ঠানতো খোলবাদ্য পৰিৱেশিত হয়। বৰনগৰ অঞ্চলৰ খোউলা গানত খোল বজাই গীত গাই অভিনয় কৰা হৈছিল। বৰ্তমান সময়ত এই অনুষ্ঠান প্ৰায় লুপ্ত। 'খোউলা গান'ত ৯ টা বা ১২ টা খোল একেলগে বজোৱা হৈছিল। কামৰূপী লোকগীতৰ লগতো বজালী অঞ্চলত খোল বজোৱা হয়।

**(ঘ) ভোৰতাল ঃ** ভোৰতাল কাঁহ আদি ধাতুৰে তৈয়াৰ কৰা হয়। ভূটীয়াসকলেও মাংগলিক কৰ্মত এই তাল ব্যৱহাৰ কৰে। এই তাল ১৮ পোৱা পৰ্যন্ত পোৱা গৈছিল।

বীৰনাম বা থিয়নামত ভোৰতাল লৈ নৃত্যও কৰে। ইয়াৰ ধ্বনি বহু দূৰলৈ শুনা যায়। বৰপেটাৰ সৃষ্টি 'দশাৱতাৰ নৃত্য'ত ভোৰতাল ব্যৱহাৰ কৰা হয়। বৰপেটাত ভোৰতাল নৃত্য সৃষ্টি হৈছিল। বৰ্তমান সময়ত অৱশ্যে পিতলৰ চিক্‌চিকিয়া কম ওজনৰ ভোৰতাল ব্যৱহাৰ কৰে। গায়ন আৰু সত্ৰৰ ঘোষা কীৰ্তন গোৱা ভকতসকলে ৬ পোৱাৰ পৰা ৯ পোৱালৈ ভোৰতাল ব্যৱহাৰ কৰে।

**(ঙ) মঞ্জিৰাতাল ঃ** মঞ্জিৰাতাল বাতিৰ আকৃতিৰ কাঁহেৰে নিৰ্মিত এবিধ সত্ৰীয়া বাদ্য। ই যথেষ্ট ডাঠ। মঠ আৰু আতাপুৰুষসকলৰ ভিঠিত কৰা প্ৰসংগত এই তাল ব্যৱহৃত হয়।

**(চ) খুটিতাল ঃ** মঞ্জিৰা তালতকৈ কিছু পাতল হ'ল খুটিতাল। ইয়াক ওজাপালিত ব্যৱহাৰ কৰা হয়।

**(ছ) খঞ্জুৰী বা জুৰি তাল ঃ** খঞ্জুৰী সৰু আকৃতিৰ তাল, সত্ৰৰ চোতালত কৰা যাত্ৰা-ভাওনাত খোলৰ লগত এই তাল ব্যৱহাৰ কৰা হয়। দৌল উৎসৱত গোৱা হোলীগীতত এই তাল ব্যৱহাৰ কৰে। সংকীৰ্তনত খঞ্জুৰী ব্যৱহৃত হয়। বৰনগৰ অঞ্চলত খঞ্জুৰীৰ ব্যৱহাৰৰ বাবে ইয়াক খঞ্জুৰী নাম বুলিও কয়।

**(জ) হোলীঢোল বা ঢোলক ঃ** হোলীঢোল বা ঢোলক অৱনদ্ধ বাদ্য। ইয়াৰ আকৃতি প্ৰায় ঢোলৰ নিচিনা। মাজভাগ বা পেট অংশ ডাঙৰ। নিম আৰু কঁঠাল-কাঠ হোলীঢোল নিৰ্মাণৰ বাবে উপযুক্ত। ডায়া আৰু বায়াত গৰুৰ ছাল ব্যৱহাৰ কৰা হয়। চাইকেলৰ টিউবৰ লগত কেৰ'চিন আৰু মিঠাতেল মিহলাই এক আঠাজাতীয় পদাৰ্থ তৈয়াৰ কৰা হয়। এই গাপ ঢোলৰ ভিতৰৰ ছামৰাৰ ভিতৰফালে লগোৱা হয়। হোলীঢোল দীঘলে ২০ৰ পৰা ২২ ইঞ্চি জোখৰ। ডায়া আৰু বায়াৰ ছাল দুখন ৰচীৰে টানি বন্ধা হয়। স্বৰৰ উঠা-নমা কৰিবৰ বাবে ধাতুৰ আঙুঠি ব্যৱহাৰ কৰে। হোলীগীতৰ মুখ্য সংগতকাৰী বাদ্য হ'ল ঢোলক। এই ঢোলক ভাৰতৰ ভিন্ন অঞ্চলত ভিন্ন আকাৰ আৰু নামেৰে প্ৰচলিত।

**৩.৮.২ বৰপেটাত প্ৰচলিত লোকবাদ্য ঃ**

**(ক) দগৰ ঃ** দগৰ এবিধ অৱনদ্ধ বাদ্য। ইয়াক কঁঠাল, নিম, চিচু আদি কাঠেৰে নিৰ্মাণ কৰা হয়। প্ৰথমতে কাঠৰ টুকুৰা কুণ্ডোৱা হয়। তাৰ পিছত হাতুৰী, বটালিৰে গোলাকৃতিৰ গাঁত কৰা হয়। তাৰ ওপৰত বিভিন্ন ধৰণৰ ৰং কৰা হয়। পূৰ্বতে দগৰৰ গাটো কাঠৰ সলনি হীড়া মাটিৰ ডাঠ আৰু ডাঙৰ, টেকেলীৰ দৰে পেটটো ভাঙি গলটোৰ ওপৰত গুঁই সাপৰ ছাল চোৱাই নিৰ্মাণ কৰা হৈছিল। বৰ্তমান সময়ত ছাগলীৰ চামৰা লগোৱা হয়। দগৰৰ ডোল বা ৰছীসমূহ বলদ গৰুৰ চামৰাৰে বনোৱা হয়। সুৰৰ উঠা-নমা কৰিবলৈ ৰছীত লো বা পিতলৰ আঙুঠি ব্যৱহাৰ কৰে। দগৰৰ মুখখনৰ জোখৰ ক্ষেত্ৰত কিছু তাৰতম্য আছে। ৬, ৭ বা ৮ ইঞ্চিৰ বহল মুখৰ দগৰ দেখা যায়।

দগৰ প্ৰধানকৈ লোকগীতত ব্যৱহৃত হয়। তাল ৰাখিবলৈ এইবিধ বাদ্য ব্যৱহৃত হৈছিল। দগৰ, ডম্বৰু আদি চামৰাৰ বাদ্যবোৰ শিৱৰ সৃষ্ট বুলি লোক-সমাজত কাহিনী প্ৰচলিত হৈ আছে। "শিৱই ত্ৰিপুৰাসুৰক বধ কৰাৰ পিছত খং সম্বৰণ হোৱা নাছিল। খং কমাবলৈ ছাল এৰুৱাই গাঁতৰ

ওপৰত ছালখন দি তাৰ ওপৰত নৃত্য কৰিছিল। তেতিয়া ডুম, ডুম শব্দ সৃষ্টি হৈছিল।"[৩২] এনেকৈয়ে চামৰাৰপৰা তালৰ ধ্বনি সৃষ্টি হৈছিল।

**(খ) দোতাৰা ঃ** চতিয়না কাঠ দোতাৰা নিৰ্মাণৰ বাবে উত্তম। দোতাৰাৰ চাৰিপাত তাঁৰ বা সূতা থাকে। পূৰ্বতে পেৰাচুট বা গুণাৰ তাঁৰ ব্যৱহাৰ কৰা হৈছিল। বৰ্তমান নাইলনৰ তাঁৰ ব্যৱহাৰ কৰা হয়। দোতাৰা আঢ়ৈৰ পৰা তিনিফুট পৰ্যন্ত দীঘল হয়। তাঁৰবোৰ টান-ঢিলা কৰিবলৈ খুঁটি চাৰিটা থাকে। বজাবলৈ চুটকী (Strike) ব্যৱহাৰ কৰা হয়। পহুৰ শিং, ম'হৰ শিং নাইবা কাঠেৰে পাতলকৈ চুটকী নিৰ্মাণ কৰি লোৱা হয়। ভাটিয়ালী গীতত ব্যৱহৃত দোতাৰাত ষ্টিলৰ তাঁৰ 'সৰজুলি' ব্যৱহাৰ কৰে। কামৰূপী লোকগীতত নাইলনৰ তাঁৰ ব্যৱহাৰ কৰে।

দোতাৰাৰ নিৰ্মাণ-পদ্ধতি সম্পৰ্কে লোক-সমাজত এনেদৰে কাহিনী পোৱা যায় যে ---

নটৰাজ শিৱই গছৰ ডালত মৰি শুকাই থকা বান্দৰৰ নাড়ীৰ পৰা দোতাৰা নিৰ্মাণ কৰিছিল। ইঙলা, পিঙলা, চিত্ৰা আৰু সুষুম্না এই চাৰিডাল নাড়ী পৰৱৰ্তী সময়ত তাঁৰলৈ ৰূপান্তৰ ঘটিল। দোতাৰাৰ নিৰ্মাণ সম্পৰ্কে কামৰূপী লোকগীতত এনেদৰে পোৱা যায় ---

"চাম চাম চামৰা চাইতন কাঠৰ দোতাৰা
পানী খাঙ পানী খাঙ কৰে
শিৱে সৰজিলা এই হেন দোতাৰা
মইনা চৰেই মতা দি মাতে
ইঙলা, পিঙলা, চিত্ৰা, সুষুম্না
দোতাৰাত লগাইলা ভালে কৰি.....
ও হৰি এ ছালে ভাগি ৰৈলা
মুঠিও লগাইলা, ঘোঁৰাকো থাপিলা তাতে।"[৩৩]

**(গ) একতাৰা ঃ** পানীলাউ পূৰঠ হোৱাৰ পিছত গছতে শুকাবলৈ দিয়া হয়। শুকোৱা পানীলাউৰ মুখখন খুলি ভিতৰত থকা সাহবোৰ উলিয়াই দিয়া হয়। শুকোৱাৰ পিছত একেডাল বাঁহৰ গাঁঠিৰে দুডাল কামি চাঁচি উলিয়াই লাউটোৰ দুয়োফালে সংযোগ কৰি দিয়া হয়। বাঁহৰ গাঁঠিৰ পৰা খোলাটোৰ লগত এডাল তাঁৰ সংযোগ কৰি দিয়া হয়। ইয়াত এডাল তাঁৰ থকা বাবে একতাৰ আৰু লাওৰে খোলাটো নিৰ্মাণ কৰা বাবে লাউতক্ৰা বুলিও জনা যায়।

কামৰূপী লোকগীত, দেহবিচাৰৰ গীত আদিৰ উপৰি বাঘবৰৰ চৰ-চাপৰিৰ মুছলমান সমাজৰ মাজত প্ৰচলিত পল্লীগীত, ভাটিয়ালী গীতৰ লগত এইবিধ বাদ্য বিশেষভাৱে প্ৰচলিত।

**(ঘ) ঠকা বা থৰ্কা ঃ** ঠকা বা থৰ্কা বাঁহেৰে নিৰ্মাণ কৰা বাদ্য। বাঁহ এডাল ফালি লৈ মাজভাগ বা

ওপৰৰ অংশ চাঁচি লোৱা হয়। ইয়াৰ জোখ দুফুটমানৰ পৰা চাৰিফুট মানলৈ হয়। বৰপেটাৰ থিয়নাম বা বীৰনামত থৰ্‌কা বজোৱা হয়।

**(ঙ) বেণু ঃ** বেণু বাঁহেৰে নিৰ্মিত বাদ্য। এছটা দুফুটমান জোখৰ বাঁহৰ কামিত সৰু সৰু ঘাপ কাটি লোৱা হয়। এডাল মাৰিৰে আনডালত ঘৰ্ষণ কৰিলে স্বৰ উৎপন্ন হয়।

**৩.৮.৩ সত্ৰীয়া তথা লোকবাদ্যসমূহ নিৰ্মাণৰ ক্ষেত্ৰত ব্যৱহৃত কেঁচামাল ঃ**

সত্ৰীয়া তথা লোকবাদ্যসমূহ তৈয়াৰ কৰিবলৈ কেঁচামাল হিচাপে গৰু-ছাগলীৰ ছাল, কাঠ, পিতল, মাটি ব্যৱহৃত হয়। এই কেঁচামালসমূহ বিভিন্ন উৎসৰ পৰা শিল্পীসকলে আহৰণ কৰে।

**(ক) ছাল ঃ** বৰপেটা অঞ্চলৰ বাদ্যযন্ত্ৰ নিৰ্মাতাসকলে গৰু, ম'হ, ছাগলী আদিৰ ছাল হাজোৰ ভিতৰুৱা অঞ্চল, মন্দিয়া আদি ঠাইৰ পৰা সংগ্ৰহ কৰে। কেঁচা ছালৰ দাম কিছু কম যদিও মুছিয়াৰে মছলা দি বাদ্য নিৰ্মাণৰ উপযোগীকৈ প্ৰস্তুত কৰিলে ইয়াৰ দাম বৃদ্ধি পায়। "কেঁচা চামৰাখন এবাৰ ধুই, শুকাই পুনৰ ধুই ছাঁই, চুইটা মিহলাই শুকাবলৈ দিয়ে। কেঁচা চামৰা এখন ৭০০/৮০০ টকাত কিনা হয়। শুকান চামৰা প্ৰতিখনৰ দাম ১২০০/১৪০০ টকাৰ ভিতৰত। চামৰা শুকাবলৈ দিলে খুঁটি মাৰি টানকৈ ৰ'দত দিয়া হয়।"[৩৪] এখন গৰুৰ চামৰাৰে এযোৰ নাগাৰা তৈয়াৰ কৰা হয়। দুখন গৰুৰ চামৰাৰে তিনিটা খোল তৈয়াৰ কৰিব পাৰি।

**(খ) কাঠ ঃ** বৰপেটাৰ সোঁমাজেৰে প্ৰবাহিত হৈছে নখান্দা, মৰানদী, চাউলখোৱা আদি নৈসমূহ। এই নৈসমূহ এটা সময়ত বেহা-বেপাৰৰ কেন্দ্ৰ আছিল। আগৰ সময়ত নখান্দা নদী আদিৰে ডাঙৰ ডাঙৰ নাৱত বিভিন্ন ঠাইৰ পৰা কাঠৰ কুণ্ডাবোৰ অনা হৈছিল। আম, চতিয়না, কঁঠালৰ সাৰযুক্ত কাঠবোৰ বৰপেটা অঞ্চলৰ বাদ্য নিৰ্মাতাসকলে ক্ৰয় কৰি ৰাখিছিল। বৰ্তমান স্থানীয় কাঠৰ দোকানৰ পৰা নাইবা গছ হিচাপত কাঠ কিনি তাৰ পৰা বাদ্য প্ৰস্তুত কৰে। মূল সাৰ অংশৰ পৰা খোল আদি বনায়। সৰু অংশৰ পৰা দগৰ, ডম্বৰু আদি নিৰ্মাণ কৰে।

**(গ) মাটি ঃ** কেঁচামাল হিচাপে বৰ্তমান সময়ত মাটিৰ ব্যৱহাৰ হ্ৰাস পাইছে। তাৰ ঠাইত কাঠ আৰু পিতলৰ ব্যৱহাৰ বৃদ্ধি হৈছে। ত্ৰিশ বছৰমান আগলৈকে বৰপেটা অঞ্চলত বনোৱা খোল আৰু নাগাৰাৰ খোলত মাটি ব্যৱহৃত হৈছিল। যাতায়াত বা বিভিন্ন অসুবিধাৰ বাবে মাটিৰ ঠাই কাঠ, পিতল আদিয়ে অধিকাৰ কৰে। অৱশ্যে মাটিৰ খোলৰ ধ্বনি খুব মিঠা হয়। বৰপেটা অঞ্চলত মাটিৰ খোল খুব জনপ্ৰিয় আছিল। স্বাধীনতাৰ পূৰ্বে সুদূৰ পাকিস্তানৰ পৰা নখান্দা, চাউলখোৱা নদীৰে আহি খোল, নাগাৰা আদিৰ মাটিৰ খোলাবোৰ বেপাৰীয়ে বৰপেটালৈ আনি বিক্ৰী কৰিছিল। বছৰত এবাৰ নাৱেৰে আহি খোলাবিলাক ইয়াত বিক্ৰী কৰিছিল। সেই সময়ত মাটিৰ খোলাবিলাকৰ দাম ১০/১৫ টকা আছিল। "আজিৰ পৰা ৩৫-৪০ বছৰমান আগতে নাগাৰা, তবলাৰ বায়া খোলা আদি বৰপেটাৰে স্থানীয় হীৰা সম্প্ৰদায়ৰ লোকসকলে

তৈয়াৰ কৰিছিল।”[৩৫] বৰ্তমান মাটিৰ খোলাবোৰ বহৰি অঞ্চলৰ পৰা ক্ৰয় কৰি অনা হয়। ডবাৰ বাবে বৃহৎ মাটিৰ খোলাৰ প্ৰয়োজন হয়। এই খোল পলাশবাৰীৰ পৰা অনা হয়।

**(ঘ) কাঁহ-পিতল ঃ** বৰ্তমান নাগাৰা, ডবা আদি পিতলৰ খোলাত নিৰ্মাণ কৰা হয়। এই খোলাবোৰ বৰপেটাৰ বুদৰুৰটুপ অঞ্চলৰ স্থানীয় শিল্পীসকলে বনায়। কিছুমান কাঁহ-পিতলৰ খোলা সৰ্থেবাৰী অঞ্চলৰ পৰা অনা হয়। ভোৰতাল, তাল, খঞ্জুৰী আদি স্থানীয় কঁহাৰসকলে নিৰ্মাণ কৰে।

**৩.৮.৪ লোকবাদ্য নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা সময় ঃ**

| | | |
|---|---|---|
| খোল | - | প্ৰায় তিনিদিন |
| নাগাৰা | - | প্ৰায় এদিন |
| ডবা | - | প্ৰায় দুদিন |
| দগৰ | - | প্ৰায় দুদিন |
| ঢোলক | - | প্ৰায় চাৰিদিন |
| দোতাৰা | - | প্ৰায় পাঁচদিন |

**৩.৮.৫ লোকবাদ্যসমূহৰ বৰ্তমানৰ মূল্য ঃ**

| | | |
|---|---|---|
| খোল | - | কাঠৰ ৪,০০০/৫,০০০ টকা (২০ ইঞ্চিৰ পৰা ২৪ ইঞ্চিৰ ভিতৰত) |
| নাগাৰা | - | মাটিৰ ১,৬০০/২,০০০ টকা, পিতলৰ ৮,০০০/১০,০০০ টকা |
| দবা | - | মাটিৰ ৪,০০০/৭,০০০ টকা, পিতলৰ ১৫,০০০/২০,০০০ টকা |
| দগৰ | - | কাঠৰ ৫০০/৮০০ টকা |
| ঢোলক | - | কাঠৰ ৩,৫০০/৪,৫০০ টকা |
| দোতাৰা | - | ১,০০০/২,০০০ টকা |
| একতাৰা | - | ১,২০০/১,৫০০ টকা |
| বৰতাল | - | ২,৪০০ টকা প্ৰতি কেজি হিচাবত |
| পৰিতাল | - | ২,৮০০ টকা প্ৰতিকেজি হিচাবত।[৩৬] |

**৩.৮.৬ লোকবাদ্য নিৰ্মাতা শিল্পীসকলৰ পৰিচয় ঃ**

বৰপেটা জিলাৰ সদৰত প্ৰায় পাঁচখনমান বাদ্যযন্ত্ৰ নিৰ্মাণৰ দোকান আছে। হাউলীত চাৰিখন, বৰপেটাৰোডত পাঁচখন, বহৰিত তিনিখন আৰু সৰভোগত প্ৰায় দুখন বাদ্যযন্ত্ৰ নিৰ্মাণৰ দোকান আছে। স্থানীয় শিল্পীসকল ভিন্ ভিন্ সম্প্ৰদায়ৰ। ভাৰতৰ স্বাধীনতাৰ এশ বছৰমান পূৰ্বে পাকিস্তানৰ মৈমনসিং জিলাৰ 'চাগদ বেৰবাৰী'ত বাদ্যযন্ত্ৰৰ খোল, দোতাৰা, ডবা, নাগাৰা আদি তৈয়াৰ কৰি নাৱত ভৰাই লৈ প্ৰতি বছৰৰ শাওণ-ভাদ মাহত বৰপেটালৈ আনি বৰপেটাৰ সুন্দৰীদিয়া, গজিয়া, পাটবাউসী আদি

ঠাইত বাদ্যযন্ত্ৰসমূহ বিক্ৰী কৰি আঘোণ মাহত পুনৰ পাকিস্তানলৈ উভতি যায়। কিন্তু বৰপেটাত উপযুক্ত বাদ্যযন্ত্ৰ শিল্পীৰ অভাৱত বাদ্যযন্ত্ৰসমূহ সোনকালে নষ্ট হৈ যায় আৰু বাদ্যযন্ত্ৰৰ বাবে প্ৰতিবছৰৰ শাওণ-ভাদ মাহলৈ অপেক্ষা কৰিব লগা হয়। পিছত ৰামতনু বাদ্যকাৰক বৰপেটা সত্ৰৰ ৰাইজে সংস্কৃতিৰ ৰক্ষাৰ স্বাৰ্থত সত্ৰৰ ওচৰতে থাকিবলৈ দিয়ে। ১৯৫০ চনত চৰকাৰে ৰামতনুৰ পুত্ৰ পনোৰাম বাদ্যকাৰক স্থায়ী বাসিন্দাৰ প্ৰমাণ তথা মাটিৰ পট্টা প্ৰদান কৰে।[৩৭] পনোৰাম বাদ্যকাৰৰ পুত্ৰ সনাতন বাদ্যকাৰে নিৰ্মাণ কৰা দগৰ, দোতাৰাই ৰাছিয়াৰ মস্কোৰ মিউজিয়ামত অসমক প্ৰতিনিধিত্ব কৰিছে। তেওঁ নিৰ্মাণ কৰা ডবা লণ্ডনলৈও প্ৰেৰণ কৰা হৈছে। সনাতনৰ ভাতৃ ৰূপচান বাদ্যকাৰ, গৌৰাংগ বাদ্যকাৰ, বিক্ৰম বাদ্যকাৰ, ব্ৰজেন বাদ্যকাৰ, মাণিক বাদ্যকাৰ আদি বৰপেটা অঞ্চলৰ প্ৰসিদ্ধ বাদ্যযন্ত্ৰ নিৰ্মাতা শিল্পী। এওঁলোকে নিৰ্মাণ কৰা বাদ্যসমূহ শদিয়াৰ পৰা ধুবুৰীলৈকে যায়। ‘সৰস্বতী বিদ্যামন্দিৰ’ নামৰ সনাতন বাদ্যকাৰৰ নিজা প্ৰতিষ্ঠানখনত দহজন মান লোকে কৰ্ম-সংস্থাপন লাভ কৰিছে। চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত এই শিল্পীসকলে বিশেষ প্ৰচাৰো আজিলৈকে লাভ কৰা নাই। তেওঁলোকে বছৰত ২৫-৩০ টা খোল, ২০-২৫ টা দগৰ, ৩-৪ টা ডবা, দোতাৰা ৪-৫ টা, নাগাৰা ১০-১২ যোৰ বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰি আছে। খোল এটা বিক্ৰী কৰি ১,০০০/১,২০০, নাগাৰাত - ৬০০/৮০০, দোতাৰাত ৫০০/৭০০ টকা লাভ কৰে। শিল্পীসকলে আৰ্থিক দুৰৱস্থাক আওকাণ কৰিও ভৱিষ্যৎ প্ৰজন্মৰ লগতে অন্যান্য শিষ্যসকলক প্ৰশিক্ষণ দি এই বাদ্যশিল্পসমূহ জীয়াই ৰাখিছে।

**৩.৮.৭ সত্ৰীয়া বাদ্য আৰু লোকবাদ্যসমূহৰ ভৱিষ্যৎ সম্ভাৱনা ঃ**

প্ৰাচীন কালৰে পৰাই মানুহ সংগীতৰ প্ৰতি আকৰ্ষিত হৈ আহিছে। সময়ৰ গতিশীলতাত বহুতো বাদ্যৰ ব্যৱহাৰ লোপ পাইছে। কিছুমান বাদ্য ফিউজন কৰি ইয়াৰ নিৰ্মাণ-কৌশলৰ কিছু পৰিৱৰ্তন কৰা হৈছে। কিছু বাদ্য আছে যদিও তাৰ প্ৰদৰ্শনৰ অনুষ্ঠানবোৰ লোপ পাই আহিছে। ৰাজ্যৰ লগতে বাদ্যযন্ত্ৰ নিৰ্মাণ কৰা শিল্পীসকলো ক্ৰমাৎ হেৰাই গৈছে। অৰ্থনৈতিক প্ৰত্যাহ্বান নেওচি শিল্পীসকলে সাহসেৰে এই শিল্পবিদ্যা জীয়াই ৰাখিছে। বিশ্বায়নৰ যুগত এই শিল্পবোৰ বাহিৰত প্ৰচাৰ তথা ৰপ্তানি কৰিব পাৰিলে শিল্পীসকল যথেষ্ট লাভান্বিত হ’ব। লগতে পৰ্যটকসকলেও এই লোকবাদ্য তথা সত্ৰীয়া বাদ্যবোৰৰ প্ৰতি আকৰ্ষিত হ’ব। বিশেষকৈ পৰ্যটন বিভাগে লোকসংগীত তথা বাদ্যবোৰৰ প্ৰচাৰৰ বাবে কেতবোৰ আঁচনি গ্ৰহণ কৰাটো বৰ্তমান সময়ত যথেষ্ট প্ৰাসংগিক বুলি বিবেচনা কৰিব পাৰি।

**৩.৯ আতচ্‌বাজী শিল্প ঃ**

বৰপেটা সত্ৰৰ পৃষ্ঠপোষকতাত গঢ় লোৱা এবিধ বিশেষ লোকশিল্প হ’ল আতচবাজী বা বাখৰশিল্প। সত্ৰৰ দৌল উৎসৱত ইয়াৰ প্ৰদৰ্শনৰ জৰিয়তে এই শিল্পবিধে প্ৰচাৰ আৰু জনপ্ৰিয়তা লাভ

কৰিলে। বৰপেটা অঞ্চলত বিশেষ কেইটিমান পৰিয়ালে পৰম্পৰাগতভাৱে এই শিল্পৰ চৰ্চা আৰু নিৰ্মাণৰ লগত জড়িত হৈ শিল্পবিধক জীয়াই ৰখাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰি আহিছে। বৰপেটাৰ আৰ্থ-সামাজিক উন্নয়ন তথা স্ব-নিয়োজনৰ ক্ষেত্ৰত এই শিল্পই বিশেষ ভূমিকা গ্ৰহণ কৰি আছে। এই শিতানত বৰপেটা সত্ৰকেন্দ্ৰিকভাৱে বৰ্তি থকা আতচ্‌বাজী শিল্প আৰু ইয়াৰ লগত জড়িত হৈ থকা সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক দিশ; শিল্পবোৰৰ নিৰ্মাণৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা বিবিধ কেঁচা-সামগ্ৰী, লোকশিল্পবোৰৰ বজাৰ মূল্য আদি সম্পৰ্কে অধ্যয়ন কৰা হৈছে। তদুপৰি এই লোকশিল্পবিধৰ ভৱিষ্যৎ সম্ভাৱনা সম্পৰ্কেও এই অধ্যয়নত বিশ্লেষণ আগবঢ়োৱা হৈছে।

**৩.৯.১ বৰপেটা অঞ্চলৰ আতচ্‌বাজী শিল্পৰ চমু ইতিহাস ঃ**

অসমৰ একমাত্ৰ আতচ্‌বাজী শিল্প তৈয়াৰ কৰা কেন্দ্ৰ হ'ল বৰপেটা। সময়ৰ লগে লগে আতচ্‌বাজী শিল্পবিধ সংস্কৃতিৰ এক এৰাব নোৱাৰা অংগস্বৰূপ হৈ পৰিছে। বিশেষকৈ বিবাহ-উৎসৱ, দৌল-উৎসৱ, বিভিন্ন ধৰ্মীয় উৎসৱৰ শুভাৰম্ভণি আদি মাংগলিক উৎসৱ-পাৰ্বণৰ আনন্দ লাভ কৰিবলৈ আতচ্‌বাজীৰ প্ৰচলন দেখা যায়। ভাৰতত আতচ্‌বাজী শিল্পৰ প্ৰচলন সম্পৰ্কে এনেদৰে পোৱা যায়— "In early 20$^{th}$ century, Mr. Dasgupta set up a match factory in Kolkata with small semi-automatic Japanese machines, frames and gadgets imported from Japan."[৩৮]

বৰপেটাৰ আতচ্‌বাজী শিল্প নিৰ্মাণৰ পৰম্পৰা সম্পূৰ্ণ নিজাববীয়া উদ্যোগত গঢ়ি উঠিছিল। বৰপেটাৰ ব্যৱসায়ীসকলে বাংলাদেশৰ ঢাকাৰ লগত বেহা-বেপাৰৰ সম্পৰ্ক ৰক্ষা কৰিছিল। "সেই সময়তে লক্ষ্মী নবিশ নামৰ ব্যৱসায়ী এজনে আতচ্‌বাজী তৈয়াৰ কৰা পদ্ধতি সম্বলিত এখন কিতাপ ঢাকাৰ পৰা কিনি আনিছিল আৰু লক্ষ্মীৰাম পাঠক নামৰ ব্যক্তি এজনৰ সহযোগত কেঁচামাল সংগ্ৰহ কৰি আতচ্‌বাজী তৈয়াৰ কৰিছিল।"[৩৯] এই শিল্পকলাই ব্ৰিটেইনৰ মহাৰাণী ভিক্টোৰিয়াৰ পৰা উচ্চ প্ৰশংসা লাভ কৰিছিল— "The industry was also patronised by Queen Victoria who was satisfied with work of Lakshiram Pathak and awarded him a gold madel and donated two bigha of land at Bilortarihati, Barpeta to play his trade."[৪০]

বৰ্তমান সময়ত এই লক্ষ্মীৰাম পাঠকৰ সম্প্ৰসাৰিত পৰিয়াল মাজৰ হাটী, বিলৰটাৰী হাটী আদি ঠাইত বসতি কৰি আছে। বৰ্তমান পাঁচটা পাঠক পৰিয়ালে এই শিল্প-সামগ্ৰী তৈয়াৰ কৰা কামৰ লগত জড়িত হৈ আছে। তেওঁলোকে বৃহৎ সংখ্যক নিবনুৱাক সংস্থাপন দিয়াৰ লগতে প্ৰায় ৫০-৬০টা মৃৎশিল্পৰ লগত জড়িত পৰিয়ালকো সংস্থাপন দিছে। উল্লেখযোগ্য যে প্ৰতি বছৰে আতচ্‌বাজী শিল্প নিৰ্মাণৰ লগত জড়িত পাঠক পৰিয়াল পাঁচোটাই বিনামূলীয়াকৈ সত্ৰ চৌহদত

আতচ্‌বাজীৰ বিচিত্ৰ খেল প্ৰদৰ্শন কৰে। গন্ধোৎসৱৰ দিনা বিগ্ৰহদ্বয়ক বৰপেটা সত্ৰৰ মঠৰ চোতালৰ পৰা তুপৰ চোতাললৈ অনাৰ আগ মুহূৰ্তত প্ৰদৰ্শন কৰা আতচ্‌বাজীৰ খেলা দেশ-বিদেশৰ পৰা অহা বিভিন্ন দৰ্শকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু।

এই শিল্পৰ লগত জড়িত আগতী পাঠকে ইংৰাজসকলক আতচ্‌বাজী প্ৰদৰ্শন দেখুৱাই মুগ্ধ কৰিছিল আৰু ১৯১০ চনত আতচ্‌বাজী উদ্যোগটোক ইংৰাজ চৰকাৰৰ অধীনত পঞ্জীয়নভুক্ত কৰিছিল।

**৩.৯.২ আতচ্‌বাজীসমূহৰ বিভিন্ন প্ৰকাৰ ঃ**

বৰপেটা অঞ্চলত পৰম্পৰাগতভাৱে নিৰ্মিত তথা প্ৰচলিত আতচ্‌বাজীসমূহৰ নিৰ্মাণ-শৈলী, শৈল্পিক বিশিষ্টতা অনুসৰি এইবোৰক বম, ম'তা, ফুলজাৰি, ফানুছ আদি বিবিধ নামেৰে নামকৰণ কৰা হয়। আনহাতে প্ৰদৰ্শনৰ বিশিষ্টতা অনুসৰি বমসমূহকো বিভিন্ন স্থানীয় নামেৰে জনা যায়। তলত সেইবোৰৰ বিষয়ে পৰিচয়মূলক আলোচনা দাঙি ধৰা হ'ল—

**৩.৯.২.১ বমসমূহৰ স্থানীয় নাম আৰু এইবোৰৰ প্ৰকাৰ ঃ**

বৰপেটাৰ স্থানীয় বমসমূহৰ মান সুকীয়া। এই বমসমূহৰ স্থানীয় নামবোৰ যথেষ্ট আকৰ্ষণীয়। ইয়াত তৈয়াৰ হোৱা পৰম্পৰাগত কেইবিধমান বমৰ নাম হ'ল —

(ক) **আফ্‌লাই মৰা বম বা আচ্‌ৰা বম ঃ** এইবিধ বম মাটিত আফাল মাৰি ফুটোৱা হৈছিল। ইয়াত শিল আৰু বালিৰ ঘৰ্ষণ হৈ জুই উঠে। অসম আন্দোলনৰ পৰা এইবিধ বমৰ নিৰ্মাণ বন্ধ হৈ আছে।

(খ) **গাজি মৰা বম ঃ** গাজি মৰা বম বা হিলৈৰ বাবে এবিধ বিশেষ ধৰণৰ লোৰ চোঙা প্ৰয়োজন হৈছিল। এই লোৰ চুঙা সুদূৰ কলকাতাৰ পৰা অনা হৈছিল।

(গ) **মেনা যুঁজ ঃ** মেনা যুঁজত বিভিন্ন ফালৰ পৰা অহা পোহৰৰ জুমুঠিৰে কৰা যুঁজৰ দৃশ্য আকৰ্ষণীয়। পথাৰত নিশা এই পোহৰ সদৃশ যুদ্ধ বা আতচ্‌বাজীৰ দৃশ্য হেজাৰ হেজাৰ লোকে একেলগে উপভোগ কৰিছিল।

(ঘ) **পানী কাউৰী ঃ** পানী কাউৰী হ'ল নদী বা পুখুৰীৰ পানীত মৰা এবিধ আতচ্‌বাজী। পানীত ডুব মাৰি পুনৰ ওপৰলৈ ওলাই অহা পানী কাউৰীৰ নিচিনা এই আতচ্‌বাজীবিধ বিশেষ বৈশিষ্ট্যসম্পন্ন। ইয়াক তৈয়াৰ কৰোঁতে সময় আৰু ধন অধিক খৰচ হোৱা দেখা যায়।

(ঙ) **পতেবাজী ঃ** বাঁহৰ ৰিঙত বাখৰৰ চকৰি লগাই এইবিধ আতচ্‌বাজী জ্বলাই দিয়া হয়।

(চ) **নাৰীকইলা বম বা হিলৈ ঃ** এইবিধ তুলনামূলকভাৱে অন্য বমসমূহতকৈ বৃহৎ আকাৰৰ। দেখাত ই নাৰীকলৰ সমান বাবে ইয়াক নাৰীকইলা বম বোলে।

(ছ) **গাছ বম ঃ** এইবিধ আতচ্‌বাজীত বাঁহৰ ওপৰত চকা বনাই বাখৰৰ পাত্তা লগাই দিয়া হয়। বাখৰৰ পাত্তাবোৰৰ পৰা ৰং-বিৰঙৰ পোহৰ ওলায়।

উল্লিখিত বমসমূহৰ উপৰিও আছমান গোলা, মৌমাখি তৰা, ভৈৰৱ যুঁজ, চেৰেকী, সূৰ্যবাজী, ফাকুবম, হাজাৰ পাত্তা, তাৰাবাজী, চাতোৱাল-বাজী আদি বিভিন্ন প্ৰকাৰৰ বম বা আতচ্‌বাজীৰ প্ৰচলন আছে।

**৩.৯.২.২ বিভিন্ন প্ৰকাৰৰ ম'তা ঃ**

কাগজত বাখৰ মেৰিয়াই দীঘলীয়াকৈ প্ৰস্তুত কৰা এবিধ বিশেষ ধৰণৰ বিভিন্ন আকৃতিত তৈয়াৰী আতচ্‌বাজী হ'ল ম'তা। ইয়াক হাতেৰে ধৰি ফুলজাৰিৰ দৰে প্ৰদৰ্শন কৰোৱা হয়। এইবিধ আতচ্‌বাজীৰ ভিতৰত 'ৰং ম'তা' আৰু 'হাত ম'তা' বিশেষভাৱে উল্লেখযোগ্য।

**৩.৯.২.৩ ফুলজাৰি ঃ**

ফুলজাৰিসমূহ হীৰামাটিৰে নিৰ্মিত মাটিৰ পাত্ৰত বাখৰ খাজি ভৰাই বিভিন্ন আকৃতিত তৈয়াৰ কৰা হয়। ফুলজাৰিৰ ওপৰত ৰং-বিৰঙৰ চিলা-কাগজ লগাই সৌন্দৰ্যবৰ্ধকভাৱে সজাই তোলা হয়। ফুলজাৰিসমূহ দৰ্শক তথা ৰাইজৰ মাজত বিশেষভাৱে জনপ্ৰিয়। পঞ্চাশ গ্ৰামৰ পৰা পাঁচ কেজি ওজনলৈকে বাখৰ ভৰোৱা ফুলজাৰিও বৰপেটাত নিৰ্মাণ কৰা হয়।

**৩.৯.২.৪ ফানুছ ঃ**

বৰপেটাৰ আতচ্‌বাজীৰ লগত সম্পৰ্কিত জনপ্ৰিয় এবিধ বিশেষ উপাদান হ'ল ফানুছ। গৰুৰ গাড়ীৰ চকাৰ দৰে বৃত্তাকাৰে এডাল কামি বান্ধি লৈ নানা ৰঙৰ চিলা সজা পাতল কাগজ যোৰা লগাই এটা ডাঙৰ ডুলিৰ দৰে কৰা হয়। কামিৰ ঘেৰটো চাৰিওফালৰপৰা দুডাল গুণাৰে সংযোগ কৰি মাজত এটা যোগ চিন কৰা হয়। এই যোগ চিনটোৰ কেন্দ্ৰত এটা আৰিয়া বান্ধি ৰখা হয়। এই আৰিয়াটোৰ ফটাকানি বা থৈলাখিনি দুই-তিনি দিনমান পোৰা ম'বিল বা মিঠাতেলত তিয়াই থোৱা হয়। ফানুছটো উৰোৱাৰ সময়ত আৰিয়াটো জ্বলাই দিয়াৰ পিছত তাৰ পৰা উৎপন্ন হোৱা ধোঁৱাৰ সহায়ত ফানুছটো বেলুনৰ দৰে ফুলি উঠে আৰু ভিতৰভাগত ধোঁৱা জমা হোৱাৰ লগে লগে গেছ বেলুনৰ দৰে ওপৰলৈ উৰি যায়। ই বহু ঘণ্টা জুৰি আকাশত পোহৰ বিলাই উপঙি থাকে।

বৰপেটা সত্ৰত দৌল উৎসৱৰ গন্ধৰ দিনা, ভৰদৌলৰ দিনা আৰু ব'হাগৰ দোমাহীত ৰাতিৰ সময়ত ফানুছ উৰোৱা হয়। বৰপেটাৰ বাহিৰেতো অন্যান্য উৎসৱ-অনুষ্ঠানত ফানুছ উৰোৱা পৰিলক্ষিত হয়।

**৩.৯.৩ আতচ্‌বাজী শিল্প-সামগ্ৰী নিৰ্মাণত ব্যৱহৃত কেঁচা-সামগ্ৰী ঃ**

আতচ্‌বাজী নিৰ্মাণত বিভিন্ন সামগ্ৰী ব্যৱহাৰ কৰা হয়। এই ক্ষেত্ৰত বিবিধ কেঁচা-সামগ্ৰীৰ লগতে অন্যান্য বহুতো উপাদানৰ কথা উল্লেখ কৰিব পাৰি। সেইবোৰ এনেধৰণৰ —

(ক) **ফুলজাৰিৰ খাজ বা খুটি ঃ** হীৰামাটিৰে স্থানীয়ভাৱে ফুলজাৰিৰ বাখৰ ভৰাবৰ বাবে ঘট বা সৰু টেকেলিৰ নিচিনা পাত্ৰ তৈয়াৰ কৰি লোৱা হয়। বৰপেটাৰ প্ৰায় ৪০-৫০ ঘৰমান মৃৎশিল্পী এই ফুলজাৰিৰ পাত্ৰ তৈয়াৰ কৰা কৰ্মৰ সৈতে জড়িত হৈ আছে। এই সামগ্ৰীবিধে বৰপেটাৰ মৃৎশিল্পীসকলকো অৰ্থনৈতিক দিশত সহায় কৰিছে।

(খ) **বাঁহৰ চুঙা ঃ** কটোহা বাঁহৰ বিভিন্ন আকৃতিৰ চোঙা আতচ্‌বাজীৰ বাখৰ ভৰাবলৈ ব্যৱহাৰ কৰা হয়। স্থানীয়ভাৱে আহৰণ কৰা বাঁহবোৰ বিভিন্ন জোখত প্ৰয়োজন অনুপাতে কাটি চুঙা বনাই লোৱা হয়। চতোৱাল-বাজী, চেৰেকী, গাছ বম আদি আতচ্‌বাজী নিৰ্মাণৰ ক্ষেত্ৰত এই বাঁহৰ চুঙা ব্যৱহাৰ কৰা হয়।

(গ) **শিলৰ জাঁত ঃ** আতচ্‌বাজীত ব্যৱহৃত বিভিন্ন সামগ্ৰী পিহিবলৈ শিলৰ জাঁত ব্যৱহাৰ কৰা হয়।

(ঘ) **কাঠৰ উৰাল ঃ** কাঠ জুইৰ কুপৰিবাহী হোৱাৰ বাবে বিভিন্ন ৰাসায়নিক দ্ৰব্য খুন্দিবলৈ কাঠৰ উৰাল ব্যৱহাৰ কৰা হয়।

(ঙ) **কাঠৰ পীৰা ঃ** আতচ্‌বাজী তৈয়াৰ কৰিবলৈ ব্যৱহৃত হোৱা এঙাৰবোৰ ঢেঁকীত খুন্দি কাঠৰ পীৰাত পিহি মিহি কৰি লোৱা হয়।

(চ) **মৰাপাট ঃ** বিভিন্ন প্ৰকাৰৰ বমত আৱৰণ হিচাপে মৰাপাটৰ জৰী আঁটি আঁটি বান্ধি বমসমূহ মজবুত কৰি লোৱা হয়।

(ছ) **লোৰ সঁজুলি ঃ** বিভিন্ন আকৃতিৰ দা, কটাৰী, হাতুৰী, প্লাছ, হেক্সো ব্লেড, ওজন জোখা মেচিন, চোঙাত বাখৰ খুচি ভৰাবলৈ ব্যৱহাৰ কৰা সৰু-ডাঙৰ শলা, লোৰ গায়ন আদি।

(জ) **বাঁহৰ বিবিধ সামগ্ৰী ঃ** বিভিন্ন বস্তু থ'বলৈ বাঁহৰ পাছি, বাখৰ চালিবলৈ ব্যৱহৃত বাঁহৰ চালনী আদি।

(ঝ) **বিবিধ কেঁচা-সামগ্ৰী ঃ** কাস্তন, লোক গুৰি, পি.ভি.চি পাউদাৰ, কয়লা, জখাৰ, গন্ধক, চিল্‌ভাৰ গুৰি, আঠা, বেৰ-ইটা, পটাচ, চূণৰ গুৰি, ৰূপালী ৰং, মাটিত পুতি বিশেষভাৱে তৈয়াৰ কৰা বগৰী গছৰ এঙাৰ, দাদিগদিগা গছৰ এঙাৰ, হোকা বা ভীমকলৰ পানী আদি বিবিধ কেঁচা-সামগ্ৰী ব্যৱহাৰ কৰা হৈছিল।

(ঞ) **পাল্টা ঃ** বাখৰ, আঠা, মৰাপাট মিহলি কৰি বমত সংযোগ স্থাপন কৰিবলৈ ব্যৱহৃত এবিধ সূতাৰ দৰে সামগ্ৰী।

(ট) **ৰাসায়নিক সামগ্ৰী ঃ** গান পাউদাৰ, পটাচ নাইট্ৰাচ, তানছিয়া, মনচাল, জাংগাল আদি ।

উল্লিখিত সামগ্ৰীসমূহৰ সঠিক ব্যৱহাৰৰ মাজেৰে বৰপেটাত আতচ্‌বাজীসমূহ প্ৰস্তুত কৰি তোলা হয়।

### ৩.৯.৪ আতচ্‌বাজী শিল্পৰ শিল্প-প্ৰতিষ্ঠান ঃ

বৰপেটাৰ আতচ্‌বাজী শিল্প সম্পূৰ্ণভাৱে ঘৰুৱা শিল্পকৰ্ম। লক্ষ্মীৰাম পাঠকৰ উত্তৰ পুৰুষসকল ইয়াৰ উৎপাদনৰ লগত জড়িত হৈ আছে। বৰ্তমান পাঁচোটা পাঠক পৰিয়াল আতচ্‌বাজী শিল্পৰ লগত জড়িত— মণিৰাম ফায়াৰৱৰ্ক, বৰপেটা আতচ্‌বাজী, লক্ষ্মী ফায়াৰৱৰ্ক, মণিচূণা আতচ্‌বাজী উদ্যোগ আৰু আচাম ফায়াৰৱৰ্ক ইণ্ডাষ্ট্ৰি। এই শিল্প-প্ৰতিষ্ঠানকেইটাৰ পৃষ্ঠপোষকতাতে বৰপেটাত শিল্পবিধ স্বকীয় ঐতিহ্যৰে জীয়াই আছে।

### ৩.৯.৫ সামাজিক-সাংস্কৃতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত আতচ্‌বাজী শিল্পৰ ভূমিকা ঃ

বৰপেটাত উৎপাদিত আতচ্‌বাজী শিল্প-সামগ্ৰীসমূহৰ পেকেজিং, বিজ্ঞাপন আদি ঘৰুৱাভাৱে সম্পাদিত হয়। ভাৰতৰ শিৱকাশীত উৎপাদিত আতচ্‌বাজীৰ লগত বাহ্যিক দিশত ফেৰ মাৰিব নোৱাৰিলেও প্ৰাকৃতিক সমল বেছিকৈ ব্যৱহাৰ কৰাৰ বাবে এই শিল্পজাত সামগ্ৰীবোৰ পৰিৱেশ উপযোগী। সামান্য ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰাৰ বাবে এই শিল্পৰ জৰিয়তে উৎপাদিত সামগ্ৰীৰ নিৰ্মাণ-খৰচ অধিক। সম্পূৰ্ণ হাতেৰে ঘৰুৱা সা-সঁজুলিৰে পৰম্পৰাগতভাৱে তৈয়াৰ কৰাৰ বাবে সময়ো যথেষ্ট প্ৰয়োজন হয়। এনেবোৰ কাৰণতে 'মৌ-মাখি তৰা', 'পানী কাউৰী' আদি আতচ্‌বাজীৰ ব্যৱহাৰ প্ৰায় নোহোৱা হৈ পৰিছে। লগতে উৎপাদন সীমিত পৰিমাণৰ হোৱাৰ এখন উপযুক্ত বজাৰ দখল কৰিবলৈও সক্ষম হোৱা নাই। এই উদ্যোগটোৰ লগত পৰিয়ালৰ সকলো সদস্যই জড়িত আৰু বিশেষ অনুৰোধক্ৰমে তেওঁলোকে প্ৰয়োজনীয় আতচ্‌বাজী যোগান ধৰে। বৰ্তমান প্ৰশাসনিক পৃষ্ঠপোষকতাত এই পৰিয়ালকেইটিক সামৰি এখন আতচ্‌বাজীৰ গাঁও চৰকাৰে নিৰ্মাণ কৰি দিছে। বহুতো উদীয়মান যুৱকক এই উদ্যোগটোৰে সংস্থাপন প্ৰদান কৰি কৰ্মমুখী কৰি তোলাৰ লগতে অৰ্থনৈতিক ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। পৰিয়াল অনুসৰি গঢ়ি উঠা উল্লিখিত প্ৰতিটো উদ্যোগত অতি কমেও ২০ জনকৈ কৰ্মী জড়িত হৈ আছে। দেখা যায় যে শদিয়াৰ পৰা ধুবুৰীলৈকে বিভিন্ন অনুষ্ঠানত প্ৰয়োজন হোৱা আতচ্‌বাজী বৰপেটাৰ পৰাই যোগান ধৰা হয়। ফলত বৰপেটাৰ আতচ্‌বাজীয়ে সমগ্ৰ অসম জুৰি বিস্তাৰ তথা প্ৰসাৰ লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে নেপাল, ভূটান, অৰুণাচল প্ৰদেশ, মণিপুৰ, নাগালেণ্ড আদি বিভিন্ন স্থানতো বৰপেটাৰ আতচ্‌বাজী-শিল্পীয়ে এই শিল্পবিধ প্ৰদৰ্শন কৰি বিশেষ সমাদৰ লাভ কৰিছে।

সম্প্ৰতি বৰপেটা সত্ৰত উদ্‌যাপিত দৌলোৎসৱ আৰু ৰাসোৎসৱত বিশেষভাৱে আতচ্‌বাজী প্ৰদৰ্শন কৰা হয়। প্ৰতি বছৰে এই উৎসৱসমূহত বম, ফুলজাৰি, ফানুছ আদি প্ৰদৰ্শন কৰাটো এক পৰম্পৰালৈ পৰিণত হৈছে। এনে পৰম্পৰাই বৰপেটাৰ আতচ্‌বাজী শিল্পবিধৰ প্ৰচাৰ-প্ৰসাৰ আৰু জনপ্ৰিয়তাৰ ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়াই আহিছে। তদুপৰি বৰপেটাৰ প্ৰায়বোৰ বিবাহ-অনুষ্ঠানত

দৰাই ৰাতি কইনা আনিবলৈ যোৰাৰ আগমুহূৰ্তত সত্ৰৰ আশীৰ্বাদ বিচাৰি দালানৰ সন্মুখত আতচ্‌বাজী প্ৰদৰ্শন কৰে। এই আতচ্‌বাজী প্ৰদৰ্শন কৰাটো বৰপেটাৰ বিবাহ-অনুষ্ঠানৰ এক পৰম্পৰা।

**৩.৯.৬ বৰপেটাৰ আতচ্‌বাজী শিল্পৰ ভৱিষ্যৎ সম্ভাৱনীয় স্থিতি ঃ**

বৰপেটাৰ আতচ্‌বাজী শিল্পত উৎপাদিত প্ৰতিবিধ সামগ্ৰী প্ৰাকৃতিক পদ্ধতিৰে নিৰ্মাণ কৰা হয়। সেইবাবে এই সামগ্ৰীবোৰ উৎপাদনৰ ক্ষেত্ৰত যথেষ্ট অৰ্থ আৰু সময়ৰ প্ৰয়োজন হয়। এই শিল্পগত সামগ্ৰীবোৰৰ বজাৰ-মূল্যও সম্পূৰ্ণ ৰাসায়নিক পদ্ধতিৰে নিৰ্মাণ কৰা আতচ্‌বাজীতকৈ তুলনামূলকভাৱে বেছি। এনে পৰিপ্ৰেক্ষিতত বহিৰাগত, বিশেষকৈ শিৱকাশীৰ পৰা আমদানিকৃত বহু আতচ্‌বাজীয়ে বৰপেটাৰ লগতে সমগ্ৰ অসমৰ বজাৰ দখল কৰিছে। ফলত বৰপেটাৰ এই পৰম্পৰাগত লোকশিল্পৰ উদ্যোগটোলৈ ভাবুকি নামি আহিছে। কিয়নো তীব্ৰ প্ৰতিযোগিতামূলক আজিৰ সময়ৰ লগত খাপ খোৱাই এই উদ্যোগটোৱে আগবাঢ়ি যাবলৈ হ'লে এই উদ্যোগক কিছু সম্প্ৰসাৰিত ৰূপত আধুনিকীকৰণৰ প্ৰয়োজনীয়তা আছে। অন্যথা বৰপেটাৰ এই শিল্পবিধে অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত প্ৰবল প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ ভৱিষ্যৎ সম্ভাৱনীয়তাক নুই কৰিব নোৱাৰি।

**৩.১০ সত্ৰকেন্দ্ৰিক লোকশিল্পত ৰূপাঙ্গ ঃ**

সত্ৰকেন্দ্ৰিক লোকশিল্পসমূহত ধৰ্মীয় আখ্যানৰ লগত জড়িত জীৱ-জন্তু, চৰাই-চিৰিকটিক ৰূপাঙ্গ হিচাপে ব্যৱহাৰ কৰা দেখা যায়। নৱ-বৈষ্ণৱ ধৰ্মত গৰুড় চৰাই বহি নমস্কাৰ কৰি থকা অৱস্থাৰ নক্সা শিল্পবস্তুবোৰত খোদিত কৰা হয়। এই গৰুড় চৰাই চিলনী বা ঈগল চৰাইৰ লগত মিল আছে এনচাইক্লোপেডিয়া ব্ৰিটেনিকাত এনেদৰে পোৱা যায় "Garuda, in Hindu mythology, the bird (a kite or an eagle) and the vahana (mount) of the God Vishnu"[৪১] (britinnica.com 21 August 2023) নৱ-বৈষ্ণৱ ধৰ্মত সততে ব্যৱহৃত এবিধ ৰূপাঙ্গ হ'ল পাখিযুক্ত উৰণীয়া সিংহ। গুৰু-আসন, সত্ৰৰ তোৰণ, বাটচ'ৰা আদিত এই ৰূপাঙ্গবিধ দেখা যায়। আহোমসকলৰ স্থাপত্য, চিত্ৰপুথি, ভাস্কৰ্য, বৌদ্ধ বিহাৰতো এই পাখিযুক্ত সিংহৰ ব্যৱহাৰ দেখা যায়। ইয়াক 'নামসিংহ' নামেৰে জনা যায়। ই হৰিনামৰ প্ৰতীকস্বৰূপ। 'কাছ', 'হাতী', 'ৰথৰ ঘোঁৰা', 'ফণাযুক্ত সাপ', 'ময়ূৰ চৰাই', 'হাতত লাড়ু লৈ থকা বানৰ', 'কেলিকদম গছ', 'পদুম ফুল', 'বৈ পৰা অঁকোৱা-পকোৱা লতাৰ নক্সা' সত্ৰ আৰু নামঘৰৰ কাঠৰ ৰিলিফসমূহত দেখা যায়। এই নক্সাবোৰৰ মাজেৰে নৱ-বৈষ্ণৱ ধৰ্মৰ আধ্যাত্মিক তত্ত্বসমূহ শিল্পীৰ হাতৰ পৰশত প্ৰাণ পাই উঠিছে।

**৩.১১ সামগ্ৰিক আলোচনা ঃ**

বৰপেটা জিলা সত্ৰকেন্দ্ৰিক লোকশিল্পৰ ভঁৰালস্বৰূপ। বৰপেটা সত্ৰৰ লগতে জিলাখনৰ বিভিন্ন ঠাইত অৱস্থিত সত্ৰসমূহক কেন্দ্ৰ কৰি বিবিধ লোকশিল্পৰ চৰ্চা আৰু প্ৰচলন গুৰু দুজনাৰ সময়ৰ পৰাই

চলি আহিছে। এই শিল্পসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল— গুৰু-আসন শিল্প, সত্ৰীয়া ভাস্কৰ্য, সত্ৰীয়া বাদ্য আৰু আতচ্‌বাজী শিল্পবস্তুসমূহ। শিল্পীৰ সৃজনী-প্ৰতিভা, দক্ষতা আৰু অভিনৱ নিৰ্মাণ-কৌশলে এই লোকশিল্পবোৰৰ মাজেৰে মূৰ্ত ৰূপ লাভ কৰিছে। শিল্পবোৰৰ আকাৰ, নিখুঁট কাৰুকাৰ্য, ৰঙৰ ব্যৱহাৰ আদি দিশসমূহ একক আৰু অনন্য। এনে কাৰণতে বৰপেটাৰ সত্ৰকেন্দ্ৰিক প্ৰতিবিধ লোকশিল্পৰ প্ৰতি লোক-সমাজৰ আদৰ আৰু আকৰ্ষণ আজিও অটুট আছে। এই লোকশিল্পসমূহ সত্ৰ-সংস্কৃতিৰ ঐতিহ্য পৰম্পৰাৰ সাক্ষীস্বৰূপ হোৱাৰ লগতে এইবোৰে সত্ৰ-নিবাসী লোকসকলৰ আৰ্থ-সামাজিক ভেটিও সুদৃঢ় কৰিছে। ঐতিহ্যবাহী শিল্প হিচাপে এইবোৰৰ প্ৰচাৰ-প্ৰসাৰ আৰু সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰী পৃষ্ঠপোষকতাৰ লগতে সংশ্লিষ্ট শিল্পীসকল দায়বদ্ধ হোৱা উচিত। ■■

**প্ৰসংগ টীকা ঃ**


১. হেমচন্দ্ৰ বৰুৱা, *হেমকোষ*, পৃ. ১৮০

২. নাৰায়ণ চন্দ্ৰ গোস্বামী, *সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা*, পৃ. ২৮

৩. জগন্নাথ পাটগিৰি (সম্পা.), *অবিভক্ত গোৱালপাৰা জিলাৰ সত্ৰ আৰু মঠ-মন্দিৰৰ ইতিবৃত্ত*, সত্ৰৰ উৎপত্তি, ইতিহাস আৰু অৱদান, সত্যেন্দ্ৰ নাথ শৰ্মা, পৃ. ১৫

৪. পুলিন কলিতা, *নামঘৰ ঃ বুৰঞ্জী আৰু বিৱৰণ*, পৃ. ৪

৫. জগন্নাথ পাটগিৰি (সম্পা.), পূৰ্বোল্লিখিত, পৃ. ৩১

৬. ধ্ৰুৱজ্যোতি বৰা (সম্পা.), *গৰীয়সী*, ৰমলা শৰ্মা বস্তুৰ দ্বাৰা পৰম সত্তাৰ চিত্ৰায়ণ অসমৰ নৱ-বৈষ্ণৱ পৰম্পৰাত বস্তু সংস্কৃতিৰ এক চমু বিশ্লেষণ, প্ৰবন্ধ, পৃ. ৪৩

৭. যুগল চন্দ্ৰ দেৱগোস্বামী (সম্পা.), *মহাপুৰুষ গোপালদেৱৰ চৰিত্ৰ*, পৃ. ১০৬

৮. নাৰায়ণ চন্দ্ৰ গোস্বামী, পূৰ্বোল্লিখিত, পৃ. ৪৭৭

৯. ভূপেন্দ্ৰ ৰায়চৌধুৰী, *বৰপেটা সত্ৰৰ ইতিবৃত্ত*, পৃ. ২০৯

১০. গোকুল পাঠক, *বৰপেটা সত্ৰৰ ইতিহাস*, পৃ. ৯৭

১১. অধৰ চন্দ্ৰ দাস, *সচিত্ৰ বৰপেটা সত্ৰ*, পৃ. ২৯

১২. *আসাম ট্ৰিবিউন*, ২৪ জানুৱাৰী, ২০০৫

১৩. কমলাকান্ত বৰা (সম্পা.), *কলাদৰ্পণ*, জ্যোতিপ্ৰসাদ আগৰৱালা, অসমীয়া স্থাপত্যৰ নৱৰূপ, পৃ. ৩৩

১৪. কমলাকান্ত বৰা (সম্পা.), উল্লিখিত, নীলমণি ফুকন, জ্যোতিপ্ৰসাদৰ শিল্প-চিন্তা, পৃ. ৩৮২

১৫. সূৰ্যকান্ত হাজৰিকা (সম্পা.), *কীৰ্তনঘোষা আৰু নামঘোষা*, পৃ. ১

১৬. কমলাকান্ত বৰা (সম্পা.), পূৰ্বোল্লিখিত, পুষ্প গগৈ, আহোম যুগৰ চিত্ৰকলা, পৃ. ২৯৬

১৭. কমলাকান্ত বৰা (সম্পা.), উল্লিখিত , পৃ. ২৯৮

১৮. কমলাকান্ত বৰা (সম্পা.), উল্লিখিত, পৃ. ২৯৮

১৯. নাৰায়ণ চন্দ্ৰ গোস্বামী, পূৰ্বোল্লিখিত, পৃ. ৪৭৮

২০. অধৰ চন্দ্ৰ দাস, পূৰ্বোল্লিখিত, পৃ. ২৮

২১. কমলাকান্ত বৰা (সম্পা.), পূৰ্বোল্লিখিত, পৃ. ৩০০

২২. নগেন শইকীয়া, *অসমীয়া মানুহৰ ইতিহাস*, পৃঃ ৩৪৬

২৩. কমলাকান্ত বৰা (সম্পা.), পূৰ্বোল্লিখিত, পৃ. ৩৬

২৪. অক্ষয় কুমাৰ মিশ্ৰ (সম্পা.), *জীৱনীমালা*, শেহৰাম বাপু, বিজয়কৃষ্ণ দেৱ শৰ্মা, পৃ. ২১

২৫. ইছমাইল হোছেইন (সম্পা.), *বৰপেটা জিলাৰ ঐতিহ্য আৰু সংস্কৃতি*, ধ্ৰুৱ কুমাৰ তালুকদাৰ, বৰপেটাৰ লোকশিল্প কলাত এভূমুকি, পৃ. ১২৬

২৬. ভূপেন্দ্ৰ ৰায়চৌধুৰী, উল্লিখিত, *সুন্দৰীদিয়া সত্ৰৰ বুৰঞ্জী*, পৃ. ৩০৮

২৭. ভূপেন্দ্ৰ ৰায়চৌধুৰী, উল্লিখিত, পৃ. ৩০৮

২৮. ভূপেন্দ্ৰ ৰায়চৌধুৰী, পূৰ্বোল্লিখিত, পৃ. ৩০৯

২৯. ভূপেন্দ্ৰ ৰায়চৌধুৰী, উল্লিখিত, পৃ. ৩১০

৩০. বীৰেন্দ্ৰ নাথ দত্ত, *অসমীয়া সংগীতৰ ঐতিহ্য*, পৃ. ৬১

৩১. বসন্ত কুমাৰ ভট্টাচাৰ্য (সম্পা.), *গুৰুচৰিত*, পৃ. ৩১৮

৩২. তথ্যদাতা ঃ বসন্ত কুমাৰ পাটগিৰি, লোকগীতৰ শিল্পী, বয়স-৬০

৩৩. তথ্যদাতা ঃ বসন্ত কুমাৰ পাটগিৰি, লোকগীতৰ শিল্পী, বয়স-৬০

৩৪. তথ্যদাতা ঃ সনাতন বাদ্যকৰ, বাদ্য নিৰ্মাতা, বয়স-৬১

৩৫. তথ্যদাতা ঃ সনাতন বাদ্যকৰ, বাদ্য নিৰ্মাতা, বয়স-৬১

৩৬. তথ্যদাতা ঃ সনাতন বাদ্যকৰ, বাদ্য নিৰ্মাতা, বয়স-৬১

৩৭. *আমাৰ অসম* কাকত, ৮ আগষ্ট, ২০০৩

৩৮. Shirsendu Ghosh, Design Clinic Workshops of MSME, *Barpeta Traditional Firework Cluster*, Barpeta district, Assam, p. 14

৩৯. ধ্ৰুৱকুমাৰ তালুকদাৰ, *অসমৰ লোক-শিল্পকলা*, পৃ. ২৯

৪০. Shirsendu Ghosh, ibid, p. 14

৪১. Britannica.com, Retrieved : 21 August, 2023